REFERENCE
(NOT FOR ISSUE)

Reading Only Inside Library

# BUDGET SESSION

No. 4

Dated, the 21st March, 1996

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Discussion during Zero Hour | 49 |
| 3. | Call Attention Notice | 60 |
| 4. | Matter under Rule 301 | 70 |
| 5. | Debates on Governor's Address | 74 |
| 6. | Adjourment | 153 |
| 7. | Annexure—I to XII | 154 |

DEBATES OF THE

# ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 21 st March, 1996

The House met at 9 A.M of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Question No. 41-Questioner Shri Hitendra Nath Goswami, Minister, Food and Civil Supplies to-reply

বিষয় ঃ খাদ্য সামগ্ৰীৰ খুচুৰা বিক্ৰী মূল্যৰ তালিকা।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

★ ৪১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান বজাৰত চাউল, মচুৰ দাইল, মাটি দাইল, মুগ দাইল, ৰহৰ দাইল, আটা, আলু, পিয়াজ, নিমখ, মিঠাতেল, চেনী, চাহ-পাতৰ খুচুৰা বিক্ৰী মূল্য কিমান? ( তালিকা সদনৰ মেজত দাখিল কৰিব )

খ) ১৯৯১-৯২ চনৰ তুলনাত এই সামগ্ৰী সমূহৰ মূল্য বৃদ্ধি কিমান শতাংশ বৃদ্ধি পাইছে ? (তালিকা সদনৰ মেজত দাখিল কৰিব)।

গ) খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰাত চৰকাৰে কি ব্যৱস্থা লৈছে আৰু ইয়াক কাৰ্য্যকৰী কৰাত পোৱা অসুবিধা সমূহ কি ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ?

ক) সামগ্ৰী সমূহৰ খুচুৰা বিক্ৰী মূল্যসূঁচী ইয়াৰ লগত গাঠি দিয়া হ'ল (অনুবন্ধ—'ক') (See the Annexure-I)

খ) ১৯৯১-৯২ চনৰ তুলনাত সামগ্ৰী সমূহৰ মূল্য বৃদ্ধিৰ হাৰ (শতাংশ হিচাপত) দিয়া হ'ল (অনুবন্ধ—'খ')। (See the Annexure-II)

গ) মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিধি সন্মত সকলো প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইবাৰ শেষ বিধান সভাত মূল্যসূচী সম্পৰ্কে কেইটামান সত্য তথ্য দাঙি ধৰিছে যদিও, কেইটামান অসত্য তথ্যও দিছে, তেখেতে মছুৰ দাইলৰ মূল্য ২৪.৫০ পৰা ২৭.৯৯ টকা বুলি দিছে কিন্তু বজাৰত ৩০.০০ টকা, ৩২.০০ টকা চলি আছে। সেইদৰে মোটা চাউল ৭.৫০—৮.৫০ বুলি দিছে, কিন্তু বজাৰত ৯.৫০—১০.০০ টকা চলি আছে। সেইদৰে মচুৰ দাইলৰ ১৯৯২ চনত ১১৮ শতাংশ বৃদ্ধি হৈছে, ঠিক সেইদৰে চাউল আৰু অন্যান্য সামগ্ৰীৰ ক্ষেত্ৰত এভাৰেজ ৫০ শতাংশ বৃদ্ধি হৈছে। কিছুমান ক্ষেত্ৰত বেছি হৈছে আৰু কিছুমান ক্ষেত্ৰত কম হৈছে। মই এতিয়া জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ে মূল্যবৃদ্ধি ৰোধৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে ? কাৰণ চৰকাৰে লোৱা ব্যৱস্থাৰ দ্বাৰা জনসাধাৰণ আশ্বস্ত হ'ব পৰা নাই। আজি জনসাধাৰণক আশ্বস্ত কৰিব পৰাকৈ কি ব্যৱস্থা লৈছে বিতংকৈ কব লাগে।

★ Speech not Corrected

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য জনে যিখিনি কথা কৈছে সেইটো সঁচা, কাৰণ আমি যদি ১৯৮৫ চনৰ পৰা ১৯৯১ চনৰ মূল্য তালিকা তুলনা কৰি চাওঁ তেতিয়া দেখিবলৈ পাম প্ৰতি বস্তুৰ মূল্য বাঢ়িছে। চাউলৰ ৩৭ শতাংশ বাঢ়িছে আটাৰ ৫৫ শতাংশ বাঢ়িছে মিঠাতেলৰ ৪৯ শতাংশ বাঢ়িছে বনস্পতিৰ ২৯ শতাংশ। মই মাননীয় সদস্য জনক এটা উদাহৰণ দিব খুজিছো, মই ৯৬৫ চনত মেডিকেল চাৰ্ভিছত যোগ দিওঁতে মোৰ দৰমহা আছিল ৩৫০ টকা আৰু আজি মেডিকেল অফিচাৰ এজনে কামত যোগদান কৰিয়েই ৪ হাজাৰ টকা পায়। আমাৰ বস্তুৰ মূল্য বাঢ়িছে শতকৰা ৬/৭ টাইমচ, কিন্তু দৰমহা বাঢ়িছে ১৬/১৭ টাইমচ, গতিকে বস্তুৰ মূল্য বঢ়াটো এটা স্বাভাৱিক গতি আৰু এইটো ৰোধ কৰা সম্ভৱ নহয়। এতিয়া পপুলেচন বাঢ়িছে বস্তুৰ ডিমান্দ বাঢ়িছে গতিকে বস্তুৰ মূল্য বাঢ়িছে। আমি যদি চাওঁ অন্য ৰাজ্যৰ তুলনাত অসমত চাউলৰ দাম কম। আমি ২ টকা হাৰত চাউল যোগান ধৰিছো। ২ লাখ ৪০ হাজাৰ কুইন্টল চাউল বজাৰত মুকলি কৰি দিয়াৰ পিচত চাউলৰ দাম বহুত কমিছে। সেইদৰে দিল্লীৰ তুলনাত দালিৰ দাম অসমত কম। পশ্চিম বংগত মিঠাতেলৰ দাম ৪০ টকা কিন্তু অসমত ৩৭ টকা। সেইদৰে মূল্য বৃদ্ধি ৰোধৰ বাবে আমি সময়ে সময়ে চেম্বাৰচ, কমাৰ্চৰ লগত আলোচনা কৰিছো আমি তেখেতসকলক কৈছো মূল্য বৃদ্ধি নকৰিবলৈ। আমি আশা ৰাখিছো অহা বছৰ বস্তুৰ দাম যথেষ্ট কমিব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বস্তুৰ দাম স্বাভাৱিকভাৱে বাঢ়িছে বুলি কৈছে, কিন্তু মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে নিয়ন্ত্ৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। আৰু

★ Speech not corrected

এটা বস্তুৰ বেলেগ বেলেগ ঠাইত বেলেগ দাম। উদাহৰণ স্বৰূপে আইজং চাউল গনেশগুৰি বজাৰত ১১ টকা হলে উলুবাৰী বজাৰত ৯ টকা হয়। এইদৰে প্ৰায়বোৰ বস্তুৰ ক্ষেত্ৰতে ঠাই বিশেষে তাৰতম্য হয়। এই মূল্যৰ তাৰতম্য ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে তাৰ উত্তৰ মই দিছোঁৱেই। আইজং চাউলৰ দাম বেলেগ বেলেগ ঠাইৰ আইজং চাউলৰ দাম বেলেগ বেলেগ। কাৰ্বি-আংলং, হোজাই, বৰপেটা আদি ঠাইৰ আইজং চাউলৰ দাম বেলেগ বেলেগ। আৰু মূল্যবৃদ্ধি প্ৰতিৰোধৰ ব্যৱস্থা কি কৰা হৈছে মই কৈছোঁৱেই।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বৰপেটাৰ আইজং চাউলৰ দাম হোজাইৰ আইজং চাউলৰ লগত একে নহয় বেলেগ বুলি কৈছে এইটো ঠিকেই আছে। কিন্তু একেখন বজাৰতে বা একেখন ঠাইতে বৰপেটা আইজং চাউলৰ দাম বেলেগ বেলেগ পোৱা যায়। যেনে গনেশগুৰিৰ বিবিধ ভাণ্ডাৰত বৰপেটা আইজংৰ যিটো দাম পাঞ্জাবাৰীৰ দোকানত সেই দাম নহয়, নাইবা একেখন বজাৰতে দুখন দোকানত দুটা দাম দেখা যায় এইটো চৰকাৰে ৰোধ কৰিব লাগে। কিন্তু ৰোধ কৰিব চৰকাৰে পৰা নাই। প্ৰাইচ ষ্টেবিলিটি মেনটেইন কৰিব পৰা নাই।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মোৰ মন্তব্য মই আগতে দিছোঁৱেই তথাপি পুনৰ কওঁ যে বৰপেটাৰ জহা চাউলৰ লগত অন্য ঠাইৰ জহা চাউলৰ পাৰ্থক্য আছে, আইজং চাউলৰ ক্ষেত্ৰতো তফাৎ আছে সেয়ে দামৰ ক্ষেত্ৰটো কিছু তফাত আছে। এই কথা মই নিজে

---

★ Speech not Corrected

দেখিছো। তথাপি মাননীয় সদস্য গৰাকীয়ে বিষয়টো উত্থাপন কৰিছে যেতিয়া মই এইটো চেক কৰি চাম।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে দৰমহা বৃদ্ধি হোৱাৰ কাৰণে বস্তুৰ মূল্য বৃদ্ধি হৈছে কিন্তু কথা হৈছে আমাৰ ৰাজ্যখনত দৰমহা পোৱা মানুহ আছে কিমান শতাংশ? অতি নগণ্য খুব বেছি ১৫ শতাংশ। কিন্তু বাকী সাধাৰণ ৰাইজৰ আজি হাৰাশাস্তি হৈছে এই মূল্যবৃদ্ধিৰ বাবে। একেটা বস্তুৰ একেখন বজাৰত দামৰ তাৰতম্য ৰোধ কৰাৰ ব্যৱস্থা চৰকাৰৰ হাতত আছে নেকি, যদি আছে ব্যৱস্থা লব লাগে।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি বাৰে বাৰে চেম্বাৰ অব কমাৰ্চৰ বিষয়ববীয়াৰ লগত আলোচনা কৰি তেওঁলোকক দাম বৃদ্ধি নকৰিবলৈ কৈছো। বিষয়া সকলক নিৰ্দেশ দিছো কোনোবাই যদি খাদ্য বস্তু হোডিং কৰিছে তেওঁলোকৰ ওপৰত আইনগত ব্যৱস্থা লবলৈ।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : এনে অভিযোগ আমি কাৰ ওপৰত দিব লাগে?

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কাৰোবাৰ কিবা অভিযোগ থাকিলে যোগান বিভাগৰ সঞ্চালক বা জিলাৰ উপায়ুক্তক দিলে ব্যৱস্থা গ্ৰহণ কৰা হব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো যে কেৱল গুৱাহাটীতে মূল্য বৃদ্ধিৰ ওপৰত ব্যৱস্থা নলৈ গোটেই অসমতে পাৰে-ভূঞে এই মূল্য ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত কাৰ্য্য ব্যৱস্থা কিমান দিনৰ ভিতৰত লব?

---

★ Speech not Corrected

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আজিয়েই এইটো ইনষ্ট্ৰাকচন দিম।

(Starred question No. 42 was Postponed)

Mr. Speaker :- Now question No. 43. Hon'ble Member Shri Badan Barua. Hon'ble Minister, Revenue is to reply.

বিষয় : চক্ৰ বিষয়াৰ সা সম্পত্তি।

শ্ৰীবদন বৰুৱাই সুধিছে,

★ ৪৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰঙিয়া ৰাজহ চক্ৰত বৰ্তমান কেইগৰাকী চক্ৰ বিষয়া আছে আৰু তেখেত সকলৰ নাম কি :

খ) চাকৰিত নিযুক্তি পোৱাৰ সময়ত তেখেত সকলৰ স্থায়ী ঠিকনা কি আছিল ? বৰ্ত্তমানে তেখেত সকলৰ স্থায়ী ঠিকনা কি ?

গ) চক্ৰ বিষয়া কেইগৰাকীয়ে চাকৰি কালত আৰ্জিত ধনেৰে আহৰণ কৰা সা-সম্পত্তিৰ মূল্য কিমান চৰকাৰ অৱগত নে ?

শ্ৰীদেৱানন্দ কোৱৰ ( ৰাজহ মন্ত্ৰীয়ে ) উত্তৰ দিছে।

ক) ৰঙিয়া ৰাজহ চক্ৰত বৰ্ত্তমান দুগৰাকী চক্ৰ বিষয়া আছে আৰু তেখেত সকলৰ নাম—(১) মঃ নুৰ হুছেইন (২) শ্ৰীঅনুপম চৌধুৰী।

খ) চাকৰিত নিযুক্তি পোৱাৰ সময়ত তেখেত সকলৰ স্থায়ী ঠিকনা আছিল-

(১) মঃ নুৰ হুছেইন।
গাওঁ—কনিহা।
পোঃ অঃ—কনিহা।
থানা—ৰঙিয়া।
জিলা—কামৰূপ ( অসম )।

★ Speech not Corrected

(২) শ্ৰীঅনুপম চৌধুৰী।
গজিয়া ৰোড।
পোঃ অঃ—বৰপেটা।
জিলা—বৰপেটা ( অসম্য )।

বৰ্ত্তমান তেখেতসকলৰ স্থায়ী ঠিকনা হল—

(১) মঃ নুৰ হুচেইন, এ, চি, এচ, চক্ৰ বিষয়া, ৰঙিয়া ৰাজহ চক্ৰ।

(২) শ্ৰীঅনুপম চৌধুৰী, এ, চি, এচ, চক্ৰ বিষয়া ( সংলগ্ন ) ৰঙিয়া ৰাজহ চক্ৰ।

| | অস্থাৱৰ | স্থাৱৰ | বছেৰেকীয়া মাহিলী ব্যয় |
|---|---|---|---|
| গ) ১। মঃ নুৰ হুছেইন এ, চি, এচ, | ১। ১ বিঘা মাটিৰ মূল্য ২০,০০০ টকা। | ১। এল, আই, চি<br>১) নং ৭৬৫৮৪০১৮<br>২) নং ৭৬৫৮৪১২২<br>৩) নং ৪৮০৬৭১৫০<br>(মুঠ মূল্য ১, ৪০,০০০ টকা তাং ১৯৮৪-১৯৮৫ )। | ১। বছৰেকীয়া মূল্য ৬,৬৭১.২০ টকা।<br>২) জি, পি, এফ ১৩৫ টকা মাহত ( নং এ, এচ, এ। এল, আৰ ৯৪৬০ ) |
| | | ২। বেঙ্ক বেলেন্স ২৫,০০০ টকা তাং-৩-৯-৯৫ | ৩। পৰিয়াল চলোৱাৰ বাবদ মাহত ২,০০০ টকা ( ৰিপনডেন্ট নং ৭ ) |
| | | ৩। নগদ ৪,০০০ টকা তাং ৩-৯-৯৫ | ৪। শিক্ষাৰ বাবদ খৰছ ৩০০ টকা। |
| | | ৪। এটা কলা বগা টি, ভি ৩,৮৯০ টকা তাং-৩-৭-৯৫। | |

| | | |
|---|---|---|
| | ৫। ভি, ডি, অ আৰু কেছেট ২, ৪৯০ টকা তাং-২-৪-৯৪ । | |
| | ৬। এইচ, এম, টি ঘড়ী ১, ০৯৪ টকা (ঘৈনীয়েকে দিয়া উপহাৰ)। | |
| | ৭। দুটা সোণৰ আঙঠি ২,০০০ টকা (এটা ঘৈনীয়েকে দিয়া উপহাৰ)। | |
| ২। শ্ৰীঅনুপম চৌধুৰী—নাই এ, চি এচ। | ১। এল, আই, চিৰ ১০ বছৰ ৫০,০০০ টকা তাং ২-১-৯৪ পলিচি নং ৪৮০৬৮৮ ৬৭১ | ১। বছেৰেকীয়া মূল্য ৫,৩১২ টকা। |
| | ২। ফাৰনিচাৰ (কাঠৰ) ৪,০০০ টকা। | ২। পৰিয়াল চলোৱাৰ বাবদ মাহত্ত ৩,০০০ টকা |
| | ৩। পানীৰ ফিল্টাৰ ৭০০ টকা। | ৩। জি, পি, এফ, নাই। |
| | ৪। এল, পি, জি বাৰ্ণাৰ ১,৫০০০ টকা | |
| | ৫। ফো ৬০০ টকা | |

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বিশেষকৈ চক্ৰ বিষয়া শ্ৰীনুৰ হুচেইনৰ কথাটো। তেখেতে

★ Speech not Corrected

চাকৰী কালত উপাৰ্জন কৰা ধন আৰু মন্ত্ৰী মহোদয়ে গাই দিয়া নুৰ হুচেইনৰ সা-সম্পত্তিৰ লগত মিল আছে নেকি। অৰ্থাৎ তেখেতে যিমান উপাৰ্জন কৰিলে সেই অনুপাতে সা-সম্পত্তি কম হৈছে নে বেচি হৈছে। আয় চাই ব্যয় হৈছে নে নাই জনাব লাগে।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আয় চাই ব্যয় হৈছে নে নাই সেইটো এজন এচেচিহে কব পাৰিব। ৰাজহ বিভাগৰ পৰা এইটো কোৱাটো সম্ভৱ নহয়।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো মঃ নুৰ হুচেইন বৰ্ডিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কনিহা গাওঁৰ হোৱা স্বত্বেও কেনেকৈ তেওঁ সেই চক্ৰৰে চক্ৰ বিষয়া হ'ল।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আইনগত কোনো বাধা নাই। অৱশ্যে এইটো হ'ব নালাগিছিল। পৰাপক্ষত আমি সেইটো হ'বলৈ নিদিও। ইয়াৰ আগতে তেখেত গোৰেশ্বৰ ৰাজহ চক্ৰত আছিল। তেখেত তাত থকা বাবে ৰাজহ বিভাগৰ পৰাও কোনো আপত্তি অহা নাই।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, আমি এম, এল, এ সকলে আনটাইড ফাণ্ডৰ টকা পাওঁ। সেই টকা অনুমোদনো দিছে আৰু খৰচ পাতিও হৈছে। সেইবিলাক চক্ৰ বিষয়াই চায়। পশ্চিম বড়িগোগ ছোৱালী হাইস্কুলৰ কাৰণে ৭৫ হাজাৰ টকা দিয়া হৈছিল। তাৰে আধা টকা মোকলাই দিছে। বাকী টকা নিদিয়ে। কাৰণ তেখেতক পইচা লাগে। ডি, চি অফিচলৈ অহা যোৱাৰ কাৰণে খৰচ-পাতি লাগে।

---

★ Speech not Corrected

সেই কাৰণে কৈছো যে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰক। কি হাবত তেখেতে পইচা-পাতি লয়।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি অভিযোগ তুলিছে সেইটো অনুসন্ধানৰ কাৰণে ডি, চি কামৰূপৰ ওচৰত অভিযোগ দাখিল কৰিলে ভাল পাম। তেখেতৰ পৰামৰ্শৰ বিষয়ে চাম।

বিষয়—মণ্ডল প্ৰশিক্ষাৰ্থীৰ তালিকা।

শ্ৰীমধুসূদন তেওয়ারী
শ্ৰীপ্ৰণব কুমার নাথ } জিজ্ঞাসা করেছেন
শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদার

★ ৪৪। মাননীয় রাজহ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি:

ক) করিমগঞ্জ, হাইলাকান্দি ও কাছাড় জিলায় মণ্ডল (আমিন) প্ৰশিক্ষণের জন্য যে সকল পুরুষ ও মহিলা প্ৰাৰ্থীদের Selection দেওয়া হয়েছে তাহাদের নাম, ঠিকানা, এস, সি, ও বি; সি ইত্যাদি বিশদ তথ্য সহ তালিকা সদনের মেজে দাখিল করিবেন?

খ) কি কি ভিত্তিতে Selection দেওয়া হয়েছে?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) মণ্ডল বাচনি ক্ষেত্ৰত কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ বাবে চূড়ান্ত তালিকা এতিয়াও প্ৰস্তুত কৰা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

★ শ্ৰীপ্ৰণৱ কুমাৰ নাথ: মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কেতিয়া হ'ব আৰু কিয় হোৱা নাই।

---

★ Speech not Corrected

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাচঁনিৰ কথাটোত কিছু খেলি-মেলি হৈছিল। সেই কাৰণে বাচঁনি শুদ্ধভাৱে কৰিবৰ বাবে আৰু এই সন্দৰ্ভত চৰকাৰৰ বাচঁনি প্ৰক্ৰিয়াটো নিখুত কৰিবৰ বাবে ভূমিলেখ্য অধিকৰ্ত্তাক সভাপতি, ভূমি অধিগ্ৰহণ আৰু সংস্কাৰ অধিকৰ্ত্তা, উপ-সচিব ৰাজহ আৰু অতিৰিক্ত ভূমিলেখ্য অধি-কৰ্ত্তাক সদস্য হিচাপে লৈ এখন বাচঁনি কমিটি গঠন কৰি দিয়া হৈছে। পৰীক্ষাৰ্থী বাচঁনিৰ সময়ত অনুসূচিত জাতি, অনুসূচিত জন-জাতি অন্যান্য পিচপৰা শ্ৰেণীৰ প্ৰাৰ্থীত চৰকাৰৰ নিয়ম অনুযায়ী জিলা সমূহৰ জনসংখ্যাৰ ভিত্তিত বাচঁনি কৰা হ'ব। এই বিষয়ে নিৰ্দেশ দিয়া হৈছে। এতিয়া এই প্ৰক্ৰিয়া চলি আছে। ইয়াৰ জৰিয়তে এটা সিদ্ধান্তত উপনীত হৈ তালিকা প্ৰস্তুত কৰাৰ বাবে কাম চলাই আছে। এতিয়াও সম্পূৰ্ণ হোৱা নাই সেইবাবে জনাব পৰা নাই। কেতিয়া সম্পূৰ্ণ কৰিব পাৰিম।

★ শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ উপত্যকাত বিশেষকৈ ধুবুৰী জিলাত এই তালিকা চূড়ান্ত কৰা হৈছে নেকি? লগতে তেখেতে এইটোও জনাব নেকি যে ইতিমধ্যে এই তালিকা যুগুতাই জিলাৰ ডি, চি সকলৈ পঠোৱা হৈছে।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী বা আন কোনো জিলাৰে তালিকা চূড়ান্ত হোৱা নাই। কেইখনমান জিলাৰ তালিকা পঠাইছিল সেইবিলাকৰ অভিযোগ পোৱাৰ পিচত সেই তালিকা মতে কাম নকৰিবৰ বাবে ডি, চিক পৰামৰ্শ দিয়া হৈছিল। সেই তালিকা ঘূৰাই আনি কমিটি গঠন কৰি দিয়া হৈছে।

Mr. Speaker : Now Question No. 45. Hon'ble Member Shri Pranab Kumar Nath, Hon'ble Minister, Revenue is to reply.

---

★ Speech not Corrected

বিষয় ঃ বাজারঘাট ত্রিশ শয্যাবিশিষ্ট হাস্পাতালের জন্য খাস জমি মঞ্জুরী।

শ্রীপ্রণব কুমার নাথে জিজ্ঞাসা করছেন ঃ

★৪৫। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) করিমগঞ্জ জিলায় বাজারঘাট এলাকায় ত্রিশ শয্যা হাস্পাতাল স্থাপনের জন্য প্রয়োজনীয় ভূমির অভাব হেতু Ghilaitikor hill Part-II, Sheet No ( 7 ) Dag No. (১00৪) খাস ভূমি থেকে প্রয়োজনীয় ভূমি দেওয়ার জন্য Revenue বিভাগ কি কি কার্য্যকরী ব্যবস্থা নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

খ) শিঘ্রই প্রয়োজনীয় খাস ভূমি স্বাস্থ্য বিভাগের জন্য করিমগঞ্জ P.W.D. (Building) বিভাগকে হস্তান্তর করার শিঘ্রই কি কি ব্যবস্থা নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

শ্রীদেবানন্দ কোঁৱৰ ( রাজহ মন্ত্রী ) য়ে উত্তর দিয়েছেন।

ক) সরকারের রাজস্ব বিভাগে এই রকম প্রস্তাব নাই।

খ) প্রশ্ন উঠে না।

( পৰিপূৰক প্ৰশ্ন নাই )

Mr. Speaker : Now starred Question No. 46. Questioner Shri Zoii Nath Sarmah, Shri Chandra Mohan Patowary

বিষয় ঃ নিমখ ৰপ্তানি

ডঃ জয়নাথ শৰ্মা
শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী } য়ে সুধিছে,

★৪৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

---

★ Speech not Corrected

ক) ১৯৯১ জুলাই মাহৰ পৰা ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহলৈ সৰ্বমুঠ কিমান নিমখ ৰাজ্যখনলৈ ৰপ্তানি কৰিছে ?

নিমখৰ দাম ক) ১৯৯১ চনৰ জুলাই মাহত কিমান আছিল ?

খ) ১৯৯২, ৯৩, ৯৪ আৰু ৯৫ চনৰ জুলাই মাহত কিমান আছিল ?

গ) ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহত কিমান ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) নিমখ ৰপ্তানিৰ প্ৰশ্ন নুঠে।

খ) প্ৰশ্ন নুঠে ।

গ) প্ৰশ্ন নুঠে।

★ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, টাইপিঙত শব্দটো ভুল হ'ব হয়তো। কিন্তু নিমখৰ দাম কিমান সেইটো প্ৰশ্ন নুঠে নেকি ? ১৯৯১ চনৰ জুন মাহত নিমখৰ দাম কিমান আছিল মন্ত্ৰী মহোদয়ে কব নোৱাৰে নেকি ?

★ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে প্ৰশ্নটো চালে বুজি পাব। প্ৰশ্নটোত আছে ৰাজ্যখনত কিমান নিমখ ৰপ্তানি হৈছে ? তাৰ বাবে এটা বেলেগ প্ৰশ্ন লাগিব।

★ডঃ জয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটোত নিমখৰ দামৰ কথা আছে।

★ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আমদানিৰ কথা কম নে ৰপ্তানিৰ কথা কম ?

---

★ Speech not Corrected

★ ডঃ জয়নাথ শৰ্মা : ১৯৯১ চনত নিমখৰ কিমান দাম আছিল সেইটো কব লাগে।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে যিটো উত্তৰ দিব বিচাৰিছে সেইটো নহয়। ইয়াত কোৱা হৈছে যে ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯৬ চনৰ বাবে সৰ্বমুঠ কিমান নিমখ ৰাজ্যখনলৈ আহিছে টু দি ষ্টেট বুজি নেপায় নেকি?

★ শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, প্ৰশ্ন মতে উত্তৰটো হোৱা নাই। মন্ত্ৰী মহোদয়ে ৰপ্তানিৰ কথাটোত ধৰি আছে, তেখেতে আমদানি, ৰপ্তানি আৰু দামৰ কথাটো কওক।

★ ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ জুলাই মাহত ১৯৯৪-৯৫ আৰু ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহত নিমখৰ দাম কিমান আছিল? নিমখৰ দামতো কবলৈ কিয় সাহস নকৰে? উত্তৰ নিদিয়ে কিয়?

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, হাউচত তেখেতসকলে সদায় অসত্য কথা কয় কিয়?

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, প্ৰশ্নটো ভুল হৈছে বুলি কৈছে। প্ৰশ্নটোত ৰপ্তানিৰ সলনি আমদানি হ'ব লাগিছিল, সেই কাৰণে মন্ত্ৰীয়ে উত্তৰ নিদিলে। কিন্তু প্ৰথম প্ৰশ্নৰ লগত পিছৰ ক, খ, গ, প্ৰশ্নৰ মিল নাই। ওপৰৰ ক প্ৰশ্নৰ সম্পৰ্ক নাই।

★ডাঃ অৰ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো চাব কুৰেশ্বন, সম্পৰ্ক নাই।

★ শ্ৰীঅতুল বৰা : অধ্যক্ষ মহোদয়, ৪৬) ক) আৰু ক, খ, গ, চাব কুৰেশ্বন

★ Speech not Corrected

কেনেকৈ হ'ব ? ক, খ, গ, এটা বেলেগ প্ৰশ্ন, তাত অকস দামৰ কথাহে সোধা হৈছে। সেইটোৰ উত্তৰ দিয়ক।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ৰপ্তানি নে আমদানিৰ দাম কম, মই প্ৰিপিয়াৰ নহয়, সেই কাৰণে উত্তৰ দিব নোৱাৰিম। মাননীয় সদস্যসকলে ভালদৰে প্ৰশ্ন কৰিব তেতিয়া মই উত্তৰ দিব পাৰিম।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই সুন্দৰ ক্লিয়াৰিফিকেশ্বন দিছে, এইটোত যদি সন্তুষ্ট হব পৰা নাই তেতিয়া হ'লে কি হ'ব। মূল প্ৰশ্নটোত আমদানি বা ৰপ্তানিয়েই থাকক পিচৰ প্ৰশ্নটোত এটা হেড লাইন আছে, নিমখৰ দাম, গতিকে (ক) প্ৰশ্নটো বাদ দি বাকী কেইটাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিব লাগে। মন্ত্ৰীক চেভ গাৰ্ড দিয়াৰ কাৰণে এহেমক্লিয়ে খ) প্ৰশ্নটো কাটিছে। এনেকুৱাকৈ আমাৰ বহুত প্ৰশ্নই এছেমব্লিৰ পৰা কটা হয়। নিত্য ব্যৱহাৰ্য্য বস্তু নিমখৰ দাম বাঢ়ি গৈছে, এই সংক্ৰান্তত মই তথ্য দিব পাৰো, নিমখ সময়মতে লিফ্‌ট নকৰে। মই তথ্য সহকাৰে প্ৰমাণ দিলে যোগান মন্ত্ৰী মহোদয়ে পদত্যাগ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়েও মন্ত্ৰী মহোদয়ক চেভ গাৰ্ড দিছে এইটো নহব।

মাননীয় অধ্যক্ষ : এছেমব্লিত নীতি-নিয়ম আছে, কাকো প্ৰটেকচন নিদিয়ে।

★ ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, যিহেতু মন্ত্ৰীয়ে নিমখৰ দামটো নকয় আৰু কবলৈ নিদিয়ে সেই কাৰণে আমি প্ৰটেকচন দিয়া বুলি ধৰি লৈছো।

মাননীয় অধ্যক্ষ : মন্ত্ৰীয়ে কৈছে যে প্ৰশ্নটোত কন্‌ফিউজন আছে, স্পেচিফিক প্ৰশ্ন হ'লে উত্তৰ দিম। সেই কাৰণে তেখেতে কৈছে মই আমদানি

---

★ Speech not Corrected

নে ৰপ্তানিৰ উত্তৰ দিম। তেখেতৰ লগত তথ্য নাথাকিলে উত্তৰ দিব কেনেকৈ ? তথ্য থাকিলেহে দিব। মোৰ ফালৰ পৰা প্ৰটেকচন কেতিয়াও দিয়া নাই। আমি নিৰপেক্ষতা বজাই ৰাখি নীতি-নিয়ম মতে কাম কৰিছো। আমি দিনে ৰাতিয়ে কাম কৰিছো, এই বিলাক কথা অহাৰ কাৰণে আমি দুখ পাইছো।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : আমি আপোনাতকৈ বেছি দুখ পাইছো এই কাৰণে যে অসমৰ জনসাধাৰণে নিমখৰ দাম জানিবলৈ নেপায় যিহেতু যোগান মন্ত্ৰীয়ে নিমখৰ দামটো কব নোৱাৰে। এইটোত আমি বেছি দুখ পাইছো।

★ ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা ক্লিয়াৰিফিকেশ্বন বিচাৰিছো যে অসম বিধান সভাৰ মজিয়াত অসমৰ নিমখৰ দাম নুসুধি দিল্লী, বোম্বেৰ নিমখৰ দাম সুধিম নেকি ? আজিৰ দিনত নিমখৰ দাম কিমান সেইটো কওক।

(সদনত হুলস্থূল হয়)

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, নিমখৰ দাম বুলিলে কি বুজাইছে ?

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ, মোৰ কথাটো হৈছে—আমি যি প্ৰশ্ন কৰো সেইমতে উত্তৰ আমি পাব লাগে। আমাৰ প্ৰশ্ন হৈছে ১৯৯১ চনৰ জুলাই মাহত নিমখৰ দাম কিমান আছিল ? বৰ্তমান যোগান বিভাগৰ মন্ত্ৰীজন এজন চিনিয়ৰ মন্ত্ৰী। তেখেতে বহুতবাৰ বিধায়ক হিচাপেও আছিলে। গতিকে আমি বিচৰা প্ৰশ্নৰ উত্তৰ নিদি হুলস্থূলীয়া পৰিবেশ এটা কিয় কৰিব লাগে।

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে ইচ্ছা কৰিলে দিব পাৰিলেহেঁতেন। মই থাকোতে বিধায়ক সকলে খানাপাৰাৰ পৰা

---

★ Speech not Corrected

গনেশগুৰিলৈ যিটো ৰাস্তা আছে তাৰ প্ৰশ্ন উঠিব পাৰে। অফিচাৰ সকলে কথা দি দিয়ক। তেতিয়া মই কম নেকি যে এই নামৰ ৰাস্তা নাই। গুৱাহাটী-শ্বিলং বুলিহে জানো। সেইটো নহয়। মন্ত্ৰীৰ ইচ্ছা থাকিলে এইটো কৰিব পাৰে। তেখেতে ভাবিছে যে এইদৰে কৰিলে মই বাচি যাম।

মাননীয় অধ্যক্ষ : আপোনাৰ সময়ত আপুনি কি কৰিছে কি কৰা নাই এইটো আমাৰ কবলগীয়া একো নাই।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ক, খ, গ, এই তিনিটা প্ৰশ্ন লিখি দিয়া হৈছে। ওপৰৰ 'ক' টো বেলেগ। সেইটো কোন কোন ৰাজ্যৰ পৰা নিমখ ৰপ্তানি হয় কব লাগিব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাইজৰ প্ৰতিনিধি হিচাপে আহিছো। আমি জনসাধাৰণৰ বিৰুদ্ধে যাম নেকি ? আপুনি মন্ত্ৰী, কিয় প্ৰটেকচন দিছে ? এইটো হৈ থাকিলে পাব্লিক মিটিঙত আপোনাৰ বিৰুদ্ধে কম। এইটো ৰেকৰ্ড হৈ থাকক।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰুলিং দিব লাগে।

(হুলস্থূল)

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নত প্ৰশ্ন নং ৪৭। মাননীয় সদস্য শ্ৰীঅতুল বৰা।

বিষয় : দুই টকীয়া চাউলৰ বিতৰণ ব্যৱস্থা।

শ্ৰীঅতুল বৰাই সুধিছে,

★ ৪৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) দুটকীয়া চাউলৰ ব্যৱস্থা (বিতৰণৰ) এই চৰকাৰে কোন চনৰ কোন তাৰিখৰ পৰা কৰিছে ? মাজতে কিমান দিন এই বিতৰণ কাৰ্য্য বন্ধ ৰাখিছিল ? ৰখাৰ কাৰণ কি ? দ্বিতীয় বাৰ ২ টকীয়া চাউল পুনৰ

---

★ Speech not Corrected

আৰম্ভ কৰা হৈছে নেকি? যদি হৈছে এই সুবিধা কিমান মানুহৰ বাবে আৰু কোনখিনি মানুহৰ বাবে জনাবনে?

খ) অসমৰ সুলভ মূল্যৰ দোকান সমূহে এই দুটকীয়া চাউলৰ বোজা বহন কৰিব লগা হৈছে নেকি? সুলভ মূল্যৰ দোকান সমূহক দৰিদ্ৰ জনসাধাৰণক চৰকাৰৰ নিৰ্দেশ ক্ৰমে ২ টকীয়া চাউল যোগান ধৰাৰ ফলত সুলভ মূল্যৰ (ৰেচনৰ) দোকান সমূহক চৰকাৰে কিমান টকা দিবলৈ আছে?

গ) ২ টকীয়া চাউল যোগান ধৰা যোগান কাৰী বা ঠিকাদাৰৰ নাম জনাবনে?

ঘ) দুটকীয়া চাউল সপ্তাহে সপ্তাহে নে মাহে মাহে নে বছৰে বছৰে এবাৰকৈ পাব নে অধিক বাৰ পাব জনাবনে? নিয়মীয়া চাউল যোগানৰ ব্যৱস্থা কিবা আছেনে? দিশপুৰ সমষ্টিত নিয়মীয়াকৈ চাউল পাইছেনে?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা দুটকীয়া চাউলৰ বিতৰণ কাৰ্য্যকৰী কৰা হয়। মাজত এই বিতৰণ কাৰ্য্য বন্ধ ৰখা হোৱা নাই। উক্ত আঁচনিখন ১৯৯৫ চনৰ এপ্ৰিল মাহৰ পৰা আগৰ ৪ লাখ পৰিয়ালক সামৰি মুঠ প্ৰায় ১৬ লাখ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়াললৈ সম্প্ৰসাৰিত কৰি দুটকীয়া দৰত চাউলৰ যোগান ধৰি থকা হৈছে।

খ) বৰ্ত্তমানে সুলভ মূল্যৰ দোকানীয়ে কোনো বোজা বহন কৰিব নেলাগে। প্ৰশ্ন নুঠে।

গ) ষ্টেটফেদ।

ঘ) মাহে মাহে। আছে। পাইছে।

★ শ্ৰী অতুল বৰা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আৰম্ভণীৰে

---

★ Speech not Corrected

পৰা কব লাগে। একো শুনা নাই।

মাননীয় অধ্যক্ষ ঃ মাননীয় দে আপুনি পুনৰাই উত্তৰটো কৈ দিয়ক।

★ শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা দুটকীয়া চাউলৰ বিতৰণ কাৰ্য্যকৰী কৰা হৈছে বুলি কৈছে। কিন্তু গ্ৰাহক সমবায় সমিতি, পাইকাৰী দোকানৰ জৰিয়তে ১৯৯১ চনৰ মাৰ্চ মাহৰ পৰা ১৯৯২ চনৰ জুলাই মাহলৈকে হোষ্টেলত ৩ টকা দৰত চাউল দিবলৈ দিয়াত সেই দোকানত প্ৰায় ২০ লাখ টকা দিবলগীয়া হৈ আছে। ১৯৯১ চনৰ পৰা ১৯৯২ চনলৈকে দুটকীয়া চাউল যোগান ধৰিবলৈ দিয়া হৈছে। কোনো চেংচন নোহোৱাকৈ যেনেকৈ আধাৰশীলা স্থাপন কৰিছে ঠিক তেনেকৈ দুটকীয়া চাউল যোগান ধৰাৰ কথা কৈছে।

২) সুলভ মূল্যৰ দোকান সমূহক দৰিদ্ৰ জনসাধাৰণক চৰকাৰৰ নিৰ্দ্দেশ ক্ৰমে ২ টকীয়া চাউল যোগান ধৰাৰ ফলত সুলভ মূল্যৰ দোকান সমূহক ২০ লাখ টকা দিবলৈ বাকী আছে। দোকানৰ কৰ্মচাৰী সকলক দৰমহা দিব পৰা নাই। তেওঁলোকৰ চাকৰি যাওঁ যাওঁ অৱস্থা। এনেকুৱা বহুতো ৰেচন দোকান বন্ধ হৈ আছে। কিছুমানে সেই পইচা উঠাবলৈ বেলেগ ৰাস্তা লৈছে। দৰিদ্ৰ জনসাধাৰণক ২ টকীয়া দৰত চাউল দিব বুলি কৈ ঠগোৱা হৈছে। দেখা যায় ৫০ টকা খৰছ কৰিলে কেজি প্ৰতি ১০ টকাকৈ চাউল কিনিলে ৫ কেজি চাউল পায়। ৫০ টকা খৰছ কৰি কাৰ্ড এখন ললেও সেই ৫ কেজি চাউল পায়। বজাৰৰ পৰা পাইছে ১০ টকা দৰত আৰু কাৰ্ডত পাইছে ৮ টকা দৰত। এই চাউল সপ্তাহে সপ্তাহে যোগান ধৰিব পৰা নাই। এটা পৰিয়ালে কেইবাৰ চাউল পায় মন্ত্ৰী মহোদয়ে কব পাৰিব নে ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান

প্ৰশ্নৰ এটাই উত্তৰ হয়। আমি যেতিয়া উত্তৰ দিওঁ তেতিয়া মাননীয় সদস্য সকলে অলপ বেয়া পায়। মাননীয় সদস্য বৰা ডাঙৰীয়াই তেনেকুৱা ধৰণৰ প্ৰশ্ন কৰিছে। ৩ টকা দৰৰ চাউল হোষ্টেলবিলাকত দিব'লৈ দিয়া হৈছে। কিন্তু তেওঁলোকে পোৱা নাই বুলি কৈছে। অলপতে এই দৰত যোগান ধৰা হৈছে। আপোনালোকৰ হাতত যদি স্পেচিফিক কমপ্লেইন আছে আমাক দিয়ক, আমি ব্যৱস্থা লম। মাননীয় সদস্য ডঃ জয়নাথ শৰ্মা ডাঙৰীয়াই তেনেকুৱা এটা অভিযোগৰ ৰেকৰ্ড আমাৰ হাতত দিছে আমি লগে লগে একচন লৈছো। তেনেকুৱা এটা কেছত ডি, ডি, এচ এজনক নিলম্বিত কৰিছো। বৰপেটাৰ সমবায় সমিতিৰ ৩ জনৰ ওপৰত ব্যৱস্থা লোৱা হৈছে। আৰু ২০ জন লোকক তেনেকুৱা অভিযোগৰ কাৰণে এৰেষ্ট কৰা হৈছে।

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯২ চনৰ জুলাই মাহলৈকে হোষ্টেলত যোগান ধৰা চাউলৰ মূল্য ২০ লাখ টকা চৰকাৰে দিব পৰা নাই। এইখন কৰ্মচাৰী পৰিষদে মোক দিয়া কাগজ। যোৱাকালি গুৱাহাটীৰ গ্ৰাহক পাইকাৰী কৰ্মচাৰী পৰিষদে এই অভিযোগটো মোক দিছে। তেওঁলোকে দৰমহা পোৱা নাই। এইবিলাক কথা মই নিজে লিখি অনা নাই। চৰকাৰে কৈছে যে ২ টকীয়া আৰু ৩ টকীয়া চাউল দৰিদ্ৰ জনসাধাৰণৰ মাজত বিতৰণ কৰা হৈছে। গোটেই অসমতে চাবচিডি পোৱা নাই। কোন কোন এজেঞ্চিয়ে পাইছে আপোনালোকে কব পাৰিবনে? মই জনাত কোনেও পোৱা নাই। চাইকেল লৈ এজেঞ্চিয়ে এজেঞ্চিয়ে ঘূৰি ফুৰা নাই। ষ্টেটকেনক কিমান টকা দিছে? কব পাৰিবনে? প্ৰতিটো পৰিয়ালে কেইবাৰ সুলভ মূল্যত চাউল পাইছে? স্পষ্টকৈ কব লাগে।

★ Speech not Corrected

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছে যে যিটো চাউল বিতৰণ কৰা হৈছে তাৰ পেমেন্ট পাইছে নে নাই মই বিভাগৰ লগত যোগাযোগ কৰিম। যদি পোৱা নাই সোনকালে টকাটো দিয়ালৈ কোৱা হব।

★ শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চাউল পাইছে। ক'ত পাইছে ? কিমানে পাইছে ? কোটি কোটি টকাৰ মাখোন কৰাপচন হৈ আছে। কাগজে-পত্ৰেহে মাখোন পাইছে। মানুহে পোৱা নাই। দুবাৰ তিনি বাৰ পাইছে তাৰ পাচত পোৱা নাই। কালিলৈ বাতিপুৱা প্ৰমাণ কৰি দিম যে তাতকৈ বেচিকৈ চাউল পোৱা নাই। আপুনি কওক তেতিয়া আপুনি ৰিজাইন দিব নে নিদিয়ে ?

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কওঁক কোনোবাই যদি পোৱা নাই সেইটো পোৱাৰ আমি ব্যৱস্থা কৰি দিম।

★ শ্ৰীঅতুল বৰা ঃ মন্ত্ৰী মহোদয়ে আমাক জনাওক মানুহে মেক্সিমাম কিমান বাৰকৈ পাইছে আৰু কিমানকৈ পাব লাগে ? এবাৰ দুবাৰ-১২ বাৰ ? ১৯৯৫ চনৰ পৰা কেইবাৰকৈ পাইছে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : কনটিনিয়াচ পাই আছে। সদায়ে পাই আছে।

★ ডঃ জয়নাথ শৰ্মা ঃ মাননীয় যোগান বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে যোগান কাৰী ঠিকাদাৰ ষ্টেটফেড। এই দুটকীয়া চাউল দিয়া বাবদ অসম চৰকাৰে কিমান টকা দিব আছে ? আমাৰ গাওঁ পঞ্চায়তত ৬০ ঘৰ মানুহ আছে তাৰ ভিতৰত ১৯ ঘৰেহে পাইছে বাকী কেই ঘৰত দিবনে ?

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যোৱা কালিও

---

★ Speech not Corrected

এই কথাটো কৈছিল আমি অতি সোনকালে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰি দিম ! ইতিমধ্যে ব্যৱস্থা লবলৈ কোৱা হৈছে। ষ্টেটফেডে কিমান টকা পাবলগীয়া আছে সেই কথাৰ উত্তৰত মই কব খোজো যে তেওঁলোকক মাহে মাহে টকাটো দি থকা হৈ আছে।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় মন্ত্ৰী মহোদয়ে, গ প্ৰশ্নৰ উত্তৰত কৈছে যে ভুটকীয়া চাউল যোগান ধৰা যোগানকাৰী বা ঠিকাদাৰ হৈছে ষ্টেটফেড। এতিয়া মন্ত্ৰী মহোদয়ে আমাক এটা সত্য উত্তৰ দিয়ক—ষ্টেটফেড কোঅপাৰিটিভ চোচাইটিয়ে দিল্লী অফিচলৈ চাউলটো যোগান ধৰেনে গুৱাহাটী অফিচলৈ যোগান ধৰে ? আৰু দিল্লীৰ পৰা গুৱাহাটীলৈ কঢ়িয়াই অনা খৰছটো কোনে বহন কৰে ?

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : ঠিকাদাৰে ক'ৰপৰা কেনেকৈ চাউল দিয়ে সেইটো আমি নাজানো।

Mr. Speaker : Next Question No. 48.

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এই বিলাক কথা কিয় আপুনি সুধিবলৈ নিদিয়ে ? দিল্লীৰ পৰা চাউল যোগান দিয়া কথাটো মন কৰিবলগীয়া। গুৱাহাটীলৈ অনা খৰছটো কোনে বহন কৰে ?

Mr. Speaker : Question No. 48. Questioner Shri Dhruba Kumar Sen.

বিষয় : মীন মহল নিবিদা।

★ শ্ৰীধ্ৰুৱ কুমাৰ সেনে সুধিছে :

★ ৪৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী জিলাৰ ভিতৰত মীন মহলৰ সৰ্বমুঠ সংখ্যা কিমান অনুগ্ৰহ কৰি জনাবনে ?

খ) সেই মীন মহল বিলাক নিবিদাৰ মাধ্যমেৰে দিয়া হৈছে নেকি ?

গ) যদি দিয়া নাই নিদিয়াৰ কাৰণ কি ?

---

★ Speech not Corrected

★ শ্ৰীচামছুল হুদা, ( মন্ত্ৰী, মীন বিভাগ ) য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী জিলাৰ মীন মহলৰ সৰ্বমুঠ সংখ্যা ৬৬।

খ) সকলো মীন মহল নিবিদাৰ মাধ্যমেৰে বন্দবস্তী দিয়া নহয়। সাধাৰণতে ৪০./' পৰ্য্যায়ভুক্ত মীন মহল বিলাকহে জিলা উপায়ুক্ত বা মহকুমাধিপতিৰ জৰিয়তে আৰু অসম ৰাজ্যিক মীন উন্নয়ন নিগম লিঃ ৰ অধীনৰ মীন মহল বিলাক নিবিদাৰ মাধ্যমেৰে বন্দবস্তী দিয়া হয়। উক্ত ৪০'/. পৰ্য্যায়ৰ ভিতৰৰ ইতিমধ্যে ম্যাদ উকলি যোৱা ভীমদোহা আৰু সাতভইনী মীন মহল দুখন নিবিদা আহ্বান কৰি বন্দবস্তী দিবলৈ যথোপযুক্ত ব্যৱস্থা লৈ থকা হৈছে। বাকী ৬০'/. পৰ্য্যায়ভুক্ত মীন মহল বিলাক চৰকাৰে পোনপতিয়াকৈ বন্দবস্তী দিয়ে।

গ) প্ৰশ্ন নুঠে।

★ শ্ৰীধ্ৰুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে শতকৰা ৬০ ভাগ মীন মহল চৰকাৰে পোনপতীয়াকৈ বন্দবস্তী দিয়ে বুলি কৈছে। পোনপতীয়াকৈ কিয় দিছে আৰু ক'ত ক'ত দিছে নামবিলাক জনাব নেকি ?

★ শ্ৰীচামছুল হুদা ( মন্ত্ৰী ) ঃ বিধায়ক গৰাকীৰ এইটো প্ৰশ্ন নাছিল। তেখেতৰ প্ৰশ্নত ৬০ খন পোনপতীয়াকৈ দিয়া মহলৰ নাম বিলাক বিছৰা নাছিল।

★ শ্ৰীধ্ৰুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই নিবিদা দিছে নে নাই সেই কথাটোহে জানিব বিচাৰিছিলো। যিহেতুকে পোনপতীয়াকৈ দিয়াৰ প্ৰশ্ন উঠিছে গতিকে নাম বিলাক জানিব বিছাৰিছো।

★ শ্ৰীচামছুল হুদা ( মন্ত্ৰী ) : ক প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ধুবুৰী জিলাৰ ভিতৰত মীন মহলৰ সংখ্যা সৰ্বমুঠ ৬৬ খন তাৰ ভিতৰত যি কেইখন দিয়া হোৱা নাই পিচত দিব পাৰিব।

---

★ Speech not Corrected

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন ঃ পোনপটীয়াকৈ কোন কেইখন মহলত দিয়া হৈছে নাম কেইটা কৈ দিয়ক।

★ শ্ৰীচামছুল হুদা ( মন্ত্ৰী ) ঃ ৬৬ খনৰ ভিতৰত ২০ খন ৰাজ্যিক নিগমলৈ গ'ল। নাম কেইটা পাচত দিব পাৰিম।

★ শ্ৰীচন্দন কুমাৰ চৰকাৰ ঃ চেটেলমেণ্ট বাদ দি টেণ্ডাৰ ক'ল কৰক।

( Starred Question Nos. 49 to 60 could not be taken up for disposal as the Question hour was over. However, replies of the Question No. 49 to 54 and 57 to 60 except No. 55 and 56 which were postponed were deemed to have been laid on the table of the house ).

বিষয় ঃ চা বাগানের সমস্যা।

শ্ৰীরামপ্যারি রবিদাস জিজ্ঞাসা করছেন ঃ

★ ৪৯। মাননীয় শ্রম বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) করিমগঞ্জ জিলায় রাতাবাড়ী সমষ্টির অন্তর্গত চরগোলা, আনিপুর, তার্বিনছড়া, সিংলা, মাগুরা, গম্ভীরা, নিডিয়া, খেগরাগুল ও চুর্লভছড়া চা বাগিচা গুলিতে অবৈধভাবে জমি বেদখল এর ব্যাপারে সরকার অবগত আছেন কি ?
যদি হ্যাঁ, কি পদক্ষেপ নিয়েছেন ?

খ) চা শ্রমিক ও চা শিল্পের স্বার্থে সরকার অবিলম্বে অবৈধ দখলকারীদের উৎখাত করবেন কি ?

★ শ্ৰীদিলেশ্বর তাঁতী ( শ্রম দপ্তরের মন্ত্রী ) যে উত্তর দিছেন ঃ

ক) আমি দখল বা বেদখলের ব্যাপার শ্রম বিভাগের তাততায় পরেনা। সেই হেতু শ্রম বিভাগ এই সম্পর্কে অবগত নয়। এই ধরণের কোন তথ্যপাতি শ্রম বিভাগের হাতে নেই।

খ) ওপরোক্ত প্রশ্নের উত্তরের পরিপ্রেক্ষিতে (খ) নং প্রশ্ন উঠে না।

বিষয় ঃ মাটিৰ পট্টন।

শ্ৰীকোষেশ্বৰ বৰুৱাই সুধিছে ঃ

★ ৫০। মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শোণিতপুৰ জিলাৰ গমিৰিৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক মাটি পট্টন দিয়াৰ বিষয়ত ইতিমধ্যে কি ব্যৱস্থা লৈছে?

খ) কিমান পৰিয়ালক সংস্থাপন দিয়া হল আৰু কিমান পৰিয়ালক সংস্থাপন আৰু সাহাৰ্য্য দিবলৈ বাকী আছে?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ঃ (ৰাজহ আৰু ভূমি সংস্কাৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) শোণিতপুৰ জিলাৰ গমিৰিৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত সকলো যোগ্য পৰিয়ালক মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

খ) মুঠ ৯৭ টা ক্ষতিগ্ৰস্ত পৰিয়ালক গমিৰিৰ ভি, জি, আৰত অস্থায়ীভাৱে নূন্যতম চাহিদা আঁচনিৰ (MNP) অধীনত সংস্থাপন দিয়া হৈছে আৰু ৬৮ টা ক্ষতিগ্ৰস্ত পৰিয়ালক ভূমি পট্টন / সংস্থাপন দিয়াৰ বাবে বিবেচনাধীন হৈ আছে। কিছু সংখ্যক ক্ষতিগ্ৰস্ত পৰিয়াল ইতিমধ্যে স্ব-ইচ্ছাই উক্ত অঞ্চল ত্যাগ কৰিছে।

বিষয় ঃ দুটকীয়া চাউল যোগান।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

★ ৫১। মাননীয় অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান অসমৰ কিমানজন দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তিক দুটকীয়া চাউল যোগান ধৰা হৈছে?

খ) অসম চৰকাৰৰ বিধি অনুসৰি উক্ত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তি সকলক চাউল যোগান ধৰা হৈছেনে?

গ) দুটকীয়া চাউল ক্ৰয় কৰোতে বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত সৰ্বমুঠ কিমান টকা ব্যয় হৈছে?

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) তুটকীয়া চাউল বৰ্ত্তমানলৈ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা অসমৰ প্ৰায় ১৬ লাখ পৰিয়ালক যোগান ধৰা হৈছে।

খ) হয়।

গ) বৰ্ত্তমান চৰকাৰৰ কাৰ্যকালত তুটকীয়া চাউলৰ বাবদ এতিয়ালৈ মুঠ ২১৪.৬৩ কোটি টকা ব্যয় হৈছে।

বিষয় : চিনেমা প্ৰেক্ষাগৃহ উচ্ছেদ।

ডাঃ কমলা কলিতাই সুধিছে :

★ ৫২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ছয়গাওঁ সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী বজাৰৰ কাষত চৰকাৰী জমিত জনৈক ব্যক্তি এজনে চিনেমা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা সঁচানে ?

খ) যদি সঁচা, চৰকাৰী জমিত অবৈধ ভাৱে কেনেকৈ ইমান বৃহৎ আকাৰৰ প্ৰেক্ষাগৃহ নিৰ্মাণ হ'ল ?

গ) ইয়াক উচ্ছেদ কৰিবলৈ কি ব্যৱস্থা লোৱা হৈছে ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) চৰকাৰৰ পৰা কোনো অনুমতি নোলোৱাকৈ বেদখল কৰি ৪ নং টুকুৰাপাৰা গাওঁ পঞ্চায়তৰ সভাপতিৰ অনুমোদন লৈ উক্ত প্ৰেক্ষা-গৃহটো নিৰ্মাণ কৰিছে।

গ) বেদখলকাৰীৰ বিৰুদ্ধে বেদখলী গোচৰ ৰুজু কৰি উচ্ছেদৰ হুকুম দিয়া হৈছিল ; কিন্তু উক্ত হুকুম কাৰ্যকৰী কৰাৰ পূৰ্বেই মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে উক্ত উচ্ছেদ কাৰ্য্য স্থগিত কৰাৰ আদেশ দিয়ে। উক্ত গোচৰ এতিয়াও মহামান্য উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

বিষয় ঃ আধুনিক পৰ্য্যায়ত মীন উৎপাদন ।

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ

★৫০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চেলেংহাত বজাবাৰী কুষ্ঠ আশ্ৰমৰ দাতিতে থকা বিলখনক আধুনিক পৰ্য্যায়ত মীন উৎপাদন কেন্দ্ৰ হিচাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

খ) যদি কৰে কেতিয়া কৰিব জনাবনে ?

শ্ৰীচামছুল হুদা ( মন্ত্ৰী, মীন বিভাগ ) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো আচঁনি লোৱা হোৱা নাই। সংশ্লিষ্ট অনুষ্ঠানৰ পৰা প্ৰস্তাৱ পালে মীন বিভাগে কাৰিকৰী দিশ ও আৰ্থিক দিশৰ জৰীপ কৰাৰ পিচত আধুনিক পৰ্য্যায়ত মীন উৎপাদন কেন্দ্ৰ হিচাবে বিলখনৰ উন্নয়নৰ কাম হাতত লব পৰা যায়।

খ) প্ৰয়োজনীয় অনুমোদন ও ধনৰ আবন্টন পোৱাৰ পাচত আচঁনি ৰূপায়ন কৰিব পৰা যাব।

বিষয় ঃ সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা পত্ৰ ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

★৫৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৪-৯৫, ১৯৯৫-৯৬ চনত গুৱাহাটী মহানগৰীত কিমানখন সুলভ মূল্যৰ দোকান আৰু কেৰাচিন তেলৰ দোকানৰ অনুজ্ঞা পত্ৰ দিয়া হৈছে জনাবনে ?

খ) ১৯৯৪-৯৫, ১৯৯৫-১৯৯৬ চনৰ বাবে গুৱাহাটী মহানগৰীত কিমান কেৰাচিন তেল আৰু চাউলৰ আবন্টন দিয়া হৈছিল জনাবনে ?

গ) কেৰাচিন তেলৰ দোকানৰ সংখ্যা বৃদ্ধিৰ লগে লগে কেৰাচিন তেলৰ আবন্টনৰ পৰিমাণ বৃদ্ধি কৰা হৈছেনে ?

ঘ) গুৱাহাটী মহানগৰীত কেৰাচিন তেল ক'লা বজাৰত বিক্ৰী হোৱা কথাটো চৰকাৰৰ অৱগত নে ?

ঙ) যদি অৱগত, তেনেহলে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

★ ডা: অৰ্ধেন্দু কুমাৰ দে : ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) গুৱাহাটী মহানগৰীত সুলভ মূল্যৰ দোকান আৰু কেৰাচিন তেলৰ দোকানৰ অনুজ্ঞা পত্ৰ নিম্নলিখিত ধৰণে দিয়া হয়।

| চন | সুলভ মূল্যৰ দোকান | কেৰাচিন তেলৰ দোকান |
|---|---|---|
| ১৯৯৪-৯৫ | ২৭ খন | ৬৬ খন |
| ১৯৯৫-৯৬ | ৩৩ খন | ৮৩ খন |

খ) ১৯৯৪-১৯৯৫ আৰু ১৯৯৫-১৯৯৬ চনত আবণ্টন দিয়া কেৰাচিন তেল আৰু চাউল এনে ধৰণৰ :—

| চন | কেৰাচিন তেল | চাউল |
|---|---|---|
| ১৯৯৪-৯৫ | ১৬,৬৭৫ কে: এল (১,৬৬,৭৫,০০০ লি:) | ২,১৮,২২৯ কুইণ্টল |
| ১৯৯৫-৯৬ | ১৫,১৯০ কে: এল (১,৫১,৯০,০০০ লি:) | ২,৭৯,৮৯০ কুইণ্টল |

গ) কেৰাচিন আবণ্টন বৃদ্ধি কৰা হোৱা নাই।

ঘ) গুৱাহাটী মহানগৰীৰ কোনো কোনো অংশত মাজে সময়ে ক'লা বজাৰত কেৰাচিন বিক্ৰী হোৱাৰ বিষয়ে চৰকাৰ অৱগত।

ঙ) চৰকাৰৰ ফালৰ পৰা বিধিসন্মত সকলো প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

( Starred Question Nos. 55 and 56 were postponed )

Shri Derhagra Mushi, asked :

Re: Baralia Irrigation Project.

★ 57. Will the Minister of Irrigation be pleased to state :

a) Whether Government is aware that some of the villagers are yet to receive compensation for land

and crops who have sacrified their land and crops for Baralia Irrigation Project ?

b) Mention the names of family and amount category-wise who are to be compensated ?

Shri Zehirul Islam (Minister, Irrigation) replied :

a) The District collectoriate prepares the assessment of componsation of land to be aquired by reaquiring Govt. Agency like Irrigation Department & place the demand to the requiring Department for depositing the assessed amount at their disposal for payment to the pattadars.

In this instant case also an amount of Rs. 29,28,934·20 was deposited to the District collectoriate for payment to the pattadars for acquisition of land for Baralia Irrigation Project. The Irrigation Department is to deposit an additional amount of Rs. 2,58,452·00 to the District collectoriate which is under process for depositing.

b) The details of the land acquisition case No. name of village, amount to be deposited & name of pattadars in respect of additional amount of Rs. 2,58,462·00 as required to be deposited to the District collectoriate, is placed as Annexure-I in the floor of the house. (See the Annexure-III)

বিষয় ঃ গোলকগঞ্জৰ বিলৰ উন্নয়ণৰ সম্পৰ্কে ।

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে :

★ ৫৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোলকগঞ্জ সমষ্টিৰ মুঠ কিমানটা বিল ৰাজ্যিক মীন উন্নয়ণ নিগমে উন্নয়ণ আঁচনিৰ অন্তৰ্ভূক্ত কৰিছে ? (বিলকেইটাৰ নাম উল্লেখ কৰিব)

খ) উন্নয়ণৰ বাবে বিলে প্ৰতি ধনৰ পৰিমাণ কিমান ?

গ) নিবিদা আহ্বানৰ প্ৰয়োজন হয়নে ?

ঘ) যদি হয়, কেউটা বিলৰ কামৰ নিবিদা আহ্বান কৰা হৈছেনে ?

ঙ) যদি হোৱা নাই, কিয় কৰা হোৱা নাই ?

শ্ৰীচামছুল হুদা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) গোলকগঞ্জ সমষ্টিৰ মুঠ ১০ (দহ) খন বিল ৰাজ্যিক মীন উন্নয়ণ নিগমলৈ উন্নয়ণৰ বাবে হস্তান্তৰ কৰা হৈছে।

১। নং ৯/৮৫ হৰিণচৰা

২। বকণ ডঙ্গা

৩। নং ৬২/১৮২-নন্দিনী

৪। নং ১২/৯৮-কালিদঙ্গা

৫। নং ৪৬/১৬৬-ভেৰভেৰি

৬। নং ৮২/২০২-ডুবাচুবা

৭। নং ১৪/১০০-শলমাৰী দবা

৮। নং ১১/৯৭-তাৰিয়াচৰা

৯। নং ১৭/১০৩-বেৰভাঙ্গিৰচাৰা

১০। নং ১৩/৯৯-ভেলকা।

খ) বৰ্ত্তমান উন্নয়ণৰ বাবে প্ৰস্তুত কৰা প্ৰক্কিলন বিলৰ খৰচৰ পৰিমাণ হ'ব ঃ—

১। হৰিণচৰা বিল ৯,৪০,৬১৯.০০

২। বৰুণডঙ্গা বিল ৯,০২,৯২৮·০০

৩। নন্দিনী বিল ৫,২৫,২৯৪·০০

৪। কালিডঙ্গা বিল ৮,৯৮,০০০·০০

৫। তাৰিয়াচৰা বিল ১৩,৩০,৪১৪·০০

বাকী কেইখন বিলৰ প্ৰকল্প প্ৰতিবেদন বৰ্ত্তমানলৈকে প্ৰস্তুতিকৰণ চলি থকা বাবে পৰিমাণ নিৰ্দ্ধাৰণ কৰিব পৰা হোৱা নাই।

গ) হয়।

ঘ) এতিয়ালৈকে মুঠ পাঁচখন বিলৰ নিবিদা আহ্বান কৰা হৈছে।

ঙ) 'খ'ত উল্লেখিত ৫ (পাঁচ) খন বিলৰ বাহিৰে বাকী থকা ৫ (পাঁচ) খন বিলৰ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিকৰণৰ কাম চলি থকাৰ বাবে নিবিদা আহ্বান কৰিব পৰা হোৱা নাই।

বিষয় ঃ চৰকাৰে মুকলি কৰি দিয়া টকাৰ পৰিমাণ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★ ২৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চাহ মজদুৰ সংঘৰ ২৩ দফীয়া দাবী চনদৰ মৰ্মে হোৱা ১০-৮-৯৫ তাৰিখৰ চুক্তি অনুসৰি ১ নং দাবীৰ বিপৰীতে চৰকাৰে কিমান টকা এতিয়ালৈকে মুকলি কৰিলে জনাবনে ?

খ) উক্ত টকা কিহত খৰচ কৰা হ'ল জনাবনে ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) এতিয়ালৈকে কেৱল ৪,৬৭ লাখ টকা মুকলি কৰি দিছে।

খ) শ্ৰম আয়ুক্ত আৰু শ্ৰম আয়ুক্তৰ অধীনৰ জিলা শ্ৰম - কাৰ্য্যালয়ৰ বহুদিন ধৰি পৰিশোধ নোহোৱাকৈ থকা কাৰ্য্যালয়ৰ ব্যয়ৰ বাবদ এই ধন খৰচ কৰা হ'ল।

বিষয় ঃ মাটিৰ পট্টা ।

শ্ৰীশৰৎকমল সন্দিকৈয়ে সুধিছে ঃ

★ ৬০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ টিৰাপ মৌজাৰ লংটং আদি অন্যান্য (জনজাতি সংৰক্ষিত এলেকা) গাঁৱৰ মাটি শ্ৰীদাৰিকা প্ৰসাদ আগৰৱালা নামৰ এজন ব্যৱসায়ীৰ নামত পট্টন দিবলৈ চৰকাৰৰ ওচৰত এটি প্ৰস্তাৱ প্ৰেৰণ কৰাটো সত্যনে ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী, অসম) য়ে উত্তৰ দিছে ঃ

তিনিচুকীয়া জিলা উপায়ুক্তৰ পৰা প্ৰস্তাৱ পোৱা হৈছিল যদিও জিলাৰ উপায়ুক্তই পিছত এই প্ৰস্তাৱ উঠাই লৈছে।

## UNSTARRED

### Questions & Answers

বিষয় ঃ মঠাউৰি-বন্ধাত অধিগ্ৰহণ মাটিৰ পৰিমাণ।

শ্ৰীনজমূল হকে সুধিছে,

৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাত শোলমাৰী মথাউৰী বন্ধাত অধিগ্ৰহন কৰা মাটিৰ ক্ষতি পূৰণৰ টকা আজিলৈকে মাটিৰ মালিক সকলক আদায় নিদিয়াৰ কাৰণ কি ?

খ) উক্ত বান্ধৰ বাবে মুঠ কিমান বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে আৰু উক্ত মাটিৰ বাবে মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে জনাবনে ?

গ) উক্ত মাটিৰ ক্ষতি পূৰণৰ টকা কিমান দিনৰ ভিতৰত আদায় দিয়া হ'ব ?

শ্ৰীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) প্ৰয়োজন ভোগী বিভাগে ক্ষতি পূৰণৰ সমুদায় টকা সমাহৰ্ত্তাৰ ওচৰত জমা নিদিয়াৰ বাবে মাটিৰ মালিক সকলক সম্পূৰ্ণ টকা আদায় দিব পৰা নাই ।

খ) মুঠ অধিগ্ৰহীত মাটিৰ পৰিমাণ ১৫৪ বিঘা ৯ লেছা। মুঠ টকাৰ পৰিমাণ ১৮,৩৭,৫৫৩ টকা।

গ) ক্ষতি পূৰণৰ ২৫% অৰ্থাৎ ৪,৫৯,৪০০ টকা ইতিমধ্যে মাটিৰ মালিকক আদায় দিয়া হৈছে। বাকী ৬৫% টকা প্ৰয়োজন ভোগী বিভাগে জমা দিয়াৰ পিছত আদায় দিয়া হ'ব।

( Unstarred Question No. 85 was postponed )

Re : Gazetted Status to the supdt. of I.T.Is.

Shri Asahaque Ali asked :

86. Will the Minister of Employment be pleased to state :

a) Whether Government has completed the process and formalities like fixation of service rule etc. Of the superintendents of the I.T.I. to confer them Gazetted status ?

b) If yes when ? ( place a copy of the notification in the table of the house )

c) If not, why ? ( state in details with latest position and progress of the matter ).

Shri Samsul Huda ( Employment Minister ) replied :

a) Yes, the Govt. has completed all formalities of finalisation of service Rules for the craftsmen Training wing of the Directorate of Employment and Training Assam which covers the case of supdts. of I.T.Is. as well. Regarding conferring Gazetted status to the superintendent of I.T.Is. Govt. is awaiting the Publication of Assam Pay Commission Report 1996.

b) Issue of Notification would have to wait till action indicated as in (a) above is taken.

c) As at (a) & (b) above.

Re : Proposed Irrigation schemes.

Shri Mission Ranjan Das, asked :

87. Will the Minister of Irrigation be pleased to state :

a) Whether the proposed Irrigation scheme at Baghar Khal near Akbarpur Rice Experimental Centre in Karimganj District has got Government sanction please state it in detail ?

b) If yes, when its works will be started ?

c) If not state reasons there of ?

Shri Zehirul Islam (Minister Irrigation) replied :

a) Yes, Administrative approval has been accorded for Rs. 64,81,000/- vide Govt. No. IGN (P) 60/95/2, dt. 31.3.95

b) Process of preliminary works such as detailed working survey and sub soil exploration has already been started.

c) Does not arise.

(Unstarred Question No 88 and 89 was postponed)

Re : Singribari Irrigation breached Bundh.

Shri Karendra Basumatary asked :

90. Will the Minister of Irrigation be pleased to state :

a) Whether Government propose to restore the "Singribari Irrigation breached Bundh" under Suklai Irrigation Project in Darrang in Panery L. A. Constituency ?

b) If so when it will take up urgently ?

Shri Zehirul Islam ( Minister, Irrigation ) will reply :

a) Yes.

b) The action for taking-up the works are on process.

Re : Construction of Darranga Irrigation Bandh.

Shri Derhagra Musha asked :

91. Will the Minister of Irrigation be pleased to state :

a) Whether Darranga Irrigation Bundh construction work is going to be started shortly which was taken up in the year 1995 ?

Shri Zehirul Islam (Minister Irrigation) replied :

a) The construction work of the Darranga Irrigation bundh will not be started shortly as the scheme has not been taken up as yet.

বিষয় ঃ পঞ্জীভূক্ত নিবনুৱা ।

ডঃ জয়নাথ শৰ্মা আৰু

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে ঃ

৯২। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত ১৯৯১ চনৰ জুলাই মাহত কিমান পঞ্জীভূক্ত নিবনুৱা আছিল । ১৯৯৬ ফেব্ৰুৱাৰী মাহত এই নিবনুৱাৰ সংখ্যা কিমান ?

খ) অসমত কাৰিকৰী নিবনুৱাৰ সংখ্যা কিমান ?

গ) বৰ্তমান অসমত আই, টি, আই, সমূহত ১৯৯১-৯৬ চনলৈ কিমান প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লৈছে ? ( চন ভিত্তিত / আই, টি, আই ভিত্তিত/ ট্ৰেড ভিত্তিত পৰিসংখ্যা বেলেগে দেখুৱাব )

ঘ) কোনখন আই, টি, আইত উক্ত সময়ছোৱাৰ ভিতৰত কিমান টকা কি কি খিতানত ব্যয় হৈছে ?

★ শ্ৰীচান্দমোহন ছিংহ ( নিয়োগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১ চনৰ জুলাই মাহত অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীভুক্ত নিবনুৱাৰ মুঠ সংখ্যা আছিল ১১,২৩,১২১ জন। ১৯৯৫ চনৰ ৩১ ডিচেম্বৰলৈ এই সংখ্যা হ'ল গৈ ১২,৩৯,৬৩৯ জন। ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহৰ তথ্য যুগুতোৱা হোৱা নাই।

খ) ১৯৯৫ চনৰ ৩১ ডিচেম্বৰত অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীভুক্ত কাৰিকৰী নিবনুৱাৰ সংখ্যা এনে ধৰণৰ।

১) অভিযান্ত্ৰিক স্নাতক—২,১০০ জন।

২) অভিযান্ত্ৰিক ডিপ্লোমা—৫,৪২১ জন।

৩) আই, টি, আই, প্ৰশিক্ষণপ্ৰাপ্ত—১৬,০৭৪ জন।

গ) বৰ্ত্তমান অসমৰ মুঠ ২৩ খন আই, টি, আইত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীৰ পৰিসংখ্যা চন ভিত্তিত আই, টি, আই ভিত্তিত আৰু ট্ৰেড ভিত্তিত প্ৰ-পত্ৰ ১ নংৰ পৰা ২২ নং লৈ প্ৰস্তুত কৰা হৈছে আৰু লগতে গাঠি দিয়া হ'ল।

( See the Annexure-IV )

ঘ) ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈ বিভিন্ন শিতানত ( পৰিকল্পনা আৰু পৰিকল্পনা বহিঃভূত ) খৰচৰ এখন খতিয়ান প্ৰ-পত্ৰ '২৪' ত দাঙি ধৰা হৈছে। ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰটো শেষ নোহোৱাৰ বাবে উক্ত বছৰৰ খতিয়ান বিভিন্ন প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু পোৱাৰ পিচতহে দাঙি ধৰা সম্ভৱ হ'ব।

( See the Annexure-V )

Re : Irrigation sub-division at Ramkrishna Nagar.

Shri Rampyare Rabidas, Asked :

93. Will the Minister Irrigation be pleased to state :

a) Is it a fact that due to non availability of fund the Irrigation sub-divisional office at Ramkrishna Nagar in the Karimganj District has not set up yet ?

b) If yes, what steps has been taken by the department in getting necessary financial sanction to set up the proposed sub-division at R. K. Nagar ?

c) Whether the Irrigation department will place the proposal again to the finance department for necessary fund in coming financial year i.c. 1996-97 ?

If yes, has the process already been initiated ?

If not, why ?

Shri Zehirul Islam ( Minister, Irrigation ) replied :

a) No.

b) Does not arise.

c) The department will consider the taking up of this proposal of setting up of a sub-division at Ramkrishna Nagar in 1996-97. The actions for this can be taken up only after the expiry of the year 1995-96.

Re : Construction of a Buffer Stock Godown.

Shri Mission Ranjan Das asked :

94. Will the Minister of Food and Civil supplies be pleased to state :

a) What are the steps taken by the state Government with the central Government for construction of a Buffer Stock Godown in District head querter of Karimganj-please state in detail ?

Shri Ardhendu Kumar Dey, ( Minister, Food & Civil Supplies ) replied :

a) A proposal for construction of a Buffer stock Godown at Karimganj, with a capacity of 200 tonnes under the central Assistance scheme through the Assam State Warehousing Corporation, was submitted to Government of India in the year, 1991, which was followed by a revised estimates due to price escalation in September, 1993.

But for want of sanction from Government of India to the proposal, the construction of the proposed Godown at Karimganj could not be taken up yet.

**বিষয় ঃ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৯৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৬ চনৰ জানুৱাৰী মাহলৈকে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী যেনে- চাউল, আটা, ময়দা, দালি (বুট, মচুৰ, ৰহৰ, মুগ, মাহৰ,) মিঠাতেল, চেনী, আলু, পিয়াজ আদিৰ দাম প্ৰত্যেক বছৰতে কিমান শতাংশ বৃদ্ধি বা হ্ৰাস পালে জনাবনে ? ( ইয়াৰ তালিকা সদনৰ মেজত দিব )

খ) ১৯৯৫ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৬ চনৰ মাৰ্চ মাহলৈকে উল্লেখিত নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমূহৰ দাম প্ৰত্যেক মাহতে কিমান বৃদ্ধি বা হ্ৰাস পালে জনাবনে ? ( প্ৰত্যেক মাহৰ দামৰ তালিকা এখন সদনৰ মেজত দিব ।

গ) এই সামগ্ৰী সমূহৰ দাম প্ৰত্যেক মাহতে বৃদ্ধি পোৱাৰ কাৰণ কি ?

ঘ) এই সামগ্ৰী সমূহৰ মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৬ চনৰ জানুৱাৰী মাহলৈকে সামগ্ৰী সমূহৰ প্ৰতি বছৰে হোৱা মূল্য বৃদ্ধি বা হ্ৰাসৰ গড় তালিকা (শতাংশ হিচাবত) সদনৰ মেজত দিয়া হ'ল (অনুবদ্ধ-'ক')।

(See the Annexure-VI)

খ) সামগ্ৰীসমূহৰ মূল্য বৃদ্ধি বা হ্ৰাসৰ হাৰ (অনুবদ্ধ—'খ') আৰু প্ৰতি মাহৰ দামৰ তালিকা (অনুবদ্ধ—'গ') সদনৰ মেজত দিয়া হ'ল।

(See the Annexure-VII)

গ) উৎপাদন স্থলত সামগ্ৰীৰ মূল্য বৃদ্ধি, সাময়িক বন্ধ-ধৰ্মঘট, প্ৰাকৃতিক দুৰ্যোগ, পৰিবহণ ব্যয় বৃদ্ধি তথা পৰিবহণ ব্যৱস্থাত ঘটা বিজুতি আদি কাৰণ সমূহৰ বাবে কোনো কোনো মাহত সামগ্ৰীৰ মূল্য বঢ়া-টুটা হয়।

ঘ) মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিধি সন্মত সকলো প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

(Unstarred Question No. 96 was postponed)

বিষয় ঃ ঘূর্নিঝড়ে ক্ষতিগ্রস্ত হওয়া অর্থমঞ্জুরী প্রাপ্ত প্রাথমিক বিদ্যালয় সমূহের নির্ম্মাণ কার্য্যসুরু করা।

শ্রীপ্রণব কুমার নাথে জিজ্ঞাসা করছেন ঃ

৯৭। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) করিমগঞ্জ জিলায় দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত নিলাম বাজার সার্কেলের অধীন ঘুর্নিঝড়ে ক্ষতিগ্রস্ত কেৰেকোনা জয়কালি এল, পি, স্কুল, টাইয়ারপার আর এল, পি বিদ্যাপিঠের নির্মাণ কার্য্যর জন্য বিশ হাজার টাকা করে মঞ্জুরী দেওয়া স্বত্বেও আজ পর্য্যন্ত নির্মাণ কার্য্য শুরু না হওয়ার কারন কি?

খ) শিগ্রই মার্চ মাসের ভিতর নির্মাণ কার্য্য সমাপ্ত জন্য বিভাগীয় কর্ত্তৃ-পক্ষ কি কি কার্য্যকরী পদক্ষেপ নিয়েছে ?

( বিশদ তথ্য সদনের মেঝে দাখিল করিবেন )

শ্রীদেৱানন্দ কোঁৱৰ ( রাজহ মন্ত্রী ) উত্তর দিছেন ঃ

ক) ও খ) পুনর অনুরোধ স্বত্বেও পরিকল্পনা ও আনুমানিক হিসাব না পাওয়ার জন্য ঘূর্নিঝড়ে ক্ষতিগ্রস্ত জয়কালি এল, পি, স্কুলর জন্য সংরক্ষিত টাকা মুক্তি ( Release ) দেওয়া সম্ভব হয়নি ।

টাইয়ার পার এল, পি বিদ্যাপিঠের নাম তালিকায় নাই। টাইয়ারপার গ্রামে ৭৮৯ নং বুহিনী বিদ্যাপিঠের নাম তালিকায় অন্তর্ভুক্ত আছে ও বিশ হাজার টাকা মঞ্জুরী দেওয়া হয়েছে।

( উপরের উত্তরের প্রসঙ্গে বিশদ তথ্যের প্রশ্ন উঠে না )

**বিষয় ঃ দুই টকীয়া চাউল।**

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

৯৮। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধুবুৰী সমষ্টিৰ ভিতৰত দুই টকীয়া চাউলৰ বাবে (Green Card) দিয়া হৈছে নেকি ?

খ) যদি দিয়া হৈছে তেনেহলে চহৰৰ ভিতৰত (Ward ) ৱার্ড নং হিচাবে আৰু গাওঁ অঞ্চলত পঞ্চায়ত ( G.P. ) হিচাবে নামৰ তালিকা সদনত দাখিল কৰিবনে ?

ডাঃ অর্ধেন্দু কুমাৰ দে, ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হৈছে ।

খ) নামৰ তালিকা সদনৰ মেজত দাখিল কৰা হ’ল ।

Re : Tea Tribes Welfare Commission.

Shri Rameswar Dhanowar asked :

99. Will the Minister of labour be pleased to state ;

a) Whether the Government is taking proposal to create a Tea Tribes Welfare Commission for the Welfare of Tea Tribes people ?

b) If so, when the commission will be created ?

c) Give details there of ?

Sri Dileswar Tanti ( Minister, Labour ) replied ;

a) There is no such proposal at present under consideration in the Labour Deptt.

b) Does not arise.

c) Does not arise.

বিষয় ঃ বাগিছাৰ মাটি পট্টন ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

১০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ ডিব্ৰুগড় জিলাৰ হাপজান পৰ্বতৰ ছিলিং উদ্বৃত্ত মাটি কোনো বাগিছাৰ নামত পট্টন দিয়াৰ কিবা প্ৰস্তাৱ চৰকাৰে বিবেচনা কৰিছে নেকি ঃ

শ্ৰীদেৱানন্দ কোঁৱৰ ঃ ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

বিবেচনা কৰা নাই ।

বিষয় ঃ গৰাখহনীয়াত গাওঁ ক্ষতিগ্ৰস্ত ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

১০১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৫ চনলৈ কিমানখন গাওঁ গৰাখহনীয়াৰ কবলত পৰি ধ্বংস হৈছে ? ( জিলা ভিত্তিত পৰিয়ালৰ সংখ্যাও জনাব )

খ) গৰাখহনীয়াত ক্ষতিগ্ৰস্ত কিমান পৰিয়ালক ( ১৯৯১ চনৰ ১ জুলাইৰ পৰা ২৯ ফেব্ৰুৱাৰী ১৯৯৬ লৈ ) পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে ?

গ) গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল (বাকী থকা) সমূহক সোনকালে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৫ চনলৈকে মুঠ ৩৭১৮ খন গাওঁৰ ৫৫,৮৭২ টা পৰিয়াল গৰাখহনীয়াৰ কবলত ক্ষতিগ্ৰস্ত হয়।

খ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ২৯ ফেব্ৰুৱাৰী ১৯৯৬ লৈকে ১২,৫৮২ টা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে।

(বিতং তালিকা ইয়াৰ লগত দাখিল কৰা হ'ল)

(See the Annexure-VIII)

গ) বাকী থকা পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ কাম চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ ৰাজহ চক্ৰৰ কৰ্মচাৰীৰ সংখ্যা।**

শ্ৰীমহেন্দ্ৰ বৰাই সুধিছে ঃ

১০২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিতাবৰ ৰাজহ চক্ৰত পৰ্য্যায়ক্ৰমে কৰ্মচাৰীৰ সংখ্যা কিমান ? এই সকলৰ কাৰণে বেতনৰ বাবদ মাহিলী কিমান টকা ব্যয় কৰা হয় ?

খ) তিতাবৰ ৰাজহ চক্ৰৰ অধীনত ১৯৯১-৯২ ৰ পৰা ১৯৯৫-৯৬ লৈ কিমান পৰিমাণৰ মাটি কোন কোন ব্যক্তি প্ৰতিষ্ঠানক আবন্টন দিয়া হ'ল ? এই সময়ছোৱাত কিমান পৰিমাণৰ মাটি ম্যাদি কৰণ কৰা হ'ল ?

গ) তিতাবৰ প্ৰস্তাৱিত ৰাজহ নগৰ এলেকাত এতিয়াও মাটি ম্যাদি কৰিবলৈ বাকী আছে নেকি ? যদি আছে, তেনে মাটিৰ পৰিমাণ কিমান ? ম্যাদি কৰণৰ বাবে কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

ঘ) তিতাবৰ ৰাজহ চক্ৰত চৰকাৰী পতিত মাটিৰ পৰিমাণ কিমান ? তিতাবৰ সমষ্টিত পথৰ কাষত থকা মাটি কোনো লোকে বেদখল কৰি আছে নেকি ? তেনে মাটিৰ পৰিমাণ কিমান ? এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি সদনৰ মেজত টোকা দাখিল কৰিবনে ?

শ্ৰীযুত দেৱানন্দ কোঁৱৰ, ( মন্ত্ৰী, ৰাজহ বিভাগ ) য়ে উত্তৰ দিছে :

ক) তিতাবৰ ৰাজহ চক্ৰত থকা কৰ্মচাৰীৰ সংখ্যা হ'ল—

১) অফিচাৰ—১জন।

২) ৩য় শ্ৰেণীৰ ( আমোলা ) কৰ্মচাৰী — ৩ জন।

৩) ভূমি লেখ্য কৰ্মচাৰী—৩০ জন ।

৪) চতুৰ্থ শ্ৰেণী — ৭ জন।

এই সকলৰ বেতনৰ বাবদ মাহিলী ১,২০,৫৭৯·০০ টকা ( এক লাখ বিশ হাজাৰ পাচ শ উন্নাশী ) টকা ব্যয় হয়।

খ) ১৯৯১-৯২ চনৰ পৰা ১৯৯৫-৯৬ চনলৈকে তিতাবৰ ৰাজহ চক্ৰত মাটিৰ আৱণ্টন পোৱা লোকৰ সংখ্যা আৰু মাটিৰ পৰিমাণ :

১) অনুসূচীত জাতি=১০৩ পৰিয়াল=১৪৪ বিঘা, ১ কঠা, ১৯ লেচা।

২) অনুসূচীত জনজাতি=৪৯ টা পৰিয়াল=৪৬ বিঘা, ৩ কঠা, ৫ লেচা।

৩) সাধাৰণ শ্ৰেণীৰ=৪৩ টা পৰিয়াল=৫০ বিঘা, ২ কঠা, ১ লেচা।

৪) প্ৰাক্তন চাহ মজদুৰ=৭৭ বিঘা, ১ কঠা, ৪ লেচা।

৫) সংখ্যালঘু=১৬ টা পৰিয়াল=৯ বিঘা, ২ কঠা, ০ লেচা।

৬) ৭ টা অনুষ্ঠানক মুঠ ১৮৮ বিঘা ০ কঠা ০ লেচা মাটি আৱণ্টন দিয়া হৈছে।

৭) উক্ত সময় ছোৱাত ১৮২০ বিঘা ০ কঠা ১৬ লেচা মাটি ম্যাদি কৰন কৰা হৈছে।

গ) প্ৰস্তাৱিত তিতাবৰ নগৰ এলেকাত এতিয়াও ২১ বিঘা ২ কঠা ১৬ লেচা মাটি ম্যাদিকৰণ কৰিবলৈ বাকী আছে। ৰাজহ নিয়মানুসৰি একচনীয়া মাটি ম্যাদিকৰনৰ বাবে বিহিত ব্যৱস্থা লৈ থকা হৈছে।

ঘ) (১) পতিত মাটিৰ পৰিমাণ হ'ল ৬৩৩ বিঘা ৩ কঠা ০ লেচা।

(২) ৮৬ জন ব্যক্তিয়ে ২৭ বিঘা ৪ কঠা ১৯ লেচা বাটৰ কাষৰ মাটি বেদখল কৰি আছে। উক্ত মাটিৰ পৰা বেদখল উচ্ছেদ কৰিবলৈ বিহিত ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ জলসিঞ্চনত টকা ব্যয়।

ডঃ জয়নাথ শৰ্মা আৰু

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে ঃ

১০৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দৰং জিলাত সম্প্ৰতি কি কি জলসিঞ্চন আছে ?

খ) উক্ত আঁচনিসমূহ কোন কোন চনত আৰম্ভ হৈছিল ?

গ) উক্ত আঁচনিসমূহৰ প্ৰত্যেকৰে বাবদ কিমান টকা ব্যয় হ'ল ?

ঘ) কাৰ্য্যক্ষম অৱস্থাত কোন কোন আঁচনি বৰ্ত্তমান দৰং জিলাত চলি আছে ?

ঙ) কুলসীত আঁচনিৰ কাম কিমান আগ বাঢ়িছে ? ব্যয় কিমান হ'ল ? সম্পূৰ্ণ কেতিয়া হ'ব ?

চ) কলপানী আঁচনি / কুকুৰা আঁচনিৰ ক্ষেত্ৰত বিভাগে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ কিমান টকা কি কি শিতানত বছৰ ভিত্তিত ব্যয় কৰিলে ? কামৰ অগ্ৰগতি কি ? সম্পূৰ্ণ কেতিয়া হ'ব ?

ছ) দিপ টিউবৱেল আঁচনি দৰং জিলাত কিমান আছে ? প্ৰত্যেকৰে বাবদ ব্যয় কিমান হৈছে ? কোন কোন আঁচনি কাৰ্য্যক্ষম হৈছে ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) দৰং জিলাত এটা বৃহৎ, ৭৬ টা ক্ষুদ্ৰ জলসিঞ্চন আৰু ৩৯ টা গভীৰ নলী নাদ আঁচনি আছে। সবিশেষ বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা প্ৰ-পত্ৰ ১ত দেখুৱা হৈছে। (See the Annexure-IX)

খ) উক্ত আঁচনিসমূহ ১৯৫৮-৫৯ চনৰ বিত্তীয় বছৰৰ পৰা ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰৰ ভিতৰত আৰম্ভ কৰা হৈছিল। বিতং বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা প্ৰ-পত্ৰ ১নং ত দিয়া হৈছে।

( See the Annexure-IX )

গ) উক্ত আঁচনি সমূহৰ বাবদ এতিয়ালৈকে সৰ্বমুঠ ১২৪০০ লাখ টকা ব্যয় কৰা হৈছে। বিতং বিৱৰণ ওপৰত উল্লিখিত ১নং প্ৰ-পত্ৰত দেখুৱা হৈছে। ( See the Annexure-IX )

ঘ) দৰং জিলাত সৰ্বমুঠ ৩৯ টা জলসিঞ্চন আঁচনি কাৰ্য্যক্ষম অৱস্থাত আছে। সবিশেষ বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা প্ৰ-পত্ৰ ২ত দেখুৱা হৈছে। ( See the Annexure-X )

ঙ) কুলসীক বৰ্ধিতকৰণ আৰু উন্নতিকৰণ আঁচনিখন সামগ্ৰীক ভাৱে জানুৱাৰী '৯৬ লৈ ৬০ শতাংশ কাম সম্পূৰ্ণ হৈছে। জানুৱাৰী '৯৬ লৈ ব্যয়ৰ পৰিমাণ ১৯৬.৫৪ লাখ টকা। সময়মতে ধনৰ আবণ্টন আৰু নিৰ্মাণ সামগ্ৰী পালে ১৯৯৭ চনৰ মাৰ্চ মাহত আঁচনিখন সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

চ) সবিশেষ সদনৰ মজিয়াত দাখিল কৰা প্ৰ-পত্ৰ-৩ দেখুৱা হৈছে। ১৯৯৬ চনৰ জানুৱাৰী মাহলৈকে আঁচনিৰ অগ্ৰগতিৰ পৰিমাণ কাল-পানী আঁচনি ৭০.৬ শতাংশ কুৰুৱা আঁচনি ৩৫ শতাংশ। প্ৰয়োজনীয় পুঁজি আৰু নিৰ্মাণ সামগ্ৰী সময়মতে পালে ১৯৯৭ চনৰ মাৰ্চত আঁচনি দুখন সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

( See the Annexure-XI )

ছ) দৰং জিলাৰ মুঠতে ৩৯ টা গভীৰ নলী-নাদ আঁচনি আছে। ব্যয়ৰ পৰিমাণ আৰু কাৰ্য্যক্ষম অৱস্থাত থকা আঁচনি সমূহ সদনৰ মজিয়াত দাখিল কৰা প্ৰ-পত্ৰ-৪ ত দেখুৱা হৈছে ।

( See the Annexure-XII )

বিষয় পৰিয়াললৈ মাটিৰ পট্টন ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

১০৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী মহানগৰীত চৰকাৰী নীতি অনুযায়ী কিমান পৰিয়ালক বৰ্ত্তমানলৈকে মাটিৰ পট্টন দিয়া হ'ল জনাবনে ?

খ) গুৱাহাটী মহানগৰীৰ পৰিয়ালক মাটিৰ পট্টন দিয়াৰ বাবে খৰতকীয়া কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

গ) মহানগৰীৰ পৰিয়ালক মাটিৰ পট্টন দিয়াৰ বাবদ বৰ্ত্তমানলৈকে চৰকাৰৰ ৰাজভঁড়াললৈ কিমান পুজিৰ ৰাজহ জমা হ'ল জনাবনে ?

ঘ) মহানগৰীৰ পৰিয়াল সমূহক মাটিৰ পট্টন দিয়াৰ কাম কোন চনত সম্পূৰ্ণ কৰাৰ বাবে চিন্তা কৰিছে জনাবনে ?

শ্ৰীদেৱানন্দ কোঁৱৰ, ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমানলৈকে ১১৩৫ টা পৰিয়ালক।

খ) গুৱাহাটী মহানগৰীৰ চৰকাৰী মাটিত যিসকল ভূমিহীন পৰিয়ালে ১৫ বছৰ বা ততোধিক কাল ঘৰ-বস্তি কৰি বসবাস কৰি আছে সেইসকল পৰিয়ালক চৰকাৰৰ বৰ্ত্তমান ভূমি নীতি আধাৰত যোগ্যতা অনুসৰি আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষৰ নীতি নিৰ্দ্দেশনা অনুযায়ী পট্টন দিয়াৰ কাম চলি আছে।

গ) গুৱাহাটী মহানগৰীত মাটি পট্টন দিয়াৰ বাবদ বৰ্ত্তমানলৈকে মুঠ ১,১৫,৩৩,২১৬.০০ টকা ৰাজহ আদায় পোৱা হৈছে।

ঘ) মহানগৰীত সাধাৰণ চৰকাৰী মাটি পট্টনৰ সময় সীমা বন্ধাৰ কোনো প্ৰশ্ন নুঠে।

( Unstarred Question No. 105 was postpond )

Re : Construction work of Baralia Irrigation Project.

Shri Derhagra Musha, asked :

106. Will the Minister of Irrigation be pleased to state :

a) Whether Government is aware of the fact that Baralia Irrigation Project is not at all progressing in construction work ?

b) If you, why ?

Shri Zehirul Islam ( Minister, Irrigation ) replied :

a) No, The construction work is in progress.

b) Does not arise.

বিষয় ঃ দুৰ্গাপুৰ চাহ বাগিছা।

শ্ৰীশশকমল হান্দিকৈয়ে সুধিছে ঃ

১০৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডিব্ৰুগড় জিলাৰ দুৰ্গাপুৰ চাহ বাগিছাৰ লগত ৰাষ্ট্ৰীয় ঘাই পথৰ নামত সংৰক্ষিত মাটিৰ অবৈধ কৰা দখলি ৰদ কৰাৰ কি ব্যৱস্থা হাতত লৈছে ?

খ) যদি লৈছে তেন্তে ই কি পৰ্য্যায়ত আছে আৰু যদি লোৱা নাই ইয়াৰ কাৰণ কি ?

শ্ৰীদেৱানন্দ কোঁৱৰ, (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ৰাষ্ট্ৰীয় পথ বিভাগৰ দ্বাৰা ৰাষ্ট্ৰীয় পথ নং ৩৭ নিৰ্মাণৰ পূৰ্বে উক্ত মাটিৰ নাস দখলিৰ বাবে পট্টা ৰদ কৰাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই।

খ) প্ৰশ্নই নুঠে।

বিষয় ঃ চিলিং উদ্বৃত্ত মাটি।

শ্ৰীনিজামুদ্দিন খানে, সুধিছে ঃ

১০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চিলিং উদ্বৃত্ত মাটিৰ পৰিমাণ কিমান ?

খ) বৰ্ত্তমানলৈ কিমান চিলিং উদ্বৃত্ত মাটি বিতৰণ কৰা হৈছে ?

গ) বিতৰণ কৰা (চিলিং বৰ্হিভূত) মাটিৰ মালিক কিমান জনক পট্টা দিয়া হৈছে ?

শ্ৰীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ৬,১২,৩৮০.০০ একৰ।

খ) ৪,৯৯,৪৫৯.৮১ একৰ।

গ) ১৯১৬ জনক।

**Re :** Allotment of land to flood erosion effected families.

Sri Sashakamal Handique asked :

109. Will the Minister Revenue be pleased to state.

a) Whether Government of Assam dereserved 252 Bighas of land of Langkashi Gaon V.G.R. under Tipling Mouza covered by dag Nos 134 & 136 to give allotment to 28 flood/erosion effected families of Dighalibill and Uriamguri which was communicated to D.C Dibrugarh vide memo No RSG 28/82/21 dtd 7.8.82 by Under Secretary Revenue (S) Department. ?

b) What is the present position of case ?

c) Whether it is a fact the circle Officer Tinsukia asked the above families to furnish original copy of the order ?

Shri Debananda Kowar, (Revenue Minister) replied :

a) No.

b) The land covered by Dag No. 134 and 136 of Langkashi Gaon under Tipling mouza has been keept as Grazing Reserved as per Land Records.

c) It is not a fact that the Circle Officer, Tinsukia asked the above families to furnish the original copy of the order.

বিষয় ঃ নিবনুৱা যুৱক যুৱতীৰ সংখ্যা।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

১১০। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নিবনুৱা যুৱক যুৱতীৰ সংখ্যা কিমান ?
(শিক্ষাগত অৰ্হতা অনুযায়ী জনাব)

খ) নিবনুৱা ভাট্টা দিয়া প্ৰথা বন্ধ কৰা হৈছেনে ?

গ) যদি হৈছে, চাকৰি নোহোৱা পৰ্য্যন্ত নিবনুৱা ভাট্টাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচামছুল হুদা ( নিয়োগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯৫ চনৰ ৩১ ডিচেম্বৰলৈ অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীয়ন ভুক্ত নিবনুৱা যুৱক যুৱতীৰ সংখ্যা মুঠ ১২,৩৯,৬৩৯ জন।

শিক্ষাগত অৰ্হতা অনুযায়ী ১৯৯১ চনৰ ৩১ ডিচেম্বৰলৈ শিক্ষিত নিবনুৱা যুৱক যুৱতীৰ সংখ্যা এনে ধৰণৰ :

১। অভিযান্ত্ৰিক স্নাতক — ২,১০০ জন।

২। চিকিৎসা বিজ্ঞানৰ স্নাতক — ১২৩ জন।

৩। কৃষি স্নাতক — ৬০৯ জন।

৪। পশু চিকিৎসা বিজ্ঞানৰ স্নাতক — ৩০ জন।

৫। স্নাতকোত্তৰ — ৪,৭৮২ জন।

৬। স্নাতক — ৭২,৮৪৪ জন।

৭। উচ্চতৰ মাধ্যমিক — ২,০৮,৬০১ জন।

৮। উচ্চ মাধ্যমিক — ৪,৪৯৮৯৯ জন।

৯। আই, টি, আই — ১৬,০৮৪ জন।

১০। ডিপ্লোমা — ৫,৪২১ জন।

১১। নিৰক্ষৰ / অ কাৰিকৰী /

প্ৰৱেশিকাৰ দেওনা পাৰ নোহোৱা ৪,৭৯,১৪৬ জন।

খ) নিবনুৱা ভাট্টা দিয়া প্ৰথা বন্ধ কৰা হোৱা নাই।

গ) প্ৰশ্ন নুঠে।

## DISCUSSION DURING ZERO HOUR

Mr. Speaker : Question hour is over.

I have received as many as 9 Zero Hour notices for 21.3.96 in the name of the Hon'ble Members :

1. Dr. Zoii Nath Sarma
   Shri Gahin Ch. Das
2. Shri Karendra Basumatary

3. Shri Mohibul Haque
4. Shri Hitendra Nath Goswami
5. Shri Mission Ranjan Das
6. Shri Chandra Mohan Patowary
   Shri Phani Bhusan Choudhury
   Shri Ramendra Narayan Kalita
   Shri Hitesh Deka
   Shri Nagen Sarma
7. Shri Dhruba Kumar Sen
8. Shri Munin Mahanta
9. Shri Abdul Jalil Ragibi

As per rules, I have selected only 3 zero hour motions for raising before the house today. I now, call upon the Hon'ble Member, Shri Hitendra Nath Goswami to raise his zero hour motion which was published in 'Dainik Asom' dated 19.3.96 under the caption" "কাজিৰঙাত সংৰক্ষিত জৈৱ মণ্ডল প্ৰতিষ্ঠাৰ সিদ্ধান্ত কেন্দ্ৰৰ ৰাজ্য চৰকাৰৰ খবৰেই নাই"

★শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, ১৯ মাৰ্চৰ দৈনিক অসম কাকতত প্ৰকাশিত "কাজিৰঙাত জৈৱ মণ্ডল প্ৰতিষ্ঠা সিদ্ধান্ত কেন্দ্ৰৰ, ৰাজ্য চৰকাৰৰ খবৰ নাই" শীৰ্ষক বাতৰিটোৰ প্ৰতি বন বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিটোৰ মতে কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিবেশ মন্ত্ৰণালয়ে কাজিৰঙাক সংৰক্ষিত কৰাৰ স্বাৰ্থত জৈৱ মণ্ডল তৈয়াৰ কৰাৰ প্লেন লৈছিল। এই প্লেন মতে ১৯৯৫ চনৰ জুলাই মাহত ভাৰতৰ ৭ খন ঠাইত ৭ টা মণ্ডল স্থাপন কৰাৰ সিদ্ধান্ত লৈছিল। কাজিৰঙা আৰু ওচৰে পাজৰে থকা

★ Speech not Corrected

আপুৰুগীয়া জীৱ-জন্তু সংৰক্ষণৰ কাৰণে এই সিদ্ধান্ত লৈছিল। ঠিক সেইদৰে উত্তৰ প্ৰদেশকে আদি কৰি ভাৰতৰ আন ঠাইত ৭ টা জৈৱ মণ্ডল স্থাপনৰ সিদ্ধান্ত লৈছিল। আপুৰুগীয়া জীৱ-জন্তু সংৰক্ষণৰ কাৰণে ভাৰত চৰকাৰে বিশেষ পুঁজিৰ আৱণ্টনৰ চিন্তা কৰিছিল। দুখৰ বিষয় ৰাজ্য চৰকাৰ এই সম্বন্ধে জ্ঞাত নহয়। লগতে বনা প্ৰাণী সংৰক্ষণৰ যি সংগঠন আছে তেওঁলোকো জ্ঞাত নহয়। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ভূমিকা কি আৰু বাতৰিটো সভ্য হয় নে নহয় জানিব বিচাৰিছো। ১৯৯৫ চনৰ জুলাইত ৭ টা মণ্ডল স্থাপন কৰাৰ কথা গম পাইছিলো। বন আৰু পৰিৱেশ মন্ত্ৰণালয়ে ৰাইনো সংৰক্ষণ কৰাৰ কাৰণে মানাহ আৰু কাজিৰঙাত ৰাইনো প্ৰজেক্ট কৰাৰ কথা দুবছৰ আগতে গম পাইছিলো। অসম চৰকাৰে যি ধৰণে আগবাঢ়ি আহিব লাগে সেই ধৰণে অহা নাই বুলি অসম গণ পৰিষদৰ সজাতি দলৰ আগত কৈছিল। ১৯৯৪ চনত গড় সংৰক্ষণ কৰাৰ কথা কৈছিল। এই ক্ষেত্ৰত অসম চৰকাৰৰ ভূমিকা কি জানিব বিচাৰিছো। ৯ ফেব্ৰুৱাৰীৰ চেণ্টিনেল কাকতত প্ৰকাশ পাইছে যে গড় নাইকিয়া হৈছে। যোৱা বছৰত চৰকাৰী সমীক্ষা মতে ৪০ টা গড় নিধন হৈছে। এই ধৰণে প্ৰায় ১৯২ টা গড় নিধন হৈছে। ৰাজ্য চৰকাৰৰ হিচাব মতে অসমত ১৫ শ গড়ৰ ভিতৰত ১১৬৪ টা গড় কাজিৰঙাত আছে। ইয়াৰে ভিতৰত ২শ গড় নিধন হৈছে। এইদৰে থাকিলে অহা ১৫-২০ বছৰৰ ভিতৰত কাজিৰঙাত গড় সংখ্যা হ্ৰাস পাব। সংৰক্ষিত বন মণ্ডল ঘোষণা কৰিলে উপযুক্ত পুঁজি পাম আৰু পৃথিৱী বিখ্যাত গড় সংৰক্ষণত পুঁজিৰ অভাৱ দূৰ হ'ব। অসমত বন্য প্ৰাণী সংৰক্ষণৰ কাৰণে ৩·৫ কোটি টকা দিয়ে আৰু তাৰ ১·৬ কোটি টকা দৰ্মহাত খৰচ হয়। ৰাজ্য চৰকাৰ আগবাঢ়ি আহিলে মানাহ, ওৰাং আৰু কাজিৰঙা অভয়াৰণ্য সংৰক্ষণত শকত পুঁজি পাম। মানাহৰ টাইগাৰ

প্ৰজেক্টৰ কাম বড়োলেণ্ড আন্দোলনৰ বাবে অসুবিধা হোৱা বুলি কৈছে। মানাহত ৪৫০ টা বাঘৰ ভিতৰত ৮০-১০০ টা আছে। কাজিৰঙাত দেখা নাযায়। অৰুণাচলত বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব দিছে। বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ভূমিকা কি? এইখিনি কৈ মই দৃষ্টি আকৰ্ষণ কৰিলো।

(Mr. Speaker vacated the chair and Mr. Deputy speaker occupied it)

★শ্ৰীগৌতম ৰয় (ৰাজ্যিক বন্য সংৰক্ষণ মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই শূন্যকালীন সময়ছোৱাত উত্থাপিত ১৯ মাৰ্চৰ 'দৈনিক অসম' কাকতৰ কাজিৰঙাত জৈৱ মণ্ডল প্ৰতিষ্ঠা সিদ্ধান্ত কেন্দ্ৰৰ, ৰাজ্য চৰকাৰৰ কোনো খবৰ নাই, বাতৰিটো আমাৰ দৃষ্টি গোচৰ হৈছে। কাজিৰঙাত জৈৱ মণ্ডল প্ৰতিষ্ঠা তাৰ কোনো সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ আমাক নাই বুলি জনাইছে। এই বাতৰিটো প্ৰকাশ কৰাৰ লগে লগে মই ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছিল আৰু বন আৰু পৰিবেশ মন্ত্ৰণালয়ৰ চেক্ৰেটৰীয়ে আৰু এডিচনেল ডিৰেক্টৰে কাজিৰঙাত তেনে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি জনাইছে। কিন্তু ৮০ দশকৰ মাজ ভাগত কাজিৰঙাত তেনে ধৰণৰ এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ জনাইছিল। অসম চৰকাৰে তেতিয়াই আমাৰ বন্য প্ৰাণী বিভাগৰ পৰা এই কথা গুৰুত্ব দিছিল যদিও বিশেষ অসুবিধাৰ কাৰণে এইটো প্ৰস্তাৱ মানি লবলৈ অস্বীকাৰ কৰিলে। বন সংৰক্ষণ বিভাগে প্ৰতি বছৰে যিবোৰ ঘাহ বন গজে সেই বিলাক জুই লগাই দিয়ে সেইবিলাক অসুবিধাৰ কাৰণে বেচটিচন মানি লব নোৱাৰে। তাৰোপৰি তেওঁলোকে যিটো চেনটৰিয়াম বনাব সেইটো প্ৰটেকটেচ হ'লে ডেভলপমেন্টৰ কাম কৰিব নোৱাৰিব। মাননীয় সদস্য সকলে জানে যে কাজিৰঙাত যি সকলৰ

★ Speech not Corrected

পৰ্য্যটক আছে তাত যদি কোনো ডেভলপমেণ্টৰ কাম কৰিব নোৱাৰে তেতিয়া হ'লে কি আশা লৈ এই পৰ্য্যটকসকল কাজিৰঙালৈ আহিব। পৰ্য্যটকসকলৰ যি আকাংক্ষা সেইটো বঞ্চিত হ'ব। ৮০ দশকতে আমাৰ চৰকাৰে কৰি তেতিয়া কাজিৰঙা ডিক চৌখোৱাত জৈৱ মণ্ডল প্ৰস্তাৱ আগবঢ়াইছিল। এতিয়াও সেইটো কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি আছে। কিন্তু চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জনাইছে কেৱল ডিক চৌখোৱাত নহয় মানস অভয়াৰণ্য আৰু ভোটান চৰকাৰৰ অধীনত থকা যি অঞ্চল আছে তাতো জৈৱ মণ্ডল প্ৰতিষ্ঠাৰ কাৰণে প্ৰস্তাৱ জনাইছে। ভোটান চৰকাৰেও যোগাযোগ কৰি এইটো কৰিম বুলি জনাইছে।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে আৰু এটা কথা কৈছে যে আমাৰ গড়ৰ কথা। ১৯৯১-৯২ চনৰ পিচৰে পৰা বৰ্ত্তমানলৈকে কাজিৰঙাত ১৯২ টা গড় নিধন হৈছে। এই কথা মই কালি মোৰ প্ৰশ্নোত্তৰ কালতো দিছো। কিন্তু এটা কথা আপোনালোকে মন কৰিলে দেখিব যে ১৯৯১-৯২ চনত যিমান গড় নিধন হৈছিল এতিয়া ১৯৯৪-৯৫ চনত তাতোকৈ কম কৈছে। আগতকৈ এতিয়া গড় নিধন হোৱা হ্ৰাস হৈ আহিছে। হ্ৰাস হোৱাৰ বাবে ব্যৱস্থা পৰ্য্যটক বিভাগে লৈছে। ১৯৯৫-৯৬ চনৰ বৰ্ত্তমান বছৰত মাত্ৰ ২ টাহে গড় নিধন হৈছে। চোৰাং চিকাৰীৰ পৰা হাত সাৰিবৰ কাৰণে গড় নিধন হোৱাটোৰ প্ৰতি লক্ষ্য ৰাখি বিভাগে যথেষ্ট কাম কৰি আছে। জৈৱ মণ্ডল প্ৰতিষ্ঠা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। কাজিৰঙাৰ বিপৰীতে ডিক, চৌখোৱা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি আছে। এই কথা কৈয়ে সামৰণি মাৰিলো।

Mr, Deputy Speaker : I now call upon Hon'ble Member Shri Mission Ranjan Das to raise his zero hour notice regarding a news item published in 'Samay Prabah' dtd. 19.3.96 under the caption "ফাৰ্মাচী ইনষ্টিটিউট"।

★শ্রীমিশন রঞ্জন দাস : উপাধ্যক্ষ মহোদয়, গত ৯ মার্চ তারিখে সময় প্রবাহ পত্রিকায় প্রকাশিত সংবাদে বলা হয়েছে যে যদিও ১৯৮৭ ইং থেকে শিলচর মেডিকেল কলেজে ফার্মাসি ইনষ্টিটিউট চালু করা হয়েছে কিন্তু আজ পর্যন্ত ইণ্ডিয়ান ফার্মাসি কাউন্সিল এর স্বীকৃতি দেয় নি। আসাম সরকার এর জানা সত্বেও কোনও কার্য্যকরী ব্যবস্থা না নেওয়ার কারন বুঝা যাচ্ছে না। অথচ বিভিন্ন সময়ে ছাত্র এবং ইনষ্টিটিউ-টের কর্তৃপক্ষ এই ব্যাপারে সরকারের দৃষ্টি আকর্ষন করা সত্বেও এর ইনফ্রাষ্ট্রাকচার গঠন করার ব্যাপারে সরকারের কোনও আগ্রহ নাই। ফলে এই বছর শিলচর ফার্মাসী ইনষ্টিটিউটে ছাত্র ভর্ত্তি হয়নি। কারন ইণ্ডিয়ান ফার্মাসী কাউন্সিল এটা বন্ধ করে দিতে বলেছে। কারন সেখানে লেবরটারী নাই, ইকুইপমেন্টস্ নাই, এপারেটাস নাই, ক্লাসের সুবিধা নাই, টিচার্স কম ইত্যাদি ইনফ্রাষ্ট্রাকচার নাই। যে সব ছাত্র ছাত্রীরা পাশ করেছে তাদের মাত্র কিছুসংখ্যক রেজি-ষ্ট্রেশন পেয়েছে। বাকীরা পায় নি। কারন পরীক্ষা যেখানে কণ্ডাক্ট করা উচিত ছিল ডিরেক্টর টেকনিকেল এডুকেশনর সেখানে পরীক্ষা নিয়েছে ডিরেক্টর মেডিকেল এডুকেশন। ফলে যারা পাশ করেছে তাদের ফার্মাসি কাউন্সিল রেজিষ্ট্রেশন দেয়নি। অথচ যারা রাজ্যে যথেষ্ট সংখ্যক ফার্মাসিষ্ট দের দরকার। এডভারটাইজ করলে কেণ্ডি-ডেট পাওয়া যায় না। এই অবস্থায় সরকারের নীরবতা অত্যন্ত দুঃখজনক। অথচ গত ১৮ তারিখে ছাত্ররা এর প্রতিবাদে জনতা ভবনের সামনে ধর্ণা দিয়েছে। আশা করি সরকার এই ব্যাপারে মনোযোগ দিয়ে এই সমস্যার সমাধান অবিলম্বে করবেন।

★শ্রীনুৰ জামাল সৰকাৰ (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাৰ 'জিৰ' আৱাৰ নোটিচ'ত মাননীয় সদস্য শ্ৰীমিশন ৰঞ্জন দাস ডাঙৰীয়াই 'সময় প্ৰবাহ' বাতৰিত ফাৰ্মাচিষ্ট ইনষ্টিটিউট

★ Speech not Corrected

সম্পৰ্কে পোৱা বাতৰিৰ প্ৰতি যি দৃষ্টি আকৰ্ষণমূলক প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ প্ৰতি চৰকাৰৰো দৃষ্টি গোচৰ হৈছে। এই বাতৰি সন্দৰ্ভত আজি অলপ সময়ৰ আগতে আমালৈ নোটিচ আহিছে। এই বিষয়টোৰ সম্পৰ্কত বৰ্ত্তমান মোৰ হাতত সম্পূৰ্ণ তথ্য নাই। গতিকে এই সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লোৱা হৈছে সেই সকলো তথ্য সংগ্ৰহ কৰি অহা কালি মই সদনক জনাম।

Mr. Deputy Speaker : Now, I call upon Hon'ble Member Shri Abdul Jalil Ragibi to raise his Zero Hour Motion.

★মৌলনা আব্দুল জলিল ৰাগিবী : মাননীয় উপাধ্যক্ষ মহোদয় মই আজি শূন্য কালত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰি শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। এই বাতৰিটো 'আজিৰ বাতৰি' কাকতত ১৭-৩-৯৬ তাৰিখে প্ৰকাশ হৈছে আৰু বাতৰিটো হৈছে "পাঠ্য পুথিৰ নাটনি"। ইয়াত উল্লেখ কৰা হৈছে যে, বৰ্ত্তমান শিক্ষা বৰ্ষ আৰম্ভ হোৱা তিনি মাহ উকলি গ'ল। এই তিনি মাহৰ ভিতৰত অসমৰ বিভিন্ন প্ৰাথমিক আৰু মাধ্যমিক শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলে পাঠ্যপুথি পোৱা নাই। সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা জীৱন বিনষ্ট হৈছে। তাৰ লগতে আৰু এটা বিশেষ কথা ইয়াত উল্লেখ কৰা হৈছে যে অসমীয়া বিষয়ক যিখন কিতাপ সেই কিতাপখন এই বছৰ মাধ্যমিক শিক্ষা পৰিষদে সলনি কৰিছে। এই কিতাপ খন সলনি কৰা সম্পৰ্কত যি ব্যাপক ধৰণে জাননী দিব লাগিছিল সেইটো তেনেকৈ দিয়া হোৱা নাই আৰু সেই জাননী বহুলভাবে প্ৰচাৰ নকৰাৰ কাৰণে শিক্ষানুষ্ঠান কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাবকসকলে এই কিতাপখন সলনি কৰা বাতৰি জানিব পৰা নাই। সেই কাৰণে এই শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা অত্যন্ত হাবাশান্তিৰ পৰিবেশ সৃষ্টি হৈছে। আন এটা গুৰুত্বপুৰ্ণ ঘটনা

★ Speech not Corrected

হৈছে যিখন অসমীয়া বিষয়ক কিতাপ সেইখনৰ আগতে মূল্য আছিল মাত্ৰ ৪ টকা। এই কিতাপখনত ৫০ টা গল্প আৰু কবিতা সম্পাদিত আছিল। এতিয়া যিখন কিতাপ দিয়া হৈছে তাৰ মূল্য হৈছে ২৫ টকা আৰু কিতাপখন বজাৰত পৰ্য্যাপ্ত পৰিমাণে পাবলৈ নাই। স্কুলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে কিতাপখন সলনি কৰা কথাটো নজনাৰ কাৰণে বহুতে আগৰ কিতাপখনকে পঢ়া আৰম্ভ কৰিলে আৰু সেই-দৰে ইতিমধ্যে কেইটামান পাঠ পাৰ হৈ গ'ল। এতিয়া কথা হ'ল এই বাতৰিটো এখন বিশেষ কিতাপ সম্পৰ্কত প্ৰকাশ পাইছে আৰু সময়মতে কিতাপ যোগান নধৰাৰ কথাটো কৈছে। সেই কাৰণে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। আমি সকলোৱে এটা কথা স্বীকাৰ কৰো যে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত যিসকল সৰু সৰু ল'ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰে তাৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে দুখীয়া পৰিয়ালৰ পৰা আহিছে। এই দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে অধিক দামত কিতাপ কিনি পঢ়াটো অসুবিধা হয় আৰু সেই কাৰণে বহুতো দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালী অভিভাবকে স্কুললৈ নপঠিয়াই। সেই কাৰণে ইয়াৰ আগৰ চৰকাৰখনে এই কথাবোৰ চিন্তা কৰি এটা পদক্ষেপ হাতত লৈছিল যে আমি প্ৰাথমিক পৰ্য্যায়ৰ ল'ৰা-ছোৱালী-সকলক বিনা মূলীয়াকৈ পাঠ্যপুথি যোগান ধৰিম। এইটো এটা সৎ পদক্ষেপ আছিল বুলি আমি ভাবিছিলো। এইটো শিক্ষা বিস্তাৰৰ এটা সহজ উপায় আছিল। ছাত্ৰ-ছাত্ৰীসকলে বিনা মূলীয়াকৈ পাঠ্য-পুথি পালে সকলোৱে শিক্ষা লাভ কৰাৰ এটা উপায় ওলাব। এইটো এটা আন্তঃৰাষ্ট্ৰীয় অভিযান আৰু নিৰক্ষৰ দূৰীকৰণ অভিযান হিচাবে আগৰ চৰকাৰে ব্যৱস্থা হাতত লৈছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, এই যে বিনামূলীয়া পাঠ্যপুথি স্কুলীয়া ল'ৰা-ছোৱালীক যোগান দিয়াৰ ক্ষেত্ৰত যিখন আঁচনি লোৱা হৈছিল, সেইটো ভাল আঁচনি আছিল আৰু ইয়াৰ উদ্দেশ্যও ভাল আছিল

কিন্তু এই আঁচনিখন ৰূপায়িত কৰিবলৈ গৈ শিক্ষা বিভাগক পাঠ্য-পুথি প্ৰণয়ন, ছপা কৰি উলিয়াই তাক স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰাৰ যি গধূৰ দায়িত্ব অৰ্পণ কৰা হ'ল সেই গধূৰ বোজা শিক্ষা বিভাগে বহন কৰোতে যে নানা ধৰণৰ খেলি-মেলি হব আৰু তাত যে গণ্ডগোল হব সেই সম্ভাৱনা থকাৰ কথা মই আঁচনি আৰম্ভ কৰাৰ সময়তেই সন্দেহ কৰিছিলো আৰু বহু সময়ত আপত্তি কৰিছিলো আৰু আজি যিটো দেখিছো সেইটো মোৰ সন্দেহটো থিকেই আছিল। বিনামূলীয়া পাঠ্যপুথি যোগান দিয়াৰ ক্ষেত্ৰত যে ভয়ঙ্কৰ খেলিমেলি হৈ আছে সেই বিষয়ে অকল সদনতে নহয় সময়ে সময়ে বাতৰি কাকতত ওলাই আছে। স্কুলীয়া লৰা-ছোৱালীক কিতাপ যোগান দিয়াৰ কাৰণে তেওঁলোকৰ উপযুক্ত হোৱাকৈ পাঠ্যপুথি পাঠ চিলেক-শ্যন কৰা আৰু তাৰ পাছত সেই পুথিবিলাক প্ৰেছত ছপোৱাকৈ ধৰি বিভিন্ন কাম-কাজ আৰু শেষত সেই কিতাপবিলাক ৰাজ্যখনৰ বিভিন্ন শিক্ষা অনুষ্ঠানলৈ কিতাপ-পত্ৰবিলাক পঠাই স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰাৰ এই গধূৰ দায়িত্ব কেৱল শিক্ষা বিভাগৰ ওপৰত জাপি দিলে জানো তেওঁলোকে সুচাৰুৰূপে পালন কৰিব পাৰিব আৰু সেই কাৰণেই আজি বিনামূলীয়া পাঠ্যপুথি স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰাৰ ক্ষেত্ৰত বছৰে বছৰে এনে ধৰণৰ খেলিমেলি হৈ আছে। স্কুলত ছাত্ৰ-ছাত্ৰীসকলক ভৰ্ত্তি কৰাৰ পাচত তেওঁলোকৰ অভিভাৱকসকলে কিতাপ বিচাৰি হাবাথুৰি খাব লগীয়া হয় কিন্তু কিতাপ পাবলৈ নাই। এমাহ দুমাহ ৬ মাহলৈকে যদি ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি যোগান দিব পৰা নাই, যেতিয়া কিতাপ যোগান ধৰোতেই বছৰটোৰ বেচি ভাগ সময় পাৰ হৈ যায় তেতিয়াহলে ছাত্ৰ-ছাত্ৰীসকলে কি পঢ়ে। ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বহুমূলীয়া শৈক্ষিক সময় অবাবতে নষ্ট কৰা হৈছে। পাঠ্যপুথি যোগান দিয়াৰ ক্ষেত্ৰত যে যথেষ্ট পৰিমাণৰ খেলিমেলি হৈছে সেইটো ধ্ৰূপ। যদিও এই

আঁচনিখন ভাল আছিল কিন্তু ইয়াৰ কাৰ্য্য পদ্ধতিত ভুল হোৱা কাৰণে আজি বিনামূলীয়া পাঠ্যপুথি যোগান দিয়াৰ ক্ষেত্ৰত এনেধৰণৰ ব্যাপক খেলিমেলি সৃষ্টি হৈছে। গতিকে এই ক্ষেত্ৰত আজি সদনত মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই যে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি যোগান দি তেওঁলোকক শিক্ষাদান দিয়া কথাটো অত্যান্ত গুৰুত্বপূৰ্ণ বিষয় যি কিতাপ স্কুলত ভৰ্ত্তি হোৱা লগে লগে যোগান ধৰিব লাগে, সেই কিতাপ যদি ৬ মাহলৈকে যোগান নধৰাকৈ থাকে তেতিয়াহলে ছাত্ৰ-ছাত্ৰীসকলৰ কিমান অসুবিধা হব আৰু তেওঁলোকৰ কিমান ক্ষতি কৰা হব সেইটো আপোনালোকে নিশ্চয় বুজিব পাৰিছে। গতিকে এই যি কিতাপবিলাক বিনামূলীয়াকৈ যোগান দিবলৈ বিচৰা হৈছে সেইবিলাক কোম্পানী বা বজাৰত মুকলি কৰি দিব লাগে আৰু সেই কিতাপবিলাক যাতে শিক্ষানুস্থানসমূহৰ কৰ্তৃপক্ষই মুকলি বজাৰৰ পৰা লৈ আনি স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত উপযুক্ত সময়ত যোগান দিব পাৰে তেতিয়াহলে শিক্ষা বিভাগৰ ওপৰত এই যিটো গধুৰ বোজা জাপি দিয়া হৈছে তাৰ পৰা শিক্ষা বিভাগে সকাহ পাব আৰু বিনামূলীয়া পাঠ্যপুথি যোগানৰ ক্ষেত্ৰত কোনো খেলি-মেলি নহব আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মূল্যবান শৈক্ষিক সময় অবাবতে নষ্ট নহয়। বহু সময়ত আমি দেখিছো ডি, পি, আই অফিচৰ বাৰাণ্ডাত বছৰ বছৰ ধৰি পাঠ্যপুথিৰ কিতাপৰ বাণ্ডোলবিলাক জহি-খহি নষ্ট হৈ গৈছে, সেইবিলাক যথাসময়ত বিতৰণ কৰা নহ'ল, তেওঁলোকে কয় তেওঁলোকৰ ষ্টাফ নাই, ষ্টাফৰ অভাৱত সেই মূল্যবান কিতাপ-বিলাক তাতেই নষ্ট হ'ল। গতিকে মুকলি বজাৰত কিতাপবিলাক প্ৰকাশকক প্ৰকাশ কৰিবলৈ অনুমতি দি স্কুল কৰ্তৃপক্ষক সেই কিতাপ বিলাক ছাত্ৰ-ছাত্ৰীৰ কাৰণে লৈ আনিবলৈ স্কুল-কৰ্তৃপক্ষক শিক্ষা বিভাগৰ ফালৰ পৰা পইচাটো দি দিব লাগে তেতিয়া পাঠ্যপুথি বিলাক থিক মতে যোগান ধৰিব পৰা হব আৰু আঁচনিৰ যি উদ্দেশ্য

আছিল যে বিনামূলীয়া কিতাপ যোগান সেইটোও ফলবতি হব। মুঠতে এই বিনামূলীয়া পাঠ্যপুথি যোগানৰ যিটো আঁচনি সেইটো কাৰ্য্যতঃ ৰূপায়িত হব। তাৰ পাছত আজি আমি দেখিছো মাতৃ-ভাষাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে বুলি কৈ আছে কিন্তু আন-হাতে দেখিছো যিখন অসমীয়া ভাষাৰ শিশুসকলৰ পাঠ্যপুথি আছিল সেইখনৰ দাম আগতে মাত্ৰ ৪ টকা আছিল কিন্তু এতিয়া সেই কিতাপ-খনৰ মূল্য ২৫ টকা কৰিলে আৰু সেই সম্পৰ্কত কোনো জাননী দিয়া নাই। গতিকে মই দিঘলীয়া নকৰো শিক্ষা বিভাগত এই যি খেলিমেলি আৰু বিনামূলীয়া কিতাপ যোগানৰ ক্ষেত্ৰত হোৱা বিশৃংখল ইত্যাদিৰ প্ৰতি মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু অনুৰোধ কৰিলো এই বিনামূলীয়া পাঠ্যপুথি যোগানৰ ক্ষেত্ৰত যিটো পলিচি লোৱা হৈছে সেইটো কিছু সংশোধন কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সুবিধা হোৱাকৈ কাৰ্য্যকৰী কৰিব লাগে আৰু এই সম্পৰ্কত সদনত এটা বিবৃতি দিলে ভাল পাম।

★শ্ৰীদেৱান জয়নাল আবেদীন : মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান সদনত শূন্য কালত কাৰ্য্যসূচী চলি থকা সময়ত দিশপুৰৰ ষ্টেটগেটত বিক-লাঙ্গসকলে তেখেতসকলৰ কেইটামান দাবী দিয়া লৈ আমৰণ অনশন কৰিছে গতিকে মই এই সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষামন্ত্ৰী) : মাননীয় উপাধ্যক্ষ, মাননীয় সদস্য আব্দুল জলীল ৰাগিবী ডাঙৰীয়াই স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি যোগান দিয়াৰ ক্ষেত্ৰত যিখিনি কথা সদনত ডাঙি ধৰিছে সেই কথাখিনি যথেষ্ট গুৰুত্বপূৰ্ণ, গতিকে এই সম্পৰ্কত এটা বিবৃতি অহা কালি বিধানসভাত দাখিল কৰিম।

---

★ Speech not Corrected

## CALL ATTENTION NOTICE

**Mr. Deputy Speaker :** Now, item No. 2. Dr. Zoii Nath Sarma to draw the attention of the Minister Education.

★ **ড: শ্ৰীজয়নাথ শৰ্মা :** উপাধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ মাধ্যমিক শিক্ষাৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা ২৬ ফেব্ৰুৱাৰী তাৰিখৰ 'প্ৰতিদিন' নামৰ বাতৰি কাকতত এটা বাতৰি প্ৰকাশিত হৈছে যিটো বাতৰিৰ লগত বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা বা ভৱিষ্যতে উঠি অহা জেনেৰেচনৰ স্বাৰ্থ জড়িত হৈ আছে। বাতৰিৰ হেদলাইনটো হৈছে "নিজে শিকিবলৈ বাকী থকা জনক ল'ৰা-ছোৱালীক শিকোৱাৰ দায়িত্ব"। উপাধ্যক্ষ মহোদয়, বাতৰিত লিখিছে "অসমৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ শইকীয়া নেতৃত্বাধীন চৰকাৰখন কিমান চিন্তিত ? শিক্ষক নিযুক্তিত দেখা দিয়া ব্যাপক দুৰ্নীতিৰ প্ৰতিবাদত কংগ্ৰেছী মন্ত্ৰীয়েও মন্ত্ৰীত্ব ত্যাগ কৰিবলগীয়া পৰিস্থিতি উদ্ভৱ হোৱাৰ পিছতো নিকৃষ্ট ফলাফলেৰে উত্তীৰ্ণ হোৱা প্ৰাৰ্থীকো কেৱল ধনৰ লোভতে শিক্ষক পদত নিযুক্তি দিয়া কাৰ্যাই অসমৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ হেতালি খেলিবলৈ কংগ্ৰেছ (ই) চৰকাৰখনে যে অকনো কেৰেপকে নকৰে সেই কথাকে প্ৰতীয়মান কৰিছে। ইয়াত উল্লেখ কৰিছে যে, মিনু গোস্বামী নামৰ ছাত্ৰীগৰাকীয়ে ১৯৮৮ চনত বিহপুৰীয়াৰ লোহিত ডিক্ৰং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পূৰ্বে শ্ৰীমতী গোস্বামীয়ে দুবছৰেও শিক্ষান্ত পৰীক্ষাত অকৃতকাৰ্য্য হৈছিল। উচ্চতৰ মাধ্যমিক পৰীক্ষাতো মিনু গোস্বামীয়ে কাণে কাণ মাৰি তৃতীয় বিভাগত উত্তীৰ্ণ হৈছিল। আনহাতে ১৯৯০ চনতে উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱা শ্ৰীমতী গোস্বামীক তিনিবছৰীয়া স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰিবলৈ সময় লাগে পাঁচ বছৰ। কিন্তু এনেকুৱা এগৰাকী প্ৰাৰ্থীকে যোৱা ৩০-১-৯৬ তাৰিখে চৰকাৰৰ শিক্ষা

★ Speech not Corrected

বিভাগে কমলপুৰ সমষ্টিৰ কৰৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক পদত নিযুক্তি দিয়া কাৰ্য্যই শিক্ষানুস্থানখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলকো বিবুদ্ধিত পেলাইছে। ইয়াত জইনিং লেটাৰখনো দিছে মই পঢ়ি দিছো। এই চৰকাৰে কি ধৰণৰ শিক্ষকক কি ধৰণৰ প্ৰাৰ্থীক শিক্ষকতা কৰিবৰ বাবে দায়িত্ব দিছে মই জইনিং লেটাৰখন পঢ়ি দিছো—

"To

The principal, Korora Higher Secondary School,

Sir,

I have to offer to inform you only, I have go my duty on 7.2.96 ( FM ) as per ISKDC Memo No. CC and oblash (oblidge).

Yours faithfully,
Miss Minu Goswami
C/o. J. Goswami

Received and the candidate is allowed to Join her duty.

Sd/
( Principal )

প্ৰিন্সিপালে জইনিং ৰিপোৰ্টটো ৰিচিভ কৰিছে আৰু কাম কৰাৰ বাবে অনুমতি দিছে।

উপাধ্যক্ষ মহোদয়, কথাটো হৈছে এইটো যে যোৱা ৩০ তাৰিখৰ পৰা নিযুক্তি বন্ধ কৰাৰ নীতি চৰকাৰে লৈছিল। পতিকে ৩০ তাৰিখৰ ৰাতিৰ ভিতৰতে নিযুক্তি দিছে। ইন্টাৰভিউ দিছেনে নাই হিচাব নাই। এজন বিশেষ মন্ত্ৰীৰ প্ৰয়োজনীয়তাত অফিচাৰ জনক প্ৰভাৱিত কৰি এই নিযুক্তি দিয়া হৈছিল। যি পৰাকী শিক্ষকে

বাক্য শুদ্ধকৈ লিখিব পৰা নাই, জইনিং লেটাৰ শুদ্ধকৈ লিখিব পৰা নাই তেওঁ কেনেকৈ ছাত্ৰ-ছাত্ৰীক পঢ়াব ? উপাধ্যক্ষ মহোদয়, আপোনাৰ ল'ৰাকো এনে এজন শিক্ষকৰ অধীনত পঢ়িবলৈ দিবনে ? আমাৰ মহন্ত ডাঙৰীয়াই কোৱাৰ দৰে নিবনুৱা সমস্যা সমাধানৰ বাবে বুদ্ধি পাতিছে। মেট্ৰিকপাচ কৰিছে, হাইয়াৰ চেকেণ্ডাৰী পাছ কৰিছে, বি.এ পাছ কৰিছে তেওঁলোকে চাকৰি নাপালে নিবনুৱা হৈ যাব বুলি ভাবিছে। পতিকে এনে ধৰণৰ মানুহ নিযুক্তি দিছে যি জনে পঢ়ালে কোনেও মেট্ৰিক পাছ কৰিব নোৱাৰে। আজি অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাবে লৈ স্কুল কলেজ বিশ্বাকভ চলাই আছিছে। কিন্তু এনে ধৰণৰ শিক্ষক নিযুক্তি দিয়া হৈছে আৰু এনে পৰিবেশৰ সৃষ্টি কৰিছে যিটো পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত শিক্ষা লাভ কৰিব নোৱাৰে। এই নিযুক্তি সম্পৰ্কত ৰাইজে আহি স্কুল পৰিদৰ্শকৰ অফিচ ঘেৰাও কৰিছে তাৰ লগতে আমাৰ বিধায়ক শ্ৰীহিতেশ্বৰ ডেকাও আছিল। তেতিয়া নিযুক্তি কেনচেল কৰা হ'ব বুলি কোৱা হৈছিল যদিও আজিলৈকে নিযুক্তি কেনচেল হোৱা নাই। বেক দেট দি নিযুক্তি দিয়া হৈছিল আৰু জইন কৰিছে ৭ তাৰিখে এতিয়া চৰকাৰে নতুন নিয়ম উলিয়াইছে পতিকে তেওঁলোকে জইন কৰিব নোৱাৰে। নিযুক্তি দিব নালাগে। ৩০ তাৰিখৰ পিচত নিযুক্তি সম্পৰ্কে যিটো নীতি উলিয়াইছে সেইটো আচলতে গ্ৰহণযোগ্য হৈছে। আপোনালোকে আমালৈ কি এৰিলে ? সকলোবোৰ পষ্টতে বে-আইনীভাৱে নিযুক্তি দিছে। আমি আকৌ আহিম আপোনালোকো আহিব কিন্তু গেলাৰীত বহিব। মই এটা লিখিত প্ৰশ্নও কৰিছিলো বছৰত ২ লাখ কৰি নিযুক্তি দিয়াৰ কথা আছিল কিমান দিয়া হ'ল ? আৰু ১৯৯১ চনত নিবনুৱাৰ সংখ্যা কিমান আছিল ? আপোনালোকে কলে যে, ১১ লাখ ৭০ হাজাৰ আছিল। আৰু ১৯৯৫ চনত ১২ লাখ আছিল বুলি কৈছে। বছৰত ২ লাখ কৰি নিযুক্তি দিয়া হ'লে

নিবনুৱাৰ সংখ্যা বৃদ্ধি হ'ব নালাগিছিল। আপোনালোকে অসমৰ মানুহক বিশ্বাস ঘাটকতা কৰিছে। এই ৫ বছৰত মুঠ ১৬ লাখ নিবনুৱাৰ পৰা গৈ ৬ লাখহে থাকিব লাগিছিল। তাৰোপৰি পৰীক্ষাৰ প্ৰশ্ন কাকত লিক হোৱা ঘটনা অসমত কেতিয়াও হোৱা নাছিল এইটো হ'ল আপোনালোকৰ দিনতে। এনেকুৱা শিক্ষকো নিযুক্তি দিয়া হৈছে যি কৈছে বেৰমিটাৰটো এটা ডাঙৰ যন্ত্ৰ। গতিকে আপোনালোকে উপলব্ধি কৰক যে, জইনিং লেটাৰ লিখিব নজনা লোকক আপোনালোকে শিক্ষক পদত নিযুক্তি দিছে। গতিকে তৎকালীনভাৱে নিযুক্তিবিলাক বন্ধ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, নিজৰ জইনিং লেটাৰখন শুদ্ধকৈ লিখিব পৰা নাই। এই গৰাকীয়ে শিক্ষকতা কৰিবলৈ গলে সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ কি অৱস্থা হব সেইটো ভাবি চাওক চাৰ। সেই কাৰণেই এই নিযুক্তি বিলাক বন্ধ ৰাখিব লাগে। আজি গোটেই অসমতে যোৱা ত্ৰিশ জানুৱাৰীৰ দিনাখন হোৱা নিযুক্তিবিলাক বন্ধ ৰাখিব লাগে। সোণাৰিতো হৈছে, গৌতম বৰাৰ তাতো হৈছে, চন্দন সৰকাৰৰ ঠাইতো হৈছে। সকলোতে হৈছে। আমাৰ মঙ্গলদৈৰ ডি-আই তাত থাকিব পৰা নাই। ইয়ালৈ আহি আশ্ৰয় লৈছে। শ্ৰীগগৈ ডাঙৰীয়াই দিয়া বুলি নকওঁ কিন্তু ককায়েকে দি আছে। তেখেতৰ কথা কোৱা নাই কিন্তু তেখেতৰ ককায়েকৰ কথাহে আহিছে। ইফালে বাইদেউৰ কথাও নাই, কিন্তু ভিনদেউৰ নামটো ওলাইছে এনে বিলাক কথাত। উপাধ্যক্ষ মহোদয়, ১৯৯৬ চনৰ ৩০ জানুৱাৰীত যিসকল শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিলো সেইবিলাক অসমৰ শিক্ষা জগতৰ কাৰণে এক দুৰ্ভাগ্য হৈ থাকিব। এই ঘটনা কেতিয়াও মচ নাখাব। হাইকোৰ্টেও এই নিযুক্তিৰ বিপৰীতে দৰমহা দিবলৈ বন্ধ কৰিছে। কিছুমানে আকৌ ৰেগুলাৰাইজ কৰিম বুলি টকা আনি আছে।

★শ্ৰীদিলীপ কুমাৰ শইকীয়া : ধেমাজিৰপৰা পাচ লাখ আনিছে ৰেগুলাৰাইজ কৰিম বুলি।

---

★ Speech not Corrected

★ডঃ জয়নাথ শৰ্মা : উপাধ্যক্ষ মহোদয়, এই নিযুক্তিখিনি বাতিল কৰিব লাগে। কলচ্‌ এখন এতিয়া কৰিছে কিন্তু গোটেইবিলাক নিযুক্তি অনীতিৰ মাজেৰে দিছে। গতিকে অসমৰ শিক্ষা জগতৰ স্বাৰ্থত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থত এই ৩০ তাৰিখৰ নিযুক্তিবিলাক বন্ধ কৰিব আৰু এতিয়া যি নীতি লৈছে সেই নীতিমতে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অসমৰ স্বাৰ্থত আপোনালোকৰ সন্মানৰ স্বাৰ্থত উপাধ্যক্ষ মহোদয় আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো এই নিযুক্তিবিলাক বাতিল কৰাৰ কাৰণে। ত্ৰিশ তাৰিখৰ পিছত যি ৰুল কৰিছে নিয়োগৰ ক্ষেত্ৰত আৰু যিসকলে হাইকোৰ্ট কৰিছিল তাতো দৰমহা দিয়াৰ কাৰণে বাধা আৰোপ কৰিছে। গতিকে উপাধ্যক্ষ মহোদয়, আপুনি হস্তক্ষেপ কৰি এই নিযুক্তিসমূহ বাতিল কৰাৰ কাৰণে অনুৰোধ জনাইছো।

★শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ডঃ জয়নাথ শৰ্মা ডাঙৰীয়াই কোৱা কথাখিনি অত্যন্ত গুৰুত্বপূৰ্ণ। ৩০ তাৰিখৰ ৰাতিৰ ভিতৰত যিমানবিলাক নিযুক্তি দিয়া হৈছে সেইবিলাকৰ কোৱালিটি বোলা শব্দটো নাই। দেশৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কথা তেওঁলোকৰ ওপৰত অৰ্পণ কৰা হৈছে অথচ তেওঁলোকৰ ন্যূনতম জ্ঞানখিনি নাই। মই মাত্ৰ দুই তিনিটা উদাহৰণ দিব বিচাৰিছো। এটা নিযুক্তিৰ ক্ষেত্ৰত আমাৰ তাত বনগাওঁ ৰাইজে ৰাজহুৱা মিটিং পাতি সিদ্ধান্ত লৈছে যে এই নিযুক্তি পোৱা শিক্ষকজনে স্কুললৈ গৈ ল'ৰা-ছোৱালীক পঢ়াব নালাগে। স্কুললৈ যাব নালাগে। দৰমহা লৈ থাকক আপত্তি নাই, চৰকাৰে নিযুক্তি দিছে যেতিয়া ভাত কেইটা কাঢ়ি নিনিয়ে কিন্তু স্কুললৈ যাব নালাগে। এজন শিক্ষকে বেৰোমিটাৰ কি ছাত্ৰ-ছাত্ৰীয়ে সোধাত কৈছে মস্ত ডাঙৰ এটা যন্ত্ৰ। ধুমুহাৰ আগতে বাহিৰত থাকে আৰু ধুমুহা আহিলে ভিতৰলৈ সোমাই

★ Speech not Corrected

আহি আগজাননী দিয়ে। ধুমুহা আহিলে ঘৰৰ ভিতৰলৈ বেৰোমিটাৰ সোমাই অহা এটা মস্ত ডাঙৰ যন্ত্র হ'ল তেখেতৰ জ্ঞানৰ পৰিসীমা। নলবাৰীত এজন বিষয়া ৰাখিছে মডেল কৰি এই শিক্ষা বিভাগে। আন এটা শিক্ষকৰ উদাহৰণ হ'ল ছাত্রই সুধিলে মহাসাগৰ তিনি খন কি। শিক্ষকে কলে যে প্রশ্নটো ভুল কিয়নো মহাসাগৰ ক'ত সেইটো উল্লেখ নাই। ক'ৰ মহাসাগৰ, অসমৰ নে বিহাৰৰ নে উড়িষ্যাৰ সেইটো উল্লেখ থাকিব লাগিছিল। পিচে কণ কণ ছাত্র ছাত্রীয়ে হেড মাষ্টৰক কিলেগৈ যে প্রশ্নটো ভুল কৰি আছে। ক'ৰ মহাসাগৰ ঠিক মতে দিয়া নাই প্রশ্নটোত। এই হ'ল শিক্ষকৰ কোৱালিটি। এতিয়া নিশ্চয় বুজিব পাৰিছে শিক্ষা জগত অসমৰ ক্ষেত্রত কি অৱস্থালৈ গৈছে। এতিয়া স্পটুনিৰ যুগ, চন্দ্রলৈ যোৱাৰ যুগ, প্লাজমা মেডিআমৰ যুগ আৰু আমাৰ অসমত শিক্ষা বিভাগে শিক্ষক নিযুক্তি দিছে তেনেবোৰ। বেছি কৈ লাভ নাই। মই নাম কব পাৰো এই বিলাকৰ। গতিকে এনেকুৱা নিযুক্তি নিদিব বুলি অনুৰোধ কৰি এতিয়া আৰু লাভ নাই। কিয়নো ভৱিষ্যতলৈ নিযুক্তিৰ বাবে একো এৰা নাই। কেৱল এতিয়া এই যি বিলাক নিযুক্তি জানুৱাৰী মাহত দিছিল, যি বিলাকৰ কাৰণে হাইকোৰ্টেও দৰমহা দিবলৈ বাৰণ কৰিছে সেই বিলাকৰ ক্ষেত্রত আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো। চৰকাৰেও সদিচ্ছা প্রকাশ কৰক। এনেকুৱা থাৰ্ড ক্লাচ নিযুক্তিবিলাক বাতিল কৰক। সৰু পথাৰত এজন শিক্ষকৰ অৱসৰৰ দিন ৩১ তাৰিখ কিন্তু তেওঁৰ পোষ্টত ৩০ তাৰিখেই এজনক নিযুক্তি দিছে। আগতীয়াকৈ নিযুক্তি দি ৰাখিছে। শান্তিৰ অৱসৰ লবও দিয়া নাই। আমাৰ তাৰ গোপালথান হাইস্কুলত এজন শিক্ষক ঢুকাল। মৃতদেহ চোতালত থৈ দিয়া আছে চিনাকী বন্ধু-বান্ধবে ইষ্ট-কুটুম্বে সন্মান প্রদর্শন কৰাৰ বাবে কিন্তু সিপিনে টাইপ মেচিন আনি ডিলিং এচিচটেন্ট মাতি আনি এজনক নিযুক্তি দিলেই। মৃতদেহ শ্মশানলৈ নিয়াই নাই।

ঘণ্টাৰ ভিতৰত নিযুক্তিৰ ব্যৱস্থা কৰিলে। মৃতদেহ সতকাৰ বা মৃতকৰ পৰিয়াললৈ শোক বাৰ্ত্তা জনোৱা বা মৃতকৰ কাৰণেও শোক প্ৰকাশ কৰাৰ সময় নাই। ইমান তত্তাতৈয়াকৈ নিযুক্তি দিয়ে।

মৃতদেহ চোতালতে আছে। ৰাতিপুৱা মৰিছে। গতিকে লগে লগে টাইপ মেছিন আনি নিযুক্তি দিয়াৰ ব্যৱস্থা ৰকিলে শোক প্ৰকাশ কৰাৰ কথা নাই। মানুহ এজন মৰিছে শোক প্ৰকাশ কৰিব লাগে কিন্তু পৰিয়ালৰ কোনো খবৰ নকৰে। টাইপ মেছিন যোগাৰ কৰি আনি ডিলিং এচিচটেন্টক ধৰি আনি হাইয়েষ্ট বিদাৰ যি জন আছে তেওঁক নিযুক্তি দি দিলে। মানুহ ঘৰৰ পৰিয়ালৰ এজনে মোক কৈ দুখ কৰিলে। বোলে শ্মশানলৈ নিয়া নাই চিতাত উঠাই নাই ডেদ বডি চোতালতে আছে অথচ মেচিন আৰু দিলিং এচিচটেন্ট মাতি আনি ছোৱালী এজনীক নিযুক্তি দিছে। আমাৰ শিক্ষা আয়ুক্ত আছে, আপুনি বুদ্ধিমান আৰু ভাল মানুহ। এই দুখীয়া শিক্ষক-জনৰ মৃতদেহ চোতালতে থাকিল অথচ নিযুক্তি দিছে। তেতিয়া তেখেতে পুতৌমূলক ভিত্তিত তেওঁলোকৰ ল'ৰাটোক নিযুক্তি দিছে। কিন্তু শিক্ষা জগতত কি এনে পণ্ডিত সেইজন যাক শিক্ষকৰ মৃতদেহ সংকাৰৰ আগতে ২ ঘন্টাৰ ভিতৰত নিযুক্তি দিবলগীয়া হ'ল। তেখেত নহলে শিক্ষাজগত অচল হ'লহেঁতেন নেকি? আকৌ এটা কথা এজন মানুহ ৩১ তাৰিখে অৱসৰ লব কিন্তু অৱসৰ হোৱাৰ আগতে ৩০ তাৰিখে আন এজন সেই পদত নিযুক্তি দিছে। এতিয়া ৰিটায়াৰ হোৱা মানুহজনে চাকৰিত থাকোতে কেনেকৈ অৱসৰ লয়। তেওঁ ৩০/৪০ হেজাৰ টকা দিব নোৱাৰে। মাষ্টৰ মানুহ। কিন্তু ইমান দিন কাম কৰাৰ পিছত অৱসৰ লোৱাৰ দিনাও শান্তিত যাবলৈ নিদিলে। এনেকুৱা খেলিমেলি বহুত আছে। সেই কাৰণে কৈছো এই ৩০ তাৰিখৰ ভিতৰত দিয়া নিযুক্তিবিলাক বাতিল কৰক। আৰু

যি ৰুল কৰিছে সেই ৰুলমতে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। কমিচনাৰৰপৰা বাৰে বাৰে তাঁৰ বাৰ্তা গ'ল। কিন্তু কেৰেপ নকৰে। জিলা বিষয়াই নেমানে। ইয়াত ডি এচ ই বুলি এজন আছে। তাত কোনো মা-বাপ নাই। পদ ওলাল কোনোবা স্কুলত, নিযুক্তি দিলে কোনোবা স্কুলত। নীতি-নিয়ম সকলো উলংঘা কৰিছে। নলবাৰীত এজন কটন কলেজৰ প্ৰফেচাৰ আছে। কংগ্ৰেছ (ই) জেনেৰেল চেক্ৰেটাৰী পিষ্টল দেখুৱাই লৈ গৈছে। পিষ্টল লৈ স্কুল পৰিদৰ্শকক কাবু কৰি নিযুক্তি পত্ৰ উলিয়াই লৈছে। এইবিলাক ক্ষেত্ৰত আপোনাৰ পৰা কলিং বিচাৰিছোঁ। পিছত কমিটি বিচাফুল হ'ল। তাৰ পিছত নলবাৰীত নিযুক্ত হ'ল এজন স্কুল ইন্সপেক্টৰ সংস্কৃত পণ্ডিত। তেওঁক নি বঙিয়াত থৈ দিছে। তেওঁক কলে আপুনি নিছিলিৰ ইয়াত থাকক। টাইপ মেচিন এচিচটেন্ট সকলো আনিলে। তাৰ পৰা নিযুক্তি দি থাকক। কমিচনাৰক খবৰ দিয়া হ'ল। সেইবিলাক পাই তেওঁক চাচপেন কৰিলে। কাৰণ বহুতো নিযুক্তি দিছে। এনেয়ে দিছে নিয়ম-নীতি নাই। মোৰ ওচৰলৈ নিযুক্তি পোৱা এজন আহিছিল। তেওঁক সুধিলো। কিবা দিলে নে নাই তেওঁ কলে নিম্নতম ৩৫ আৰু উৰ্দ্ধতম ৪৫ হেজাৰ দিছো। কিন্তু এতিয়ালৈ মূলেই উঠা নাই। কাৰণ দৰ্মহাই পোৱা নাই। তাৰ পিছত স্কুল ইন্সপেক্টৰ চাচপেন হ'ল। মোৰ সমষ্টিৰ মানুহ। মোক আহি ধৰিলে। মই কমিচনাৰক কলো। মানুহজন ব্ৰাহ্মণ মানুহ কিবা কৰিব লাগে। বঙিয়াত এনেদৰে নিযুক্তি দিছিল। নিয়ম-নীতি মনা নাছিল। ভৱিষ্যতে আৰু এইবিলাক নকৰে। এই বুলি কৈ কমিচনাৰে কোনো ৰকমে চাকৰিটো ৰাখিলে আৰু শিক্ষা আয়ুক্তই বদলি কৰি ৰঙাইগাওঁলৈ পঠিয়ালে। গৈ পালে চন্দন চৰকাৰক। তাত আকৌ একচেচ। আকৌ চাচপেন হ'ল। পুনৰ মোৰ ওচৰলৈ আহিল। মোক কমিচনাৰক কবলৈ কলে। আকৌ মই কমিচনাৰৰ ওচৰলৈ কেনেকৈ যাও।

আকৌ মই কলে আপুনি কিয় দুই নম্বৰি কাম কৰিছে বুলি কব। ভাবুকি দিছে, জীৱনৰ আশংকা আছে বুলি কৈছে। অসমৰ চাৰিও-ফালে এনেকুৱা গোলমাল হৈছে। নলবাৰীত দেখিছো স্কুল পৰি-দর্শকক উঠাই নিছে। নিয়ম-নীতি নোহোৱাকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে। অসমৰ চাৰিওফালে এই নিযুক্তি ততালিকে বন্ধ কৰক।

(কণ্ঠস্বৰ চুইচাইড কৰিছিল)

আপোনালোকে নিযুক্তি দিয়াবিলাক চুইচাইড কৰিছিল। আপোনা-লোকৰ দিনতে চুইচাইড কৰিছিল। এতিয়াৰ কথা নহয়। এই গোটেইবিলাক নিযুক্তি বাতিল কৰক। এই শেষ বিধান সভা। গতিকে আপোনালোকে সাহস কৰি এই গোটেইবিলাক বাতিল কৰক। ৰায় দিয়ক।

★শ্রীহেম প্রকাশ নাৰায়ণ (মন্ত্রী) : মাননীয় সদস্য ড: জয় নাথ শৰ্মা আৰু শ্রীচন্দ্রমোহন ডাওৰীয়াই শূন্য কালত উত্থাপন কৰা এই বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে। এই সন্দর্ভত কব বিচাৰিছোঁ। তেখেতসকলে শিক্ষা জগতৰ বহু কথাই কৈছে। যি কি নহওক, মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া 'প্রতিদিন' কাকতত যোৱা ২৬ ফেব্রুৱাৰী ১৯৯৬ চনৰ সংখ্যাত প্রকাশিত নিজে শিকিবলৈ বাকী থকাজনক ল'ৰা-ছোৱালীক শিকোৱাৰ দায়িত্ব শীর্ষক বাতৰিটোৰ প্রতি চৰকাৰৰ দৃষ্টি-গোচৰ হৈছে।

এই সন্দর্ভত উল্লেখ কৰা হ'ল যে সহ শিক্ষকৰ নিযুক্তিৰ বাবে নিম্নতম অর্হতা স্নাতক ডিগ্রীৰ প্রয়োজন। বাতৰিত উল্লেখিত প্রার্থী-সকলৰ অর্হতা স্নাতক ডিগ্রী, গতিকে প্রার্থীগৰাকীক সম্পূর্ণ অস্থায়ী ভিত্তিত ৪ (চাৰি) মাহৰ বাবে তদর্থ নিযুক্তি দিয়া কথাটো সঁচা। ১৯৯২ চনত প্রকাশ হোৱা সহকাৰী শিক্ষকৰ বাবে নিৰ্ব্বাচিত প্রার্থীৰ

★ Speech not Corrected

তালিকাখনৰ ম্যাদ ১১/১১/৯৪ তাৰিখে উকলি যায়। তাৰোপৰি মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৭৩৪/৯৫ তাৰিখ ১২-৭-৯৫ মৰ্মে ওপৰত উল্লেখিত তালিকাখনৰ পৰা কোনো প্ৰাৰ্থীক নিযুক্তি দিয়াটো বন্ধ কৰি দিয়ে যেয়েহে নতুন বাছনি তালিকা প্ৰকাশ নোহোৱালৈকে তদৰ্থ ভিত্তিত অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছে। বাতৰিত প্ৰকাশিত ধৰণে শ্ৰীমতী মিনু গোস্বামী পৰিদৰ্শক শ্ৰীমতী প্ৰতিমা শইকীয়া গগৈৰ নিজা মানুহ বুলি কোৱাটো সঁচা নহয়। কমলপুৰৰ ৰাইজে জিলা পৰিদৰ্শকক কেইবা ঘণ্টাও ঘেৰাও কৰি ৰখাটো সম্পূৰ্ণ ভিত্তিহীন।

★ডঃ জয়নাথ শৰ্মা : উপাধ্যক্ষ মহোদয়, যিগৰাকী শিক্ষয়িত্ৰী নিযুক্তি দিছে, তেওঁ জইনিং লেটাৰখনকে লিখিব নাজানে তেওঁ আকৌ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাব এইটো শিক্ষাৰ ক্ষেত্ৰত সচাকৈয়ে দুৰ্ভাগ্যজনক কথা হ'ব। গতিকে মই মন্ত্ৰী মহোদয়কে অনুৰোধ কৰিছো গোটেই অসময় এনে নিযুক্তিবিলাক বাতিল কৰক।

★শ্ৰীহেম প্ৰকাশ নাৰায়ণ : (মন্ত্ৰী) অধ্যক্ষ মহোদয় মোৰা ৩১ জানুৱাৰী-লৈকে নিযুক্তিৰ ক্ষেত্ৰত আগতে উল্লেখ কৰা মতে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে আদেশ যোগে উক্ত তালিকাৰ পৰা নিযুক্তি দিয়াটো বন্ধ কৰি দিয়াৰ বাবে চিলেকচন বোৰ্ডে তদৰ্থ ভিত্তিত কিছুমান নিযুক্তি দিছে। আৰু মিনু গোস্বামী বোলা ছোৱালী গৰাকী গ্ৰেজুৱেট ডিগ্ৰী আছিল সেই কাৰণে তেওঁক তদৰ্থ ভিত্তিত নিযুক্তি দিয়া হৈছিল। ৰেগুলাৰ হিচাপে দিয়া হোৱা নাই। তথাপি বাতৰি কাকতত প্ৰকাশ কৰা মতে যদি হয় সেই পৰীক্ষা কৰি ব্যৱস্থা লোৱা হ'ব। কিন্তু ৩১ জানুৱাৰীলৈকে সকলো নিযুক্তি বাতিল কৰিব পৰা নহ'ব। তাৰোপৰি এইবিলাক তদৰ্থ নিযুক্তিহে।

★ Speech not Corrected

Mr. Deputy Speaker : Now Shari Gahin Chandra Das to drow the attention of the minister food and civil. Supplies by raising the Matter Under Rule 301 of the rules of procedure and conduct of Business in Assam Legislative Assembly relating to "মূল্য বৃদ্ধি ৰোধ সম্পৰ্কে ব্যৱস্থা গ্ৰহণ।"

★শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত "মূল্য-বৃদ্ধি ৰোধ সম্পৰ্কে ব্যৱস্থা গ্ৰহণ" সম্পৰ্কত মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আলোচনা আগবঢ়াব বিচাৰিছো। বৰ্ত্তমান মূল্যবৃদ্ধিয়ে অতি সাংঘাটিক ভাৱে জনজীৱনৰ আঘাট হানিছে। মূল্যবৃদ্ধিৰ সমস্যাটো বানপানীৰ সমস্যাৰ নিচিনা এটা ৰোধ কৰিব নোৱাৰা সমস্যাৰ নিচিনা হৈছে। ইয়াক ৰোধ কৰাৰ কোনো ব্যৱস্থা চৰকাৰৰ নাই। চৰকাৰখনে দৰিদ্ৰ জনসাধাৰণলৈ দৰদ দেখুৱাই লেকচাৰৰ ফুলজাৰি মাৰিছে। দুটকা কিলোৰ চাউল দৰিদ্ৰ জন-সাধাৰণৰ মাজত বিতৰণ কৰিছে আনফালে ৬ টকা কিলোত নিমখ কিনি খাবলৈ বাধ্য কৰাইছে। আগতে ৰিটেলত চাউলৰ কিলোত ৩.৫০ টকা আছিল এতিয়া ৬.০০ টকা কৰিছে, কেৰাচিন তেল পাবলৈ নাই কিন্তু ১০/১৫ টকা দিলে কেৰাচিন পায়। মুঠতে চাৰিওফালৰ পৰা দৰিদ্ৰ জনসাধাৰণক চেপি ধৰিছে। চৰকাৰৰ পি, ডি, এচ, চিষ্টেম-টোতো চৰকাৰৰ কোনো আগ্ৰহ নাই। এই আলোচনাৰ জৰিয়তে মই চৰকাৰৰ এই বিষয়টোও দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আমাৰ চৰকাৰী কৰ্মচাৰীসকলে মাহিলি এটা দৰমহা পাই থাকে। বস্তুৰ দাম বাঢ়িলেও তেওঁলোকৰ দৰমহাও বাঢ়ি থাকে গতিকে কোনোমতে কাণে কাণ মাৰি চলি থাকিব পাৰে। কিন্তু আমাৰ দুখীয়া জনসাধাৰণে কি কৰিব, তেওঁলোকৰটো আয় নাবাঢ়ে। তেওঁলোক শোষণ হৈ গৈ

★ Speech not Corrected

আছে। বাচ ভাৰাৰ ক্ষেত্ৰতো একো অৱস্থা নগাঁৱৰপৰা গুৱাহাটীলৈ ১৫ টকা ভাৰা আছিল সেই ভাৰা ৬ মাহৰ ভিতৰতে ৩০ টকা হ'ল, কাৰো মাতিবলৈ সময় নাই। মুঠতে সকলো ফালৰপৰা মাত্ৰ শোষণ চলি আছে। চৰকাৰে দুটকীয়া চাউল যোগান ধৰি বাহঃ বাহঃ লৈছে। এইখিনিতে মই এটা দৃষ্টান্ত দিব খুজিছো। দুৰ্যোধনৰ লগত টক্কৰ ল'ব পৰা মানুহ কোনো নাছিল মাত্ৰ এজন মানুহ আছিল গান্ধাৰ ৰাজ। গান্ধাৰ ৰাজৰো এশ পুত্ৰ আছিল। এদিন দুৰ্য্যোধনে তেওঁ-লোকক ভোজলৈ মাতি বন্দি কৰি থলে। আৰু তেওঁলোকক এজন মানুহৰ খাদ্য ১০০ জনক খাবলৈ দিলে। তেতিয়া তেওঁলোকে ৯৯ জনে নোখোৱাকৈ থাকি এজনক খাবলৈ দিলে য'তে প্ৰতিশোধ লবলৈ এজন বাকী থাকে। সেই বাকী থকা জনেই আছিল শকুনি। তেওঁ অলপ বুধিয়ক আছিল বাবে তেওঁকে জীয়াই ৰাখিলে। আমাৰ চৰকাৰৰ দুটকীয়া চাউল বিতৰণৰ ব্যৱস্থাটোৰ ক্ষেত্ৰটো তেনেকুৱাই হৈছে। এটা পৰিয়ালক এমাহত ১৬ কেজি চাউল দিয়ে। এটা পৰিয়ালত যদি ৮ জন মানুহ থাকে তাৰ এজন মানুহে খাব পাৰিব বাকী কেইজনে খাবলৈ নাপাব। দুৰ্য্যোধনে গান্ধাৰ ৰাজৰ ৯৯ পুত্ৰক মৰাৰ দৰে আমাৰ চৰকাৰেও আমাৰ দুখীয়া ৰাইজক মাৰিব খুজিছে।

উপাধ্যক্ষ মহোদয়, এজন মানুহক কেৱল এপোৱা চাউলেৰেই সাজটো নেযায় তাৰ লগত লাগিব দাইল, নিমখ, তেল ইত্যাদি কিন্তু আজি আমাৰ কৃষকসকলে মূল্যবৃদ্ধিৰ বাবে সেইবোৰ বস্তু কিনিব নোৱাৰে। সেয়ে মই কৈছো যে দুই টকা কিলোৰ চাউল নিদি চৰকাৰে চাউলৰ দাম অপেন মাৰ্কেটত ৫ টকা বান্ধি দিয়ক।

মাননীয় উপাধ্যক্ষ : আপুনি চমু কৰক।

★শ্ৰীগহীন চন্দ্ৰ দাস : ৫ টকা কিলোত সকলোকে চাউল দিব লাগে। য'তে পৰিয়ালবোৰৰ এজন বাচি থাকি বাকীবোৰ মৰা নপৰে। দুই টকা

★ Speech not Corrected

কিলোৰ চাউলে আজি প্ৰহসনহে কৰিছে সকলোকে। বজাৰত বাচ-মতি চাউলৰ দাম ৪০ টকা কিলো, কেৰাচিনৰ ১৫ টকা লিটাৰ, দাইল ২৮ টকা।

মাননীয় উপাধ্যক্ষ : আপুনি ইলাবৰেট কৰিব নালাগে, বিষয়ৰ ওপৰত চমুকৈ বক্তব্য ৰাখক।

★শ্ৰীগহীন চন্দ্ৰ দাস : মই চমু কৰিছোঁ চাৰ। মই চৰকাৰক অনুৰোধ কৰিছো, বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিছো তেখেতে যে কৈছে মূল্যবৃদ্ধি ৰোধ কৰা হব বুলি এইটো কেনেকৈ, কি ব্যৱস্থাৰ জৰিয়তে ৰোধ কৰিব সেইটো এই সদনত স্পষ্টকৈ কব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

★ডা: অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য ও যোগান মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা বিষয় উত্থাপন কৰিছে যে কেনেকৈ মূল্যবৃদ্ধি ৰোধ কৰিব পৰা যায়। সদস্য গৰাকীয়ে এই বিষয়ে কবলৈ যাওঁতে বহুখিনি কথা কৈছে যাৰ লগত মূল্যৰোধৰ কোনো সম্পৰ্ক নাই। আনহাতে দুখৰ কথা যে তেখেতে এই বিষয়ে কোনো পৰামৰ্শ আগবঢ়োৱা নাই চৰকাৰক। প্ৰত্যেকজন বিধায়কে কোনো সমস্যাৰ বিষয়ে আলোচনা কৰোতে চৰকাৰক পৰামৰ্শ আগ-বঢ়ালে চৰকাৰৰ সুবিধা হয়, কিন্তু তেখেতে মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে কোনো গাইডলাইন বা পৰামৰ্শ দিব পৰা নাই। আনহাতে তেখেতে মূল্য বৃদ্ধিৰ কথা কবলৈ যাওতে চৰকাৰে দিয়া ছুটকীয়া চাউলৰ ওপৰতহে বক্তব্য ৰাখিছে এই ছুটকীয়া চাউলৰ কথাটোৰে আমাৰ বিৰোধী দলৰ সদস্যসকলক কিয় এলাৰ্জি কৰিছে মই বুজা নাই। মই পুৰা প্ৰশ্নোত্তৰ কালত কৈছিলো যে ছুটকীয়া চাউল দিয়াৰ কাৰণে অসমৰ সকলো জন সাধাৰণ পৰোক্ষভাবে উপকৃত হৈছে। আমি ৰাজ্যৰ বাহিৰৰ পৰা ২ লাখ ৪০ হেজাৰ কুইণ্টল চাউল

★ Speech not Corrected

আনি চুটকী দৰত দুখীয়া ৰাইজক খাবলৈ দিছো। এই চাউল দিয়াৰ কাৰণে বজাৰত চাউলৰ চাহিদা কিছু কমি গৈছে আৰু মূল্য সূচী স্থিৰে আছে। অসমত চাউলৰ দাম আন বহুত ৰাজ্যতকৈ কম। পশ্চিমবঙ্গত ইয়াতকৈ প্ৰতি কিলোত ২-৩ টকা বেছি। এইটো হ'বলৈ পাইছে চুটকীয়া চাউল দিয়াৰ বাবে এইটো অৰ্থনীতিৰ কথা। আনহাতে কিছুমান বস্তুৰ দাম আমাৰ ৰাজ্যত বেছি হোৱাৰ কাৰণ হৈছে এই বস্তুবোৰ অসমৰ বাহিৰৰ পৰা আনিব লাগে। যদি বিহাৰত দাইলৰ দাম বেছি হ'য়, ইয়াতো বেছি হ'ব, পাঞ্জাবত চাউলৰ দাম বেছি হলে ইয়াতো বেছি হ'ব এইটো সকলোৰেই জনা কথা। বিৰোধী পক্ষৰ সদস্যসকলে তথা সকলো সদস্যই আমাৰ উঠি অহা যুবক সম্প্ৰদায়ক অসমত খেতি-বাতি কৰাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাব লাগে। আমি কিছু কিছু ক্ষেত্ৰত স্বনিৰ্ভৰশীল হ'বলৈ যত্ন কৰিব লাগে। বিশেষকৈ খাদ্য বস্তুৰ উৎপাদনৰ দিশত। আজি পশ্চিম বঙ্গত মিঠাতেলৰ দাম যিমান তাতকৈ অসমত কম। দিল্লীত আজি মচুৰ দাইলৰ যি দাম অসমতো সেই একেই দাম। আমাৰ ৰাজ্যখনলৈ প্ৰায় সকলো বস্তুৰেই বাহিৰৰ পৰা আহে। তথাপি আমাৰ বিভাগৰ বিষয়াসকলে বস্তুৰ মূল্যসূচী অধিক নেবাঢ়িবলৈ সচেষ্ট হৈছে যাৰ কাৰণে অন্য ৰাজ্যতকৈ আমাৰ ৰাজ্যত বস্তুৰ দাম কিছু কমি আছে।

★শ্ৰীযতীন মালি: উপাধ্যক্ষ মহোদয়, যোগান মন্ত্ৰীয়ে অনুমানতে অন্য ৰাজ্যতকৈ আমাৰ ৰাজ্যত বস্তুৰ দাম কম বুলি কব নেলাগে তেখেতে অন্য ৰাজ্যৰ লগত তুলনা কৰি বয়-বস্তুৰ দামৰ সঠিক তথ্যপাতি দিলে ভাল হয়। কিয়নো আগতে এবাৰ এই সদনতে তেখেতে এবাৰ বস্তুৰ দামৰ ভুল তথ্যপাতি দাখিল কৰিছিল। গতিকে এতিয়া অনুমানতে নকৈ তথ্যপাতিৰে বিজনি দিয়ক।

★ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (খাদ্য ও যোগান মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, মই সঁচা কথা কৈছো।

★ Speech not corrected

মাননীয় সদস্য গৰাকীয়ে নিজে ভেবিকাই কৰি চাব পাৰে, মিচা পালে মোক জগৰীয়া কৰিব।

Mr. Deputy Speaker : Now, Debates on Governor's Address Hon'ble Member Shri Mission Ranjan Das is to speak.

★শ্রীমিশন রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষনের উপর যে ধনবাদসূচক প্রস্তাব এসেছে তার বিরোধিতা করে ২/১ টি কথা বলব। রাজ্যপালের ভাষণে ক্রিমিন্যাল ইনভেস্ট্রিগেশনের কথা বলা হয়েছে। এখানে উল্লেখ করা হয়েছে যে ভেটেরিনারী বিভাগের এল ও সি কেলেংকারীর কিছু অংশ তদন্ত করছে সি বি আই এবং কিছু অংশ তদন্ত করছে এডমিনিষ্ট্রেটিভ বিভাগ। আমরা বিধান সভায় বিরোধী দলের সদস্যারা বার বার দাবী করে আসছিলাম যে ১৯৮৭ ইং থেকে ১৯৯৩ ইং পর্যন্ত যে ২০০ কোটী টাকার ভেটেরিনারী এল ও সি কেলেংকারী হয়েছে তা যেন সদন কমিটী দিয়ে তদন্ত করানো হয়। কিন্তু সরকার এটা মানে নি। আমাদের সন্দেহ হচ্ছে যে সুবিধামতো বেছে বেছে কিছু অংশ সি বি আইকে তদন্ত করতে দেওয়া হয়েছে। সুতরাং এল ও সি কেলেংকারীর যে একটা সম্পূর্ণ তদন্ত হবে— আমার বিশ্বাস নেই। আর প্রশাসনিক তদন্ত ১৯৯৩ সালে কেলেংকারী ধরা পড়েছে আর আজ ১৯৯৬ ইং পর্যন্ত তদন্তের ফলাফলের কোনও খবরেই নেই। সুতরাং বুঝা যাচ্ছে যে তদন্ত হবে। আর ভেটেরিনারী ছাড়াও আরও আটটা বিভাগে এই এল ও সি কেলেংকারী হয়েছে। সেটা সরকারও স্বীকার করছেন, অথচ এ গুলোর কোনও খবর নেই। আর রাজ্যপালের ভাষণে এই ব্যাপারে কোনও প্রতিশ্রুতি নাই।

উপাধ্যক্ষ মহোদয়, আসামের আইন শৃংখলা পরিস্থিতি অত্যন্ত খারাপ। একথা মুখ্যমন্ত্রী নিজেই স্বীকার করেছেন যে আইন শৃংখলা রক্ষার জন্য

★ Speech not Corrected

বিভিন্ন রাজ্য থেকে প্যারা মিলিটারী ফোর্স, কামাণ্ডো ইত্যাদি আনা হয়েছে। এদিকে এইসব উগ্রপন্থী কার্যকলাপ বৃদ্ধির জন্য দায়ী যে বড় কারণ সেটা হলো অবৈধ অনুপ্রবেশ। সরকার সেটা রোধ করার জন্য কোনও ব্যবস্থা নিচ্ছেন না। বর্ডার এলাকা করিমগঞ্জে পায়ই এন এস সি এন বা অন্য উগ্রপন্থী ধরা পড়ার খবর আমরা পাই। অথচ এটা রোধ করার জন্য সীমান্ত সড়ক, কাটাতারের বেড়া কিছুই সম্পূর্ণ করা হচ্ছে না। পাথারকান্দি বর্ডার রোড, কনস্ট্রাক-শন ডিভিশন পঞ্চম এবং ষষ্ঠ ফেজ এর জরীপ পর্যন্ত করেনি। আর যে কাজ হয়েছে তাও খুবই নিম্ন মানের। অনুপ্রবেশ রোধের জন্য সীমান্ত এলাকার ভোটারদের সচিত্র পরিচয় পত্র কমপ্লিট করা হয়নি। ফলে সীমান্ত এলাকায় অবাধ অবৈধ অনুপ্রবেশ সব এবং বিচ্ছিন্নতাবাদী কার্য্যকলাপ বৃদ্ধি পেয়েছে।

মহোদয়, আজ সদনে দুই টাকা দামের চালের কথা উল্লেখ করা হয়েছে। আমরা দুইটাকা দামের চাল বিতরনের বিরোধিতা করছি না। কিন্তু যাদের এই সুবিধা পাওয়া উচিত তারা পাচ্ছে কি? তাছাড়া যারা গ্রীন কার্ড পেয়েছে তারা নিয়মিত চাউল পাচ্ছে না। বাস্তব অভিজ্ঞতা থেকে বলছি যে করিমগঞ্জে ১৯৯৫ ইং থেকে কেউই পি ডি এস আইটেম পাচ্ছে না। গ্রামেও সাপ্লাই দেওয়া হচ্ছে না। এখন পর্যন্ত জানুয়ারী মাসে চাল আসেনি। কেরোচিন আসেনি। তাছাড়া এম ভি স্কুল থেকে ছাত্র-ছাত্রীরা এল পি স্কুলে চলে আসছে ফ্রী চাল পাওয়ার জন্য। এতে আরেক সমস্যার সৃষ্টি হয়েছে। সুতরাং এম ভি স্কুলকেও এর আওতায় আনতে হবে।

মহোদয়, করিমগঞ্জ জেলায় সরকারী উদ্যোগ প্রায় নেই বললেই চলে। সেই দুইটি শিল্প ছিল— ১। কাছাড় সুগার মিল এবং ২। বদরপুর টেক্সটাইল মিল— দুয়োটাই দীর্ঘদিন ধরে বন্ধ। অথচ এই-গুলো চালু করার জন্য সরকারের সিন্‌সিয়ার কোন এফোর্ট নেই।

সরকারী হোক বা বে-সরকারী হোক এ গুলো চালু করা অত্যন্ত দরকার। কাছাড় সুগার মিল যদিও বা বে-সরকারী ভাবে চালু করার একটু চেষ্টা দেখা গেছে কিন্তু বদরপুর টেক্সটাইল মিল এখনো নির্জীব পড়ে আছে। এগুলোর দিকে সরকারের কোনও নজর নাই। রাজ্যেপালের ভাষন এই বিষয়ে নীরব।

★Shri Hali Ram Terang : Mr. Deputy Speaker Sir there is not a Single Cabinet Minister in the Treasury Bench. If Chief Minister is busy otherwise, at least some senior Ministers should be present to note down the points.

Mr. Deputy Speaker : Mr. Patgiri is there.

(At this point of time Shri Silvius Condpan Minister PWD and Shri Nagen Neog, Minister Rural Development entered the Chamber.)

★শ্রীমিশন রঞ্জন দাস : মহোদয়, অনেক প্রজেক্ট সেংশন হয়েছে কিন্তু টাকাটা রেভিনিউ ডিপজিটে আটকে রাখা হয়েছে। যেমন করিমগঞ্জ ডিস্ট্রিক্ট লাইব্রেরী ভবনের শিলান্যাস করেছেন মুখ্যমন্ত্রী মহোদয়, কিন্তু কাজ আরম্ভ হয়নি। এই ভাবে ৫৬ লক্ষ টাকার করিমগঞ্জ টাউন ওয়াটার সাপ্লাই স্কীম'র মাত্র ২৩ লক্ষ টাকা রিলিজ কর হয়েছে, স্কীম বাকীটাকা রেভিনিউ ডিপজিটে আছে। আমরা লক্ষ্য করেছি যে সমস্ত স্কীম সেংশন করা হয়েছে ঐ গুলোতে কিছু অর্থ ফিলিং করে কাজ আপাততঃ সমাপ্ত করা হয়েছে। এম এল এ এরিয়া স্কীমের এডমিনিষ্ট্রেটিভ এপ্রোভেল পাওয়া গেছে— এডি সি (ডেভলপমেন্ট) সই করেছে কিন্তু ট্রেজারীতে বেন থাকায় চেক্ ছাড়ছে না। এইভাবে সব ডেভলপমেন্টের কাজ বন্ধ হয়ে আছে। এদিকে সরকারের কোনও নজর নাই।

---

★ Speech not Corrected

মহোদয়, এখানে সংখ্যা দেওয়া হয়েছে যে ২২,৪২৮, ব্রীজ পি ডব্লিউ ডি বিভাগ করেছে। কিন্তু করিমগঞ্জ জেলায় কিছু দিন আগে আনিপুর— নিবিয়া রাস্তায় একটা ব্রীজ ভেঙ্গে ৮ জন লোক মারা গেছে। এই রাস্তায় বর্ষাকালে গাড়ী চলাচল বন্ধ থাকে। রাতাবারী নির্বাচন চক্রের লাইফলাইন এই রাস্তাটী অথচ ২/৩ টি ব্রীজ এই রাস্তার অসম্পূর্ণ রয়েছে। এই ভাবে আমার নির্বাচন চক্রের লক্ষী-বাজার রোড যে রাস্তাদিয়ে কাস্টম বিভাগের কাজ কর্মে চলে। সিলেট ট্রাংক রোড দয়ে যে রাস্তার সাহায্য আমাদের দেশের লোকেরা এক্স-পোর্ট ব্যবসা করে সেই রাস্তার দুরবস্থার শেষ নাই। ইন্টার ন্যাশ-নেল বর্ডার রোডে'র ফাণ্ড থেকে টাকা দেওয়া হয়েছে রাস্তা রিপেয়ার করার জন্য কিন্তু আজ অবধি কাজ হয়নি। তাছাড়া করিমগঞ্জ—ফকিরা বাজার—নিলাম বাজার রোডে কেন্দ্রীয় সরকার টাকা দিয়েছে কিন্তু বর্ডার এরিয়া রোড ডেভলপমেন্ট কমিশন স্কীম সেংশন না করার জন্য এখনো কজে শুরু হয় নি। এছাড়াও আরও ছোট-খাটো অনেক রাস্তা রয়েছে। আমি সরকারকে অনুরোধ করব যে যেগুলি স্কীম সাবমিত করা হয়েছে এগুলো যেন কার্যকরী করার ব্যবস্থা করেন যাতে যাতায়াতের ব্যবস্থা ছাড়াও ব্যবসা বাণিজ্য যাতে বন্ধ না হয়। এই বলে আমি আমার বক্তব্য শেষ করলাম।

**Mr. Deputy Speaker :** Hon'ble Member, Shri Holiram Terrang to speak.

★**Shri Holiram Terrang :** Mr. Deputy Speaker, Sir,

As the Hon'ble Governor of Assam made a statement in the floor of the House that the law and order situation in the State has been improved, Sir, just to put on records, I would like to speak something :

★ Speech not Corrected

regarding law and order situation. Sir, the Governor, in his statement, has stated that law and order situation in the State has improved and even the Hon'ble Chief Minister of Assam, in his own submission, has acknowledged that his Govt. has been successful in many aspects to control the law and order situation. But, Sir, a few days back, one Director, Shri Bimal Bhuyan has lost his life in the hands of extremists in the heart of the city. I don't know whether the Central Govt. is aware of all these things. The Govt. has failed in all spheres. Sir, one thing is clear that Government here in Assam is not for the interest of the people, Govt. is not for the safeguard and benefits of the people. Democratic rights of the people are not there. It has created a chaotic condition and for this Chaotic condition, the party in Power, i. e. the Congress (I) is solely responsible. Sir, Hon'ble Governor in his statement, stated that there are different groups of extremists i. e. the Boro, ULFA, NSCN and so on and the Govt. is successful to control them.

My information is that he has shifted not only himself but all the members of his family shifted to Guwahati and none of the members of his family are at Haflong. He is feeling so insecured

that he has shifted all the members of his family to Guwahati. Govt. does not have the power to control the situation. They should rather absolve of this responsibility and step down from power. Sir, what I believe is that Govt. does not have the power to control the situation. There are machineries, there are Army, there are police and para Military forces but Govt. cannot control the situation. The Governor also claims that police have been successful in a lot of activities but sir in Karbi Anglong District there is one particular area called Langting where gunmen openly roaming in the market. There was a time when CRPF and Police personnel used to roam in the area. Sir, I have cited only a few examples just to put this on record. Sir, in Karbi Anglong there are some people who are in the helms of the extremists. Sir, as I have said in the beginning.

★শ্রীযতীন মালি : মাননীয় উপাধ্যক্ষ মহোদয়, কোৰণ নোহোৱাকৈ কৈ আছে এইখিনি কি হব।

Mr. Deputy Speaker : Just one minute. There is no Quoram.

( Quoram bell rang )

( and after a pause )

★Shri Holiram Terrang : I wanted to indicate in the beginning that many of the Hon'ble Members are

★ Speech not Corrected

not interested in the proceedings of the House including the Chief Minister after the declaration of the Election schedule. Now sir, I would like to switch over to Power Department. The Governor has claimed that the Power situation in the state has improved but nothing has been mentioned with regard to Karbi Langpi Project. I do not know whether the present Minister is personally responsible or the Govt. is wholly responsible for the Karbi Langpi project. There is an allegation that 2o crores of rupees have been taken out and paid to politicians. Now, I think the Govt. should clarify otherwise the people of Assam shall certainly blame the Govt. that the crores of rupees have been plundered. Now I believe that Memorandum of Understanding signed between the State Govt. and the Bharat Hydro 'Electric project has been cancelled and the Govt. has issued a notification that this project has been given to NEEPCO. The demand of the people of Karbi Anglong and the employees of the ASEB that this project should be reverted back to the ASEB.

Sir, the Governor has been compelled to read out some facts which are not true. Sir, in his speech, the Governor has said that 30 Departments have been transferred to Karbi Anglong Autonomous

District Council. Now, I challenge the Governor whether all the 30 Departments have been transferred. I challenge him and let the Chief Minister and other Ministers come out with the facts. I know there are some Departments like DRDA ,which are yet to be transferred. Sir, As per the memorandum of Understanding, the office memorandum and the, Gazette Notification, DRDA is one of the 30 Departments to be transferred to Karbi Anglong Dist. Council. But till today it has not been transferred. Then why let Governor spoke something which is not true.

Sir, as per the Memorandum of under standing with the Karbi Anglong District Council, the Government has not handed over the DRDA Department to them, although the order has been issued in this respect. This, what I am telling cannot be challenged. The Government should not have done this unfairness to the Karbi Angling District Council. The DRDA has not been given to the Project Director, Shri Bhuyan. He has been transferred as Secretary to the Council, but has not yet been allowed to join. The reason is that one Shri I. P. Bhuyan, Secretary of the Council who is an ACS officer and the Deputy Commissioner of the district, they have a tussle between them. And ulti-

mately as a result of this the DRDA office has been sealed, and it is under thc police custody now. If you want to know few instanes how the Karbi Anglong District Council is deprived of some of the shares of their works I can give many instances. It is because, you do not want to above by the Memorandum of Understanding which has been signed by the Chief Minister till recently Sir, that is why I want to challenge the Govt. of Assam whieh has been allowed to speak the untruth. Lots of hurdles have been placed there. We hailed the accord which was achieved. We hailed it because we thought that peace and prosperity will come to the hill districts of Karbi Anglong and the N. C. Hills. But Sir, these hardles are still there. These are created only by the Government of Assam. I want to put it in record. When we discussed the Memorandum of understanding, I myself congratulated the Chief Minister on that day and told to keep his words. But the Chief Minister did not keep it. Sir, the N. C. Hills is under an autonomous Council. It is being covered by the Congress (I) party, So Sir, the Govt. is willing to transfer the departments in N. C. Hills to their Council because it is the Congress (I) party who is running the administration there. The people of the N. C.

Hills District are also deprived of from many of the powers in their district. Only the Government of Assam is responsible for this. Now, about the status of the tribes living in those districts, i. e. the Koch Rajbongshis are there as the scheduled tribes. Clarifing their positions ordinances have also been passed by the Government of India on 27th January '96, giving Scheduled Tribes status to the Koch Rajbongshis. A Bill has also been passed on 29th February '96. But my information is that this Bill has not been passed by the Lok Sabha. I can be corrected. So if it is not passed in time, the ordinance is lapsed. The Koch Rajbongshis have become Scheduled tribes since the ordinance have been lapsed and when they are deprived again they have reverted back to their original position. Unfortunately, it means that the Koch Rajbongshis have become Scheduled Tribes only for 2/3 months. I may be corrected. This Bill was placed in the Parliament but it has not been passed. If the Government of Assam is sincere, why do they not do this ? Why this Bill is not passed. Why the Bodos of Karbi Anglong are also not made Scheduled tribes. It shows that the Government is not taking any steps to make the Bodos of Karbi Anglong tribal. In respect of the Koch Rajbongshis, problems might

have been there, but there are not problems so far as the Bodos are concerned. There may be some problems in respect of the Tea Garden and Ex-Tea Garden communities where survey are not done properly. The Tiwas and the Bodos, they are not tribal in the hills, but are tribals in the plains. That is why I want to question the Government. These are for records. Because, Government cannot do much now. Because Election has been announced. I hope, if there is free and fair elections, I doubt, whether this Government will come back.

The Home Minister for PWD, he is here. He might have failed in his responsibility. But Sir, I would like to dwel on only about the National Highways, and not about the State roads and bridges. This is regarding the N. H. 36 which runs from Nowgaon-Doboka and then to Dimapur. There is one road which is N. H. 39 running from Numaligarh to Kohima and them to More in Manipur linking this entire region and States which is most vital for communications. If this road is blocked there is no other road for use. But for long 15 years now this road is neglected. The condition of the road is very very bad and deplorable. If the Government does not do anything in this respect, we are contemplating to take this matter to the

Court. About the river bridge on the Longi river, it is a criminal act of the Government. If you cross by the bridge with any motor cycle it used to chake. It is a criminal negligence of the Government. It is going on for last two months and the Government is not doing anything. What is the problem of the Government to complete the National Highway 36 ? It is political. Because, we are in the Opposition. Out of this we donot want to take political benefit. If you want to construct the road, do it properly as early as possible. Sir, I want to conclude only with a few words. Sir we do not-like to take political benefits out of it. What we want is that the Government construct a road, they must do it properly. Sir, I will conclude only with these few words. Sir, the Govt. is only one particular machinery by which things can be done for the society. There are times when the Government try to evade their responsibility by saying that if the society as a whole is not developed, what can we do. That is of course true to some extent. If the social environment is not good, if the political environment is not good, then the Govt. cannot do much. But the Govt. is a powerful institution. It controls the economy, it controls the politics, it administers the state and the country, so there are things by

which they can do much. At the same time there are things by which the Govt. and undo also. So, my humble request is that the water in the society may not be very clear but please do not pollute it more. Sir, with words I canclude seeking clarification from the Govt. on the points that I have raised. Thank you, Sir.

Mr. Deputy Speaker : Hon'ble Member Jatin Mali, please.

★শ্ৰীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ১৯৯৬ চনৰ বাজেট অধিবেশনত তেখেতৰ যি অভিভাষণ এই সম্পৰ্কত যোৱা দিন কেইটাত যথেষ্টখিনি বিতৰ্ক হৈছে। সেই সম্পৰ্কত আমাৰ বিৰোধী পক্ষৰ পৰা আপত্তি আছে আৰু কব লগীয়া আছে আৰু মহামান্য ৰাজ্যপাল মহোদয়ে যি বিলাক কথা লিখিছে চৰকাৰৰ অগ্ৰগতিৰ সম্পৰ্কে তাত আমাৰ যথেষ্টখিনি কবলগীয়া আছে।

উপাধ্যক্ষ মহোদয়, প্ৰত্যেক সমাজত মানুহে ২ টাকৈ বস্তু বিচাৰে। আইন শৃংখলা নিৰাপত্তা আৰু আনটো হৈছে অৰ্থনৈতিক নিৰাপত্তা। যদি ৰাজ্যত সামাজিক নিৰাপত্তা নেথাকে, আৰ্থিক নিৰাপত্তা নেথাকে তেতিয়া হলে সমাজত সুষ্ঠভাৱে জীয়াই থকাৰ যি পৰিবেশ সেইটো আছে বুলি কব নোৱাৰি। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত বহুখিনি কথা কৈছে। শান্তি শৃংখলা ঘুৰাই অনাত মোৰ চৰকাৰে অগ্ৰাধিকাৰ দিছে। এই বাক্যটোৰ সম্পৰ্কে যদি বিশ্লেষণ কৰি চাওঁ তেতিয়া হলে কথা বিলাকৰ বিৰূপ প্ৰতিক্ৰিয়া ওলাই পৰিব।

উপাধ্যক্ষ মহোদয়, এসময়ত যেতিয়া কেন্দ্ৰত নেচনেল ফ্ৰন্ট চৰকাৰ আছিল। তেতিয়া গৃহমন্ত্ৰীৰ জীয়েকক অপহৰণ কৰি নিছিল। ২৪ ঘণ্টাৰ ভিতৰত গৃহ মন্ত্ৰীৰ জীয়েকক বিচাৰি উলিয়াই দিয়াটো গৃহ

★ Speech not Corrected

বিভাগৰ কাম আছিল। এই কথাটো ভাৰতবাসী তথা বিশ্বৰ সকলোৱে জানে। কিন্তু এতিয়া তাৰ ব্যতিক্ৰম দেখা গৈছে। ব্যতিক্ৰম কি ধৰণে ঘটিছে দেখা যায় অসম গণ পৰিষদ চৰকাৰ যেতিয়া আছিল তেতিয়া এছ, কে, এল, দাস নামৰ গুৱাহাটীৰ বিষয়া এজনক কোনোৱা সংগঠনে অপহৰণ কৰা ঘটনাক লৈ কেন্দ্ৰীয় চৰকাৰে সেই সময়ত প্ৰতি ঘন্টাৰ মূৰে মূৰে সতৰ্ক কৰি দিছিল যে যদি বিষয়া গৰাকীক উদ্ধাৰ কৰিব নোৱাৰে তেতিয়া হলে মন্ত্ৰী সভা ভংগ কৰি দিম বুলি 'হট-লাইন'ৰ জৰিয়তে নিৰ্দেশ দিছিল। মাননীয় উপাধ্যক্ষ মহোদয় আমি বেয়া পাবলগীয়া নহ'লহেঁতেন যদিহে আজিৰ মন্ত্ৰীৰ সভাই তেনে সততা দেখুৱালেহেঁতেন। এই সম্পৰ্কত মই আৰু জনাব বিচাৰিছো যে অভিশেক বাৰ্মাৰ ৮ম মান শ্ৰেণীত পঢ়ি থকা এজন ছাত্ৰক আজি এবছৰে উদ্ধাৰ কৰিব নোৱাৰিলে বা উদ্ধাৰ কৰিবলৈ কোনো চেষ্টা নকৰিলে। মই আগতে কোৱা কথাৰ লগত কোনো ধৰণৰ সংগতি আছে বুলি মই নেভাবো। ঠিক তেনেকৈ আৰু এটা কথা উল্লেখ কৰিলে ভাল হ'ব যে এগৰাকী পিতৃৰ যিমান পৰিমাণৰ দোষ থাকিব লাগিছিল উৎকণ্ঠা হ'ব লাগিছিল তেনে ধৰণৰ একো দেখা নাই। সেয়েহে আমাৰ এই সম্পৰ্কত অনুসন্ধিৎছো উৎকণ্ঠা কৰিব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে কৈছে ৰাজ্যখনত শান্তি আছে এগৰাকী মন্ত্ৰী ঘৰত থাকিব পৰা অৱস্থা হোৱা নাই। ৰচিচুল হকৰ পুত্ৰক কোনোবা সংগঠনে অপহৰণ কৰি নিলে। ৪ দিন মান আগতে এখন অসমীয়া কাকতত তেখেতৰ এখন ফটো উলিয়াইছিল। ফটোখন দেখিলে অনুভৱ কৰিব পাৰি যে ৰচিচুল হকৰ অৱস্থা কি? আৰু সেই ফটোখন যদি আন্তঃজাতিক প্ৰতিযোগিতাত পঠিওৱা হয় তেতিয়া হলে সেইখন ফটোৱেই ১ নম্বৰত স্থান পাব। মুখ্যমন্ত্ৰীৰ এই কেইদিন মুখত অলপো টেনচন নাই। অপহৰণ, হত্যা, লুণ্ঠন, গুলীয়া গুলী, বোমা বিস্ফোৰণ এই বিলাকে তেওঁলোকৰ মতে মনত

টেনচন কিয়েট কৰা নাই। মই ভাবো তেওঁলোক চিৰিয়াচ নহয় বাবেই টেনচন কিয়েট কৰিব পৰা নাই। এনেকৈয়ে ৰাজ্যখনত সমস্যা সমাধান হ'ব বুলি নেভাবো। কৰিমগঞ্জত বিষ্ণুপৰীয়া সকলৰ ওপৰত অত্যাচাৰ, ঘৰাপাৰা লামডিংত হত্যা, কোকৰাঝাৰৰ বহুতো মানুহ মৰিছে কিন্তু তেওঁলোক প্ৰতিক্ৰিয়া মুখত দেখা নেযায়। সেই কাৰণেই মই কব খুজিছো এই সম্পৰ্কত যিবিলাক উগ্ৰপন্থী আছে তেওঁলোকৰ লগত চৰ্তহীনভাৱে আলোচনা কৰিব লাগে।

আজি চালফা সংগঠনৰ ব্যক্তিসকলে মানুহৰ মাজত যিটো আতংকৰ সৃষ্টি কৰিছে সেই ক্ষেত্ৰত চৰকাৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়হে কৰিছে। এইবিলাক বন্ধ কৰা বা নিয়ন্ত্ৰণ কৰা কাৰণে চৰকাৰে কোনো বাস্তৱ ব্যৱস্থা হাতত লোৱা নাই। তেওঁলোকে বেআইনীভাৱে যিবোৰ অস্ত্ৰ-শস্ত্ৰ লগত ৰাখিছে সেইবোৰ অনতিপলমে হস্তগত কৰাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয় কথাটো হৈছে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা। মই এটা কথা অতি দুখেৰে কব লগা হৈছে যে আমাৰ বৰ্ত্তমান যিগৰাকী বিত্তমন্ত্ৰী তেখেতৰ বিত্তীয় সম্পৰ্কত যিটো দখল থাকিব লাগে তাত মোৰ সন্দেহ আছে। এই ক্ষেত্ৰত প্ৰকৃত অধ্যয়ন, তথ্যপাতি সংগ্ৰহ আৰু বিশ্লেষণ কৰা প্ৰয়োজন। কিন্তু সেইবোৰৰ অভাৱত আজি ৰাজ্যখনত বিত্তীয় সংকটে এনে এটা ৰূপ পাইছে যে সেইবোৰৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। আজি বিষয়াসকলৰ টেলিফোনবিলাকৰ এচ, টি, ডি, লাইন কাটি দিয়া হৈছে। ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থাত যিটো অৱস্থা হৈছিল তেনে এটা অৱস্থা হৈছে এই ৰাজ্যখনত। চৰকাৰী কাৰ্য্যালয়বিলাকত কাগজ-কলম নোপোৱা হৈছে, কাৰ্য্যালয়বিলাকে কিবা এটা বিচাৰিলে অৰ্থৰ নাটনি হোৱাৰ কাৰণে সেইবোৰ যোগান ধৰিব পৰা নাই বুলি কয়। এই সম্পৰ্কত এটা বিস্তৃত আলোচনা হোৱা প্ৰয়োজন আছে। আমি দেখিছো যে বহুতো শিক্ষকে কেইবামাহো দৰমহা পোৱা নাই। এই

লোকসকলৰ জন জীৱনৰ ক্ষেত্ৰত মন্ত্ৰী সভা অকণো চিন্তিত হোৱা দেখা নাযায়। পঞ্চায়ত সচিবসকলক ৯০০ টকীয়া চাকৰি দিয়া হ'ল যদিও তেওঁলোকেও আজি ৮/৯ মাহে দৰমহা পোৱা নাই বুলি আন্দোলন কৰিব লগা হৈছে। ভাৰোপৰি জাগিৰোডৰ পলিষ্টাৰ কৰ্মীসকলে ১৮ মাহে দৰমহা পোৱা নাই, নাথকুচিৰ চিনটেক্স মিলৰ কৰ্মীসকলেও ১০ মাহে দৰমহা পোৱা নাই, ডেৰগাওঁৰ চুগাৰ মিলৰ কৰ্মীসকলেও এবছৰৰ অধিক কাল দৰমহা পোৱা নাই। এনে এটা অৱস্থা হোৱা সত্বেও চৰকাৰে কৈছে যে শান্তিপূৰ্ণ অৱস্থা ঘূৰি আহিছে আৰু বিত্তীয় অৱস্থা উন্নত হৈছে। আৰু এটা কথা হৈছে আন-টাইড ফাণ্ডৰ টকাৰে কৰ্মচাৰীসকলক দৰমহা দিব লগা হৈছে। ই বৰ আচৰিত কথা। ৰাজ্যখনত আজি টকা-পইচাৰ ৰুলিং হোৱা নাই। টকাবোৰ কিছুমান নিৰ্দ্দিষ্ট ব্যক্তিৰ হাতলৈ গৈছে। সেয়ে কিছুমান মানুহৰ হাতত অজস্ৰ টকা হৈছে আৰু কিছুমানে দৰিদ্ৰতাক সাৰথি লব লগা হৈছে। এম, এল, এ, সকলৰ এৰিয়া ডেভলপমেন্টৰ যিটো টকা সেইটোও ৰিলিজ কৰি দিয়া নাই। তাৰ বাহিৰেও আৰু এটা আচৰিত কথা হৈছে যে যোৱা ১৭ জানুৱাৰীত বিত্ত সচিবৰ পৰা কেইজনমান উপায়ুক্তলৈ এখন চিঠি পঠোৱা হ'ল যে ডি, আৰ, ডি, এ,ৰ যিখিনি টকা জমা আছে সেইখিনি ঘূৰাই দিয়াৰ কাৰণে। তাৰ ফলত সেই জিলা কেইখনত উন্নয়নমূলক কাম বন্ধ হৈ থাকিল। এনে এটা অৱস্থাত বিত্তমন্ত্ৰী ডাঙৰীয়াই দাবী কৰিব পাৰে নেকি যে ৰাজ্যখনত এটা সুস্থ বিত্তীয় অৱস্থা চলি আছে বুলি। এই চিঠিখনত এনে ধৰণে লিখা হৈছে Finance Department W.T. Message No. B W 6/94/194, dtd, 17th January, 1996 Kindly refer our discussion and deposit Rs. 5 crores Only under the Head "K-Deposit and (Advances (B) Deposit not bearing interest 8443

Civil Deposit by 24th January, 1996. আটাইতকৈ ডাঙৰ কথাটো হৈছে বিত্ত বিভাগৰ ওপৰত যিটো কন্ট্ৰল থাকিব লাগিছিল সেইটো নোহোৱা হৈছে। এইবোৰ কথাৰ কাৰণে চৰকাৰে সাহিত্যিক বক্তৃতা দিব নালাগে। তাৰ কাৰণে তথ্য ভিত্তিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি নতুন দিল্লীত দাইল, চাউল মিঠাতেল আদিৰ দাম কিমান, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, পশ্চিমবঙ্গ আদি ৰাজ্যসমূহত এইবোৰ বস্তুৰ দাম কিমান সেইটোৰ হিচাব লওঁক আৰু তাৰ পিচত আমাৰ ৰাজ্যৰ বস্তুৰ মূল্য সূচী চৰকাৰে এবাৰ তুলনা কৰি চাওক আৰু সেইমতে ৰাইজৰ আগত দাঙি ধৰক। তেতিয়াহে এই চৰকাৰৰ প্ৰকৃত অৱস্থাটো বুজি পোৱা হব।

উপাধ্যক্ষ মহোদয়, আৰু এটা ঘটনা হৈছে দুটকীয়া চাউল বিতৰণ। চৰকাৰে দুখীয়া লোকসকলক দুটকা দামত চাউল যোগান ধৰা ক্ষেত্ৰত আমাৰ আপত্তি কৰিবলগীয়া নাই। কিন্তু এই চাউল যিবিলাক মানুহক দিয়া হৈছে তেনেকুৱা মানুহ অসমত কিমান আছে আৰু কোনে এই চাউল পাব লাগে সেইটোহে চাব লগা বিষয় হৈ পৰিছে। আজি পলাশবাৰীত কাঠৰ মিলৰ মালিকৰ ছোৱালীৰ নামতো দুটকীয়া চাউল দিয়া হৈছে। এনে ঘটনাই এই চাউল যোগান ধৰা ক্ষেত্ৰত অসমৰ মন্ত্ৰী সভাই কেনে ধৰণে আঁচনিখন ৰূপায়িত কৰিছে আৰু সেই ক্ষেত্ৰত কি ধৰণে কৃতকাৰ্য্য হৈছে সেইটো এটা প্ৰমাণ মাত্ৰ। আজি অসম চৰকাৰে যদি অসমৰ সকলো লোককে দুটকা দামত চাউল যোগান ধৰা আঁচনি হাতত লয় তেনেহলে আমি তাক আদৰণি জনাম। কিন্তু ভাগ ভাগ কৰি যিবিলাকে তেওঁলোকক সমৰ্থন কৰে বা যিসকলে তেওঁলোকক ভোট দিব সেইসকলৰ মাজত এই আঁচনিখন কাৰ্য্যকৰী কৰিব খুজিলে প্ৰকৃত দুখীয়া লোক এই আঁচনিৰ পৰা লাভবান হব বুলি আমি কেতিয়াও বিশ্বাস কৰিব নোৱাৰো। এই চৰকাৰৰ আন এটা আঁচনি হৈছে প্ৰাথমিক স্কুলৰ

লৰা-ছোৱালীসকলৰ মাজত বিতৰণ কৰা এনাৰ্জি ফুড। এই আঁচনিৰ জৰিয়তে এটা সময়ত স্কুলৰ শিক্ষকসকলৰ মাজত এটা হুলস্থুল পৰিবেশৰ সৃষ্টি কৰিছে। তেওঁলোকে লৰা-ছোৱালীৰ খাদ্য বনোৱাৰ কাৰণে কেৰাহী, বাচন-বৰ্ত্তনকে আদি কৰি সকলোবোৰ বস্তু গোটাই মেলি লৰা-ছোৱালীক এনাৰ্জি ফুড খুৱাই থাকোতে লৰা-ছোৱালীক পঢ়াৰ সময় নাপায়। তাতোকৈ ডাঙৰ কথা হ'ল এই এনাৰ্জি ফুডৰ কাৰণে যিবোৰ খাদ্য বস্তু যোগান ধৰা হ'ল সেই খাদ্য খায় কেইবা ঠাইতো কেইবাজনো ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱাত শেষত এই আঁচনি খন সলনি কৰিবলৈ চৰকাৰে বাধ্য হ'ল। তাৰ পিছত তেওঁলোকে আঁচনি ললে প্ৰত্যেকটো লৰা-ছোৱালীকে মাহেকত ৪ কেজিকৈ চাউল যোগান ধৰাৰ বাবে। এই সম্পৃৰ্কত মই আজি আৰু বহলাই নকও। তেওঁলোকৰ এই আঁচনিখন কিমান দূৰ গতি কৰে সেইটো আমি চোৱা-চিতা কৰিছে সময়ত এই বিষয়ে কম।

মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ সম্পৰ্কত কেইটামান কথা মই আগতে কৈছিলো, বন বিভাগটো মুখ্যমন্ত্ৰী মহোদয়ে চম্ভালি আছে বিগত অধিবেশনতেই যিবিলাক কথা আমি কৈছিলো সেই কথা বিলাকৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব নিদিলে। আমি বিভিন্ন ধৰণৰ তথ্যপাতি দিয়াৰ পাছতো বন বিভাগৰ যি ১৬ জন বিষয়াক চাচপেন কৰা হৈছিল কিন্তু মাৰ্চৰ অধিবেশন শেষ হোৱাৰ পাচত এপ্ৰিল মে মাহৰ ভিতৰত যি কেইজন বিষয়া আটাইতকৈ কুখ্যাত আছিল সেই কেইজনক পুনৰ চাকৰিত বাহাল ৰাখিলে, যি কেইজন অফিচাৰৰ ওপৰত বেচি অভিযোগ আছিল সেইকেইজনক ৰি ইষ্টেত কৰিলে এই কথা অসমৰ সমগ্ৰ ৰাইজৰ ওপৰত সন্দেহৰ ঘনীভূত এতিয়াও হৈ আছে। অসম চৰকাৰৰ বন বিভাগে কিছুমান সংগঠকৰ সমৰ্থন থকা লোকক প্ৰত্যক্ষভাবে বা পৰোক্ষ ভাবে কাঠৰ পাৰমিট দিছে, এই পাৰমিট পোৱাৰ পাচত সেই লোকসকলে অবাধে

গছ কাটি আনি ট্ৰাকেৰে কঢ়িয়াই আনিছে তেওঁলোকক বাধা দিওঁতা কোনো নাই। বন বিভাগৰ ৰেঞ্জাৰ ডি, এফ, অই তেওঁলোকৰ এৰিয়াত কোনো ধৰণৰ বাধা নিদিয়ে আৰু তেওঁলোকৰ এৰিয়াৰপৰা কোনো প্ৰকাৰে সেই কাঠৰ বোজাই কৰা ট্ৰাকবিলাকক পাৰ কৰি দিয়ে। তেওঁলোকক বাধা দিওঁতা কোনো নাই কোনেও একো কৰ নোৱাৰে। সেই পাৰমিট পোৱা লোকসকলে এনেভাবে গছ-গছনি কাটি খাস্তাং কৰিলে যে অহা ১৪ মে তাৰিখে যেতিয়া নতুন চৰকাৰে দায়িত্ব লব তেতিয়া চৰকাৰে গছ ৰক্ষা কৰিব নালাগে কেবল গছৰ মুৰাবিলাকহে ৰক্ষা কৰিব লাগিব। আমাৰ পলাশবাৰী অঞ্চলৰ মিৰ্জাৰ ওচৰত থকা ৰাষ্ট্ৰীয় পথৰ কাষত জিলা কংগ্ৰেছ আইৰ সভাপতিৰ পুতেকে গছ-গছনি কাটি সম্পূৰ্ণ শেষ কৰিলে আৰু সেই কাঠবোৰ ট্ৰাকত আনি বিভিন্ন ঠাইলৈ পঠিয়াই কোটি কোটি টকা উপাৰ্জন কৰিছে অথচ আনহাতেদি সেইজন সভাপতিয়ে ইস্ত্ৰি কৰা কাপোৰ পিন্ধি আহি ৰাজহুৱা সভাত দুৰ্নীতি নিবাৰণৰ কথা কয়। যদি এই গছ কটা কথাটো অসত্য বুলি প্ৰমাণ কৰিব পাৰে তেতিয়াহলে আপোনালোকে এই বিধান সভাত মোক যি কৰিবলৈ কয় মই তাকে মানি লম আৰু যি শাস্তি দিয়ে তাকে মানি লম। আমি মানি লৈছো আজি আপোনালোকে সংখ্যাগৰিষ্ঠতা পাই ৰাজ্যখনত চৰকাৰ গঠন কৰিলে তাত আমাৰ আপত্তি কৰিবলগীয়া একো নাই কিন্তু সেই বুলি তেওঁলোকে যি ইচ্ছা তাকে কৰিব সেই অধিকাৰ ক'ত পালে? আৰু তাকে কবলৈ গলে কব আমি আইন-শৃংখলা ধ্বংস কৰিবলৈ গৈছো। সেইকাৰণে এতিয়া বহুতে কবলৈ আৰম্ভ কৰিছে অগপৰ শাসন ভাল আছিল নে এতিয়াৰ কংগ্ৰেছ আইৰ চৰকাৰ, ভাল ৰাইজে এতিয়া তুলনা কৰিবলৈ লৈছে, অহা ২৭ এপ্ৰিল তাৰিখে সেইটো সিদ্ধান্ত হব আৰু অসমৰ ৰাইজে এখন নিকা চৰকাৰ পাব আৰু শান্তিৰ পৰিবেশ এটা বিৰাজ কৰিব। দৈনিক অসমত লিখিছে

সেইবুলি আপোনালোকে জাঙুৰ খাই নুঠিব তাত যিটো অপিনিয়ন যোগ দিছে আৰু যিটো গ্ৰাফ দিছে সেইটো অসমৰ ইমূৰৰপৰা সিমূৰলৈ যিমানবিলাক বুদ্ধিজীৱি ছাত্ৰ সংগঠন আৰু অন্যান্য দিশ চাই তাত স্পষ্টকৈ দেখুৱাইছে কিন্তু সেই সম্পৰ্কত কোনেও আপত্তি কৰা নাই, অৱশ্যে তাত এটা কাউণ্টাৰ দিছে অমুক চিফ মিনিষ্টাৰ হব তমুক হব ইত্যাদি। আন্দোলনৰ সময়ৰ পৰা দৈনিক অসম কাকতে যি-বিলাক গ্ৰাফ বা তথ্যপাতি দিছিল সেইবিলাক বাস্তৱত মিলি গৈছিল আৰু ৰাইজে মানি লৈছিল। সেইকাৰণে আজিৰ এই ২১ তাৰিখৰ পৰা অহা ২৭ তাৰিখলৈকে আমি অপেক্ষা কৰিছো।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, আমাৰ সময় আছে, মই শেষ কৰাৰ আগতে কেইটা-মান কথা কব বিচাৰিছো আপোনালোকে জাঙুৰ খাই নুঠিব—অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত অসম চৰকাৰে মাজে-সময়ে কৈ থাকে আমি অসম চুক্তি ৰূপায়ণৰ কাৰণে অমুকটো কৰিছো তমুকটো কৰিছো। অসম চুক্তি কেবল প্ৰফুল্ল মহন্ত, ভৃগু ফুকন বা যতীন মালিয়ে কৰা নাই তাত স্বাক্ষৰ কৰিছিল ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীয়ে অসমৰ মুখ্য সচিব গতিকে এই চুক্তিখন উলাই কৰা বিধৰ নহয় কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰৰ অনিহাৰ নিচিনা হৈছে। আজি কৈ থাকে আই, আই, টিৰ অমুক কৰিছো, নুমলীগড় বিফাইনাৰীৰ কাৰণে অমুক কৰিছো আৰু গেছ ক্ৰেকাৰৰ ক্ষেত্ৰত তমুক কৰা হৈছে, কিন্তু প্ৰকৃত পক্ষে কি কৰিছে সেইটো ৰাইজে জানে। আচৰিত কথা এই চৰকাৰে শাসনলৈ আহিয়েই অসমৰ যি শ্বহীদ দিৱস ১০ ডিচেম্বৰ দিনটো বন্ধৰ কাৰ্য্যসূচী পালন কৰা হৈছিল সেইটো বাতিল কৰি দিলে। ৰাইজে কোনোদিনে দেখা নাই এই চৰকাৰে অসম চুক্তি ৰূপায়ণৰ বেলিকা কিবা আলোচনা বিলোচনা কৰা, তেনে নজীৰো মই কেৱল

মাজে মাজে মুখ্যমন্ত্ৰী মহোদয়ে কৈ থকা আমি শুনিবলৈ পাও কিন্তু কোনো দিনে আমি শুনা নাই যে এই অসম চুক্তি ৰূপায়ণৰ বেলিকা যি গেচ ক্ৰেকাৰ, নুমুলীগড় ৰিফাইনাৰী আই, আই, টি ইত্যাদি ডাঙৰ ডাঙৰ প্ৰোজেক্টবিলাকৰ কথা অসম গণ পৰিষদৰ দিনতেই আৰম্ভ হৈছিল কিন্তু সেই বিষয়ে কোনো দিনেই উল্লেখ কৰা দেখা নাই। আৰো অগপৰ দিনত যিটো অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰপৰা শতকৰা ৯০ ভাগ গ্ৰাণ্ট আৰু শতকৰা ১০ ভাগ লোণ লাভ কৰিছিল সেইটো অগপৰ দিনতেই আদায় কৰিছিল। অৱশ্যে ৰাজ্যৰ বিত্ত মন্ত্ৰীয়ে এই ক্ষেত্ৰত অলপ উন্নুকিয়াইছে, তেখেতে দিয়া বাজেট বক্তৃতা মই শুনিছো তাত ৰাজ্যখনৰ দিতীয় পৰিস্থিতিৰ ইঙ্গিত দিছে আৰু তাত কৈছে এই ৯০ শতাংশ আৰু ১০ শতাংশৰ যিটো বেনিফিট সেইটোৱে যে কিছু ৰিফলেষ্ট কৰিব আৰু আৰু ৰাজ্যখনৰ বিত্তীয় অৱস্থাটোৰ কিছু উন্নতি হব আৰু ষ্টে ইকোনমিকটো ভাল হব। অন্তত অগপৰ দিনত যি কেইটা মেজৰ পদক্ষেপ লোৱা হৈছিল সেই বিষয়ে দুই এটা কথা কব লাগে। অগপৰ দিনতে লোৱা পদক্ষেপে অসমখনক যে অগ্ৰগতিৰ ফালে আগুৱাই নিব আৰু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগত ফেৰ মাৰিব পৰা হব সেই কথা নুই কৰিব নোৱাৰি। কিন্তু অসমৰ উন্নতিৰ হকে অগপই লোৱা পদক্ষেপ বিলাক তেওঁলোকৰ চকুত নপৰে আৰু পৰিলেও নকয়।

উপাধ্যক্ষ মহোদয়, আমি যদি গণ পৰিষদ চৰকাৰে নকৰিলোহেঁতেন আপোনালোকে কৰিব নোৱাৰিলেহেঁতেন। আমি অসমৰপৰা কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰীক দুবাৰ জিকাই পঠিয়াইছো। অসমৰ বাবে এইটো এটা সৌভাগ্যৰ কথা। অসমৰ এটা মৰেটৰিয়াম বিচাৰিছিলো কিন্তু নকৰিলে। এতিয়া গোটেই ৰাজ্যখনতে এটা সাংঘাটিক অৱস্থাৰ সৃষ্টি হৈছে। সেইকাৰণে মই দুখ পাইছো। উপাধ্যক্ষ মহোদয়, মই সিদিনাও গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক কৈছো

যে, ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ ১৯৯৪-৯৫ চনৰ প্লেনৰ টকা কত গ'ল ? তেতিয়া মন্ত্ৰী মহোদয়ে বাধ্য হৈ উত্তৰ দিছে। তাৰোপৰি ডি, আৰ, ডি, এৰ যিবিলাক টকা আছিল তাৰ বাবে আমি আৰৱত্তভৰন কামৰূপত বহি আলোচনা কৰিছো ৰাষ্টা-ঘাটৰ বাবে ইমান টকা আহিছে কিন্তু কাম হোৱা নাই। আমি যিবিলাক কথা ৰিপিট কৰিছো তাৰ ফেক্ট আছে। পলাশবাৰীত ১৯৯১-৯২ চনৰেপৰা ৰাষ্টাৰ ব্লেক টপিংৰ কাম হোৱা নাই। মেৰামতিৰ বাবে দিয়া টকাও প্ৰয়োগ হোৱা নাই। বিষয়াক সুধিলে কয় টকা নাই তাৰ পিচত ঠিকাদাৰে কাম নকৰে। তেনেহলে প্ৰশ্ন আহিল সেই টকা কত গ'ল। মুখ্যমন্ত্ৰীয়ে কৈছে যিবিলাক টকা দিছে তাৰ পৰা কেন্দ্ৰই কাটি ৰাখিছে বাকী অংশহে পাইছো গতিকে অসম চৰকাৰে যি অংশ টকা পাইছে তাৰ হিচাব লাগে। সেই টকা পোৱাৰ পিচতহে প্লেন কৰা হৈছে আঁচনি কৰা হৈছে। নোপোৱা টকাৰ ওপৰত আঁচনি কৰা হোৱা নাই। কাটি ৰখাৰ পিচত যি টকা পোৱা হৈছে সেই টকা জিলা আৰু চাৰি দিভিজনবিলাকত আঁচনি কৰা হৈছে। এই সম্পৰ্কত এই গৰাকী বিত্ত মন্ত্ৰীয়ে একো কোৱা নাই। সেইকাৰণে কৈছো যে ৰাষ্টা-ঘাটৰ উন্নয়ন হোৱা নাই। উপাধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ বছৰটো উন্নয়ন বৰ্ষ হিচাবে পালন কৰিছিল। পলাশবাৰী সমষ্টিত ১০ টা ৰাষ্টাৰ বাবে টকা দিছিল কিন্তু এটা ৰাষ্টাৰ কামো হোৱা নাই। আপোনালোকে উন্নয়নৰ কাম কৰা বুলি ডাঙৰ ডাঙৰ এদভাৰটাইজমেণ্ট দিছে কিন্তু কাম কৰা হোৱা নাই। এই কথা যোৱা কালিও মই উত্থাপন কৰিছো কিন্তু বিত্ত মন্ত্ৰীয়ে ভাল পোৱা নাই। টকা পইচা ভালকৈ চলালে কবলগীয়া একো নাথাকে। বাস্তবিকাকত প্ৰকাশ কৰিলে যিবিলাক দলং আৰু ৰাষ্টা-ঘাট বেয়া হৈ আছে সেইবিলাক থাৰ্ড ফেজত ১৯৯৫ চনৰ ভিতৰতে ভাল কৰিব। আনকি আধৰুৱা হৈ থকা দলং বিলাকো কৰিব পৰা নাই কল্যাণকামী ৰাষ্ট্ৰ

এখনৰ মন্ত্ৰী সভাই কৈ যাব পাৰে। ধৃতৰাষ্ট্ৰই সঞ্জয়ক সকলো কথা কৈ গৈছিল। কব লাগে টকা পোৱা হৈছিল ৰাইজৰ কামত খৰচ কৰা হল এতিয়া পইচা নাই। কিছুমান দলং কৰাৰ বাবে অফিচাৰ, ঠিকাদাৰ ইনভল্ভড্ হৈ গ'ল কিন্তু আপোনালোক মনে মনে বহি আছে যেন আপোনালোকে কৰিবলৈ কোৱা নাছিল। গতিকে যি-বিলাক ঠিকাদাৰে দলং কৰিছে সেইবিলাক ইন্সপেকচন কৰি ঠিকা-দাৰসকলৰ পইচা দিব লাগে। এই সম্পৰ্কত মই আগতেও বক্তব্য ৰাখিছো। এতিয়া যোগান বিভাগ সম্পৰ্কত কেইটামান কথা কবলৈ বিচাৰিছো। টেলিফোন কৰিলে দি, দি, এছে এতিয়াও কব যে কেৰা-চিন তেলৰ পাৰমিট দিয়াটো বন্ধ ৰখা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি পৰীক্ষা কৰক যোৱা কিমান দিনৰ পৰা বে-আইনীভাৱে কেৰাচিন তেলৰ অনুজ্ঞা পত্ৰ দি আছে। কামৰূপ জিলাৰ বাবে যিমানখিনি আবণ্টিত কেৰাচিন তেলৰ অনুজ্ঞা পত্ৰ আছিল, সেই কোটাবিলাক নি অন্য ঠাইত দিয়া হৈছে। প্ৰশাসন চলালে সঁচা কথা কব লাগে। সেই কাৰণেই দৈনিক অসম কাকতত অপিনিয়ন আপোনালোকৰ বিৰুদ্ধে গৈছে। উপাধ্যক্ষ মহোদয়, বৃদ্ধ পেন্সন সম্পৰ্কত কেইটা-মান কথা কব বিচাৰিছো। অসমৰ বুঢ়া-বুঢ়ীসকলে পেন্সনৰ টকাখিনি পায় কিন্তু আজি কেইবা মাহেও সেই পেন্সনৰ টকা পোৱা নাই। নতুন যিবিলাক এপ্ৰুভ কৰি দিয়া হৈছে সেইসকলে পেন্সনৰ টকা এতিয়াও পোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰপৰা যি টকা পাইছে সেই টকা কত গ'ল? আজি দেখা গৈছে যে ডি, আৰ, ডি, এৰ পৰা টকা আনি বেলেগত দৰমহা দিছে এইদৰে বিভিন্ন শিতানৰ টকা আন বিভাগলৈ দাইভাৰ্ট কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, সেই কাৰণে কৈছো যে প্ৰতিটো মাহতে বুঢ়া-বুঢ়ীসকলে যাতে বৃদ্ধ পেঞ্চন ঠিক সময়তে পাব তাৰ কাৰণে সংশ্লিষ্ট মন্ত্ৰীসকলে ব্যৱস্থা কৰিব লাগিছিল। এতিয়া আৰু

সময় নাই। কিন্তু যোৱা দিনবিলাকত যি কৰিছে একো ভাল কৰা নাই। উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত ৰাজ্যপাল মহোদয়ৰ ভাষণত কৈছে : "১৯৯১-৯২ চনৰ পৰা বৰ্ত্তমান পৰ্যন্ত ৰাজ্য-খনৰ ৩৮৫২ খন কাঠৰ দলং, ৬০৯৯ কিলোমিটাৰ শিল দিয়া ৰাস্তা আৰু ১৪২৫ কিলোমিটাৰ পকা ৰাস্তা মেৰামতি সম্পূৰ্ণ কৰা হৈছে। বাকী থকা অংশৰ মেৰামতিৰ কামো হাতত লোৱা হৈছে।"

আচলতে উপাধ্যক্ষ মহোদয়, অসম চৰকাৰে যদিও বক্তব্য ৰাখিছে কাৰ্য্যকৰী হোৱা বুলি কিন্তু কাম আৰম্ভ কৰিব পৰা নাই। প্ৰক্ৰিয়া এতিয়াও শেষ হোৱা নাই। আমি বিভাগৰ পৰা জনা মতে ১৯৯৭ চনৰ পৰাহে কাম কৰাৰ কথা। কাম আৰম্ভ কৰা বুলি কৈছে যে এইটোৰ লগত মই একমত নহয়। এই সম্পৰ্কত অসম চৰকাৰ চিৰিয়াচ হ'ব লাগিব। বিশ্ব বেংকৰ পৰা যি টকা দিয়ে সেই টকা ঠিক মতে কাম কৰিব লাগিব। কিয়নো বিশ্ব বেংকে দিয়া টকাৰে কৰা সাত মহলীয়া ঘৰো কাৰিকৰী বিজুতি থকা কাৰণে কাৰিকৰীভাৱে ঠিক নোহোৱা কাৰণে ভাঙি পেলোৱাৰ নজীৰ আছে। গতিকে আজি যদি চৰকাৰে বিশ্ব বেংকৰ পৰা পোৱা টকা ঠিক মতে ব্যৱহাৰ নকৰে ঠিক মতে কাম নকৰে তেনেহলে ভৱিষ্যতলৈ বিশ্ব বেংকৰ পৰা টকা পোৱা টান হ'ব। উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত যিবোৰ কথা দিয়া হৈছে সেইবিলাক অসম চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে কিন্তু গোটেই-বিলাক ঠিক তথ্য দিয়া হোৱা নাই। এতিয়া ৰাজ্যপাল মহোদয়ক জনাব লাগে যে বিধান সভাত সদস্য শ্ৰীযতীন মালিয়ে সেই ভাষণৰ কথাবিলাক ঠিক নহয় বুলি কৈছে। সেই কথাটো ৰাজ্যপাল মহোদয়ৰ দৃষ্টিগোচৰ কৰিব লাগে। ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত চৰকাৰ পক্ষৰ পৰা মাননীয় সদস্য মৌলানা আব্দুল জলিল ৰাগিবীয়ে অন্য ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি ইয়াৰ ওপৰত উত্থাপিত সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি ইয়াৰ লগতে সাংবাদিকক আক্ৰমণ

কৰা সাংবাদিকৰ নিৰাপত্তা নোহোৱা কথাও যোগ দি প্ৰতিদিনৰ সাংবাদিকক নৃশংসভাৱে আক্ৰমণ কৰা কথাৰ গৰিহণা দি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★শ্ৰীশশকমল সিন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ তাৰ ওপৰত যিটো সংশোধনী প্ৰস্তাৱ উত্থাপন হৈছে সেইটো মই সমৰ্থন কৰিছো। ৰাজ্যপালৰ ভাষণত ৰাজ্যপাল মহোদয়ে ৰাজ্যখনৰ আইন-শৃংখলাৰ দিশটো উন্নত বুলি কৃতিত্ব দাবী কৰিছে। আমি উদাহৰণ দিব বিচাৰিছো ৰাজ্যখনৰ আইন শৃংখলাৰ কেনে পৰিস্থিতি চলি আছে। প্ৰতি দিনেই হত্যা চলি আছে দিন দুপৰতে প্ৰতিনিয়ত চলি থকা হত্যাকাণ্ডই যদি আইন-শৃংখলাৰ উন্নতি আৰু শান্ত পৰিবেশ বুজায় আমি কেনেকৈ বুজিম। যিখন ৰাজ্যৰ পুলিচ বাহিনীয়ে সন্ত্ৰাসবাদ সজাই কৃষকক হত্যা কৰে, যিখন ৰাজ্যত ছাত্ৰক মিলিটাৰীয়ে সন্ত্ৰাস-বাদী বুলি হত্যা কৰে, প্ৰতিনিয়ত হত্যালীলা চলি থকা যিখন ৰাজ্যৰ মন্ত্ৰী সভাৰ সদস্য এজনৰ পুত্ৰক সন্ত্ৰাসবাদীয়ে অপহৰণ কৰি ৰাখিছে সেইখন ৰাজ্যৰ ৰাজ্যপালৰ ভাষণত শান্তি শৃংখলাৰ পৰিবেশ উন্নত আৰু শান্তিৰ পৰিবেশ অটুট আছে বুলি কৃতিত্ব দাবী কৰিলে আমি আৰু বহুলাই কি কব লাগিব। একো নকলেও সকলোৱে সকলো বুজি পাব। এইটো ৰাজ্য চৰকাৰে দুৰ্বলতা ঢাকি ৰখাৰ অপচেষ্টা মাথোন কৰিছে। সমগ্ৰ ৰাজ্যত টাডা আৰু ১৪৪ ধাৰা চলি থকা সত্বেও এ-এচ-ই-বিৰ আন্দোলন বন্ধ কৰিবলৈ গ্ৰেপ্তাৰ পৰ্য্যন্ত কৰিছে। তাৰ পিচতো স্বাভাৱিক অৱস্থা ঘূৰি আহিছে, শান্তিৰ পৰিবেশ ঘূৰি আহিছে বুলি কেনেকৈ কব পাৰিছে। যোৱা কালি নগাঁৱত এজন ছালফাক হত্যা কৰিছে। এজন আলফাক হত্যা কৰিছে। প্ৰতি দিনেই হত্যা চলি আছে। গতিকে তাৰ পিচতো ৰাজ্যত শান্তি শৃংখলাৰ পৰিস্থিতি আছে বুলি কোনোবাই ভাবিব পাৰেনে?

★ Speech not corrected

উপাধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কৃতিত্ব দাবী কৰিছে। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে অলপ দিনৰ আগতে এটা উদ্যোগ ভৱন উদ্বোধন কৰিছিল আৰু তাত কৈছিল যে আচলতে উদ্যোগৰ কোনো নীতি নাই। কোনো স্পষ্ট নীতি নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই উদ্যোগ সম্পৰ্কত যি তথ্য দাঙি ধৰিছে সেইটো সকলোৱে জানে। উদ্যোগ সম্পৰ্কত কেইটামান কথা দাঙি ধৰিব বিচাৰিছো। অশোক পেপাৰ মিল যি গ্ৰুপক দি দিয়া হ'ল। এম-ও-ইউ আদি লিখিত ৰূপত কৰিলে কিন্তু অসম চৰকাৰৰ বুজাবুজিক আওকাণ কৰি অলপতে ১৬০ জনক নিযুক্তি দিছে টেকনেচিয়ান। তাত এজনো অসমীয়া ল'ৰা নাই। অথচ অসমীয়া লোকক নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ কথা আছিল। পলিটেক্স প্ৰাইভেটাইজেশ্বন কৰিলে। পঞ্চাশ লাখ টকাৰ শিল্প এটা সাৰে তিনি লাখ টকাত দিলে। অথচ আজি কেইমাহে তাৰ শ্ৰমিক সকলোৱে দৰমহা পাব পৰা নাই। এভিয়া পলিটেক্স আৰু কাৰ্বি লাংপি এই প্ৰজেক্টবিলাক চৰকাৰে আকৌ নিজৰ হাতলৈ ঘূৰাই আনিবলগীয়া হৈছে। গেচ ক্ৰেকাৰৰ কি কৰিছে? কেন্দ্ৰীয় চৰকাৰে লেটাৰ অব ক্ৰেডিট কিয় দিয়া নাই? ৩৭০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে চাবচিডি দিছে কিন্তু কি যুক্তিত আজিলৈকে কাৰ্য্যকৰী কৰা নাই। অথচ অসম চৰকাৰে ইকুইটি চেয়াৰ লব পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ অনুদান লব, সস্তাত গেচ লব। পৃথিৱীৰ ভিতৰত সস্তাত লব। আন ঠাইত প্ৰতি ঘন মিটাৰত ১৮০০ টকাৰ ঠাইত আমাৰ ইয়াত মাত্ৰ ৬০০ টকাত দিয়াৰ কথা অথচ আমাৰ চৰকাৰে চেয়াৰ লব নোৱাৰে। সেইটোৱেই চুক্তি। অসম চৰকাৰৰ গ্ৰেজিংবিলাক আন আন ব্যক্তিগত চাহ বাগানৰ মালিক বা আন ব্যক্তিয়ে দখল কৰি আছে অথচ স্কুল ঘৰৰ কাৰণে মাটি দিবলৈ হলে নাপায়। ভূমিহীন লোকক পুনৰ সংস্থাপন কৰিবলৈ মাটি নোলায়।

আপোনাৰ সমষ্টিত টিংখং চাহ বাগানে আঢ়ৈ শ বিঘা মাটি বে-আইনীভাৱে বেদখল কৰি আছে। চাহ খেতি কৰি আছে। আৰু এঠাইত ৫৬ হেজাৰ দুশ বিঘা মাটি গোৰেংকাই চাহ খেতি কৰি আছে সেইটো বে-আইনী। চেপন মৌজাৰ দুৰ্গাপুৰ চাহ বাগানেও ২৫০ বিঘা মাটি বেদখল কৰি চাহ খেতি কৰি আছে। আমাৰ অসম চৰকাৰৰ মাটি এনেভাৱে বেআইনীভাৱে খেতি কৰি আছে। চাহ বাগানে খেতি কৰা গ্ৰেজিংৰ মাটি চৰকাৰে মুকলি কৰিব পৰা নাই। বাগানসমূহক বন্ধ কৰিব পৰা নাই। সেই মাটিৰপৰা উচ্ছেদ কৰিব পৰা নাই। কিন্তু ১৯৮৩ চনৰ বানবিধস্ত মানুহক সেই ঠাইত সংস্থাপন দিছিল। এতিয়া সেই মানুহখিনিৰ কি অৱস্থা সেইটো খবৰ কৰিবলৈ কোনো নাই। বাৰে বাৰে তিনিচুকীয়া চাৰ্কলৰ অফিচাৰে আদেশ দি আছে। মোৰ হাতত তথ্য আছে। অথচ সেই মানুহখিনিক ভূমিহীন বুলি সংস্থাপিত কৰিছিল। এতিয়া চৰকাৰে কেনেকৈ অস্বীকাৰ কৰিলে। সেই গ্ৰেজিংৰ মাটি অন্যই বেদখল কৰি আছে। তথ্য বহুতো পোৱা যাব। আমি দেখিবলৈ পাইছো ৰাজ্যপালৰ ভাষণত ধন্যবাদসূচক প্ৰস্তাৱটোৰ ওপৰত সংশোধনী প্ৰস্তাৱ উত্থাপিত হৈছে। সেই প্ৰসংগত মাননীয় সদস্য শ্ৰীযতীন মালিয়েও সত্য কথা কৈছে। বিত্তীয় নাটনি নাই বুলি মন্ত্ৰীসকলে কয়। কিন্তু দৰ্মহা দিবলৈ পৰা নাই। মই কব বিচাৰো কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত যিটো সম্পৰ্ক সেইটো পুনৰ বিন্যাস নোহোৱা পৰ্য্যন্ত এই নাটনি দূৰ নহব। ১৯৮৫ চনৰ পৰা ১৯৯৫ চনলৈকে অসমৰ পৰা কেন্দ্ৰীয় চৰকাৰে আয়কৰ, উক্ত চাইজ ডিউটি মিলাই ১ লাখ ৬৫ হেজাৰ টকা লৈ গৈছে অথচ তাৰ পৰিবৰ্ত্তে আমাৰ ৰাজ্যলৈ এই মুল টকাৰ ২.৭৮ শতাংশ দিছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষলৈ ১ লাখ ৬৫ হেজাৰ কোটি টকা আমাৰ ইয়াৰ পৰা যায়। ইয়াৰ বিপৰীতে আমি পাইছো মাত্ৰ ৪ হেজাৰ ৭ শ কোটি টকা। ফলত ৰাজ্য চৰকাৰে স্বাৱলম্বী

হবলৈ বা সম্পদ বৃদ্ধি বা বিকাশ কৰিব কেনেকৈ। কাৰণ ৰাজ্য চৰকাৰে আহৰণ কৰিবলগীয়া আৰু কি আছে। বিকাশ ক'ত হ'ব। আচলতে কেন্দ্ৰীয় চৰকাৰে আমাক লুটি আছে। আন এটা কথা হ'ল বানপানী হ'ল ডিমৌ, শিৱসাগৰ, ডিব্ৰুগড়, নাহৰকটীয়া, ধেমাজী, নলবাৰীত। কিন্তু ৰাস্তা-ঘাট মেৰামতি কৰা হ'ল সেই টকাৰে গুৱাহাটী চিটিত। বান বিধ্বস্তক দিবলগীয়া টকাৰে ৰাস্তা হয় গুৱাহাটীত। বান বিধ্বস্ত অঞ্চললৈ মেৰামতিৰ কাৰণে এই টকা আবণ্টন হয়। সেইখিনি ধৰক ৬ লাখ টকাৰ মূঠ এফ ডি আৰত আৱণ্টিত ২ লাখ গুৱাহাটীত খৰচ কৰিছে। ইয়াতে সূত্ৰপাত হয় সন্ত্ৰাসবাদৰ, সন্ত্ৰাসবাদে অসন্তুষ্টি, আকৌ খঙে সন্ত্ৰাসবাদৰ জন্ম দিয়ে। ৰাজ্যৰ ক্ষেত্ৰত যদি পুনৰ বিন্যাস কৰা নহয়, কেন্দ্ৰৰ লগত ভাল নহয়। কোনো কাম-কাজ আচলতে হৈ নুঠে। সন্ত্ৰাসবাদ চলি থাকিব। মই মাননীয় সদস্য যতীন মালিৰ লগত একমত। ৰাজ্য আৰু কেন্দ্ৰৰ মাজত সম্পৰ্ক পুনৰ বিন্যাস হলে উন্নতি আৰু শান্তি শৃংখলা অটুত থাকিব। অসমৰ যিটো অৱস্থা বস্তু-বস্তুৰ ইমান দাম আচলতে মানুহৰ অলপ লাজ থকা উচিত। যিখন ৰাজ্যই আলু উৎপাদন কৰিব নোৱাৰে উৎপাদনত স্বাৱলম্বী নহয় আমদানি কৰিব লাগে তাত হয় সস্তা আৰু য'ত উৎপন্ন হয় তাত হয় দাম বেচি। এই অৰ্থনৈতিক দিশটো আমি বুজি নাপাও। ২ শ কোটি টকাৰ খাদ্য সামগ্ৰী আমি আনি আছো। দাইল, চাউল এই সকলো বিলাক বাহিৰৰ পৰা আনিব লাগে। অথচ আমি ফুটনি মাৰি কথা কওঁ। ২৫ কোটি টকাৰ কাৰণে যিখন ৰাজ্যই মথাউৰি বান্ধিব নোৱাৰিলে, ২১ খন জিলাৰ বান বিধ্বস্ত মানুহক ৰক্ষা কৰিব নোৱাৰিলে ২১ খন জিলাত বানপানীত উটি-ভাহি যায় অথচ সেইটো বন্ধ কৰিব নোৱাৰে। ২৫ কোটি টকা খৰচ কৰি মথাউৰি বান্ধিব নোৱাৰে। সেই চৰকাৰে ১৯০ কোটি টকা খৰচ কৰি দুটকীয়া চাউল যোগান ধৰে। দুখীয়া

মানুহক চাউল দিয়ক সহায় কৰক। তাত আমাৰ আপত্তি নাই। কিন্তু মথাউৰি বান্ধিব নোৱাৰে। মানুহক বানপানীৰ পৰা ৰক্ষা কৰিব নোৱাৰে। ২৫ কোটি টকা খৰচ কৰিব নোৱাৰে চৰকাৰখনে কিহৰ কাৰণে ১৯০ কোটি টকা খৰচ কৰি ২ টকীয়া চাউলৰ আঁচনি লৈছে। বুজিবলৈ বাকী নাই। ৰাস্তা নাই দলং নাই মেৰামতিৰ পইচা নাই। যোগাযোগ বিচ্ছিন্ন হৈ গৈছে। বান বিধস্ত ধেমাজিৰপৰা অসম মেডিকেল কলেজলৈ যাবলৈ কেই কিলোমিটাৰ বাট যাব লাগিব সেই কথা চাইছে নে? দলং, ৰাস্তা, মথাউৰি, স্কুলত সকলোতে দিবলৈ পইচা নাই। কাগজ কিনিবলৈ পইচা নাই। অথচ সেইখন চৰকাৰে ১৯০ কোটি টকা খৰচ কৰি দুটকীয়া চাউলৰ যোগান ধৰে। আৰু হেলিকেপ্তাৰত উঠি বিলাসিতা কৰিছে। সন্ত্ৰাসবাদৰ জন্ম এনেকৈয়ে হয়। আলফাৰ ল'ৰা কেইটা বা বড়ো ল'ৰা কেইটাৰ খং উঠিব কিয়। সিহঁত ডেকা ল'ৰা। মই সিহঁতক সমৰ্থন নকৰিব পাৰো কথাটো সত্য। কেন্দ্ৰ ৰাজ্যৰ লগত আছে আৰু ৰাজধানী ৰাজ্যখনৰ লগত আছে। গতিকে সন্ত্ৰাসবাদৰ জন্ম নহব কিয়?

যিখন চৰকাৰে দলং মেৰামতি কৰিব পৰা নাই মথাউৰি মেৰামতি কৰিব পৰা নাই, সেইখন চৰকাৰে দুটকীয়া চাউলৰ নামত ১৯০ কোটি টকা খৰচ কৰিছে। হেলিকেপ্তাৰ কিনিছে। এইবিলাক কাৰণতেই মানুহৰ মনত বিচ্ছিন্নতাবাদৰ চিন্তা আহিব ধৰিছে। এইবিলাক কাৰণতেই আমাৰ লৰাবিলাকে কেন্দ্ৰক গালি পাৰে। গতিকে এখন চৰকাৰৰ এইবিলাক দৃষ্টিভংগী থকা ভাল যাতে দেশত বিচ্ছিন্নতা ভাৱ গঢ়ি উঠাৰ পৰিবেশ সৃষ্টি নহয়। আজি ৩৭০ কোটি টকা ব্যয় কৰি মিলিটেৰি পুহিছে। এই ৩৭০ কোটি টকা মিলিটেৰিত খৰচ কৰাৰ কি দৰকাৰ, যদি সকলোতে সমবিতৰেণেৰে পৰিস্থিতি সুস্থিৰে ৰাখিব পাৰে। এই কথাখিনিকেই কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker** : Now Mr. Chandan Kumar Sarkar.

★**শ্ৰীচন্দন কুমাৰ চৰকাৰ** : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ৰাগিনী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই কবলৈ ওলাইছো। আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত গোটেইখিনি কথাই উল্লেখ কৰিছে। মই প্ৰথমতে আইন শৃংখলাৰ কথাই তুৰাষাৰ মান কৰ বিচাৰিছো, ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে এ, জি, পি, চৰকাৰ আছিল, সেই সময়ছোৱাত কি কি ঘটনা ঘটিছিল সকলোৱে জানে আৰু উপাধ্যক্ষ মহোদয় আপুনিও জানে। গতিকে তেখেতসকলে আমাৰ চৰকাৰৰ বিৰুদ্ধে যিখিনি কথা কৈছে তাৰ কোনো তত্ত্ব নাই। এ,জি,পি, শাসন কালত আমাৰ প্ৰফুল্ল মহন্ত চাহাব মুখ্যমন্ত্ৰী আছিল আৰু আমাৰ ভৃগু ফুকন চাহাব গৃহমন্ত্ৰী আছিল, সেই সময়ত বৰপেটা ৰোডত আমাৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে মিটিং কৰিবলৈ যাওঁতে এজিপিৰ কিছুমান মানুহে আছুৰ ক'ৰাই আৰু আফফাৰ ল'বাই সেই মিটিংৰ 'দাইচ' খনকে উঠাই দিছিল। কিন্তু আমাৰ চৰকাৰৰ দিনটো তেনে ঘটনা ঘটা নাই। তেখেতসকলে সকলোতে শান্তিপূৰ্ণভাৱে মিটিং কৰি ফুৰিছে। এ,জি,পি, চৰকাৰৰ দিনত ২৬০ টা পুলিচ মিলিটেৰীৰ কোম্পানী আছিল, কিন্তু আমাৰ চৰকাৰৰ দিনত মাত্ৰ ৬০ টা কোম্পানী আছে আৰু এই ৬০ টা কোম্পানীৰে সকলোকে নিৰাপত্তা দিব পাৰিছে, গতিকে তাৰ বাবে আপোনালোকে আমাৰ চৰকাৰক ধন্যবাদহে দিব লাগিছিল। এইখিনিতে মই এটা কথা কব খুজিছিলো— আমাৰ আবুৱে আমাক কৈছিল যে মোক যদি বুজাব পাৰ মই তইঁতক— দিম। আমি তেওঁক ইমান বুজাবলৈ চেষ্টা কৰো কিন্তু তেওঁ নুবুজে। আমি ৩+১=৪ কলে তেখেতে ৩+১=৫ বুলি কয় মানে ইচ্ছা কৰি নুবুজে। ঠিক তেনেদৰে আমাৰ বিৰোধী দলৰ

★ Speech not Corrected

সদস্যসকলে জানে, তেওঁলোকে দেখি আছে যে ভাল কাম হৈ আছে। কিন্তু ৰাজনৈতিক উদ্দেশ্যৰ কাৰণে তেওঁলোকে কাম নাই কৰা বুলি কব লগা হৈছে। ১৯৮৫ চনৰপৰা ১৯৯০ চনৰ ভিতৰত অসমৰ ৰাস্তা বিলাকৰ অৱস্থা কি আছিল সকলোৱে দেখিছে। সেই ৰাস্তাৰে বাচত গলে মানুহে কান্দিব লগা হয়। কিন্তু আমাৰ চৰকাৰে বহুখিনি ৰাস্তা ভাল কৰি পেলাইছে। আমাৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে অসমৰ শাসনভাৰ লওঁতে পাইছিল মাত্ৰ এটা কণী তাৰো মাজত কুহুম নাছিল। কুহুমটো তেওঁলোকে খাই থৈ গৈছিল। ৪৫০০ কোটি টকা ঋণ আছিল। গোটেই ঋণ পৰিশোধ কৰি গোটেই ৰাজ্যৰ সকলো ফালে উন্নতি কৰাৰ পিচত ৰাইজে ধন্যবাদ দিছে। কালি 'জি' টিভিত আমাৰ মুখ্যমন্ত্ৰীৰ এটা ইণ্টাৰভিউ লৈছিল। তাত অসমৰ মুখ্যমন্ত্ৰীয়ে অসমৰ গৰীব জনসাধাৰণৰ কাৰণে যিখিনি কাম কৰিছে তাৰ কাৰণে ধন্যবাদ জনাইছে। চাবিওকালৰ পৰা সকলোৱে ধন্যবাদ দিছে। এইবিলাক দেখি তেওঁলোকে ভয় পাইছে। আইন-শৃংখলাৰ ক্ষেত্ৰত পুলিচ বিভাগে দক্ষতাৰে কাম কৰি আহিছে, আমাৰ শাসক দলৰ কোনোৱে তেওঁলোকৰ ওপৰত হস্তক্ষেপ কৰা নাই, পুলিচক কোনো নিৰ্দ্দেশ দিয়া নাই। তেওঁলোকে বহুতো আতংকবাদী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এজিপিৰ দিনত তেওঁলোকৰ নিৰ্দ্দেশ মতে কাম নকৰা বাবে কেইজনমান পুলিচ বিষয়াৰ বিৰুদ্ধে কেচ পৰ্য্যন্ত দিছিল। আজি অকল পুলিচেই নহয় গোটেই প্ৰশাসনে স্বস্তিৰে কাম কৰিব পাৰিছে। দুস্কৃতিকাৰীসকলে যিবোৰ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিছিল, তেনে অস্ত্ৰ-শস্ত্ৰ আমাৰ পুলিচ বিভাগত নাছিল। কিন্তু আমাৰ চৰকাৰে এ, কে,— ৪৭ নিচিনা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ পুলিচ বিভাগক যোগান ধৰিবলৈ সক্ষম হৈছে। আমাৰ বিৰোধীৰ সদস্যসকলে আলোচনাৰ মাজেৰে আলফা সমস্যা সমাধান কৰিব লাগে বুলি চিঞৰি আছে। আমাৰ মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিবলৈ গলে

তাত তেওঁলোকে বাধাৰ সৃষ্টি কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক দায়িত্ব দিলে আলফাৰ লগত আলোচনা-বিলোচনা কৰি সমস্যাৰ সমাধান কৰিবলৈ। তাকো তেওঁলোকে নকৰিবলে কাৰণ সাহস নাই।

উপাধ্যক্ষ মহোদয়, আজি কোটি কোটি টকা ৰাজ্যখনত গ্ৰামোন্নয়ণৰ দ্বাৰা খৰচ কৰা হৈছে। অসমত এতিয়া এই চৰকাৰে ৩ টা ইয়েচক আনিছে, ভাৰতৰ আন কোনো ৰাজ্যত ইমান ব্লক নাই। ইয়েচ ব্লকে প্ৰতি ১ কোটিকৈ টকা পায়— এই টকা বিভিন্ন উন্নয়নমূলক কামত খৰচ কৰা হৈছে। আজি ৰাজ্যখনৰ শিক্ষা বিভাগটো যথেষ্ট কাম-কাজ কৰা হৈছে। এ. জি, পি চৰকাৰে এল, পি স্কুল বা অন্যান্য কাঠৰ খুটি লগাইছিল— কিন্তু আমাৰ চৰকাৰে লোহাৰ খুটি লগাইছে। আমাৰ চৰকাৰে ৰাজনীতিৰ উদ্দেশ্য লৈ এইবোৰ কাম কৰা নাই, সকলোৰে বাবে জনসাধাৰণৰ উন্নতিৰ কাৰণে কাম কৰি আহিছে। শ্ৰীমালি ডাঙৰীয়াই ঢুটকীয়া চাউলৰ কাৰ্ড এজনী ধনী ঘৰৰ মিল থকা ছোৱালীয়ে পাইছে বুলি অভিযোগ আনিছে। মই কওঁ— এই ঢুটকীয়া চাউল পোৱাৰ তালিকা আমাৰ মন্ত্ৰী বা বিধায়কে বাচনি কৰা নাই কৰিছে গণতান্ত্ৰিক ভাৱে গাওঁ পঞ্চায়তে— য'ত সকলো দলৰ লোক আছে, ৰাইজ আছে। বাচনিত কিবা ভুল হলে তাত সংসোধনৰ ব্যৱস্থা আছে এইবোৰ ৰাইজৰ প্ৰতিনিধি হিচাবে আপোনালোকৰো দায়িত্ব আছে— কেৱল চৰকাৰে খালে খালে বুলি কৈ থাকিলেই নহয়। আজি ৰাজ্যখনৰ প্ৰতিটো সমষ্টিতে বিভিন্ন উন্নয়নমূলক কাম-কাজ চলি আছে—বিৰোধী দলে একো হোৱা নাই বুলি কোৱা যুক্তি অতি ভুলুওা। এজন বিৰোধী সদস্যই এটা ৰাষ্টাৰে ঘৈণীয়েক গলে মৰি যাব বুলি কৈছে। কিন্তু কলেই নহব কিমান মানুহ সেইটো ৰাষ্টাৰে যাওতে মৰিছে জনাব লাগে। আমাৰ চৰকাৰে বিৰোধী দলৰ সদস্যৰপৰা উন্নয়নৰ চাৰ্টিফিকেট বিচৰা নাই, আমি বিচাৰিছো অসমৰ জনগণৰপৰা আৰু অহা ২৭ এপ্ৰিলত অসমৰ জনগণে আমাক

এই চাৰ্টিফিকেট দিব। আমাৰ চৰকাৰৰ, দলৰ উন্নয়নমূলক কাম-কাজ দেখি ভালেকেইজন বিৰোধী নেতা আমাৰ দললৈ আহিছে আৰু ভালেমান আহিবলৈ অপেক্ষা কৰি আছে। শ্ৰীমালি ডাঙৰীয়াইও এইবোৰ দেখি, বুজি আমাৰ দললৈ আহিলে ভাল হয়। আমাৰ চৰকাৰৰ দিনত এল, পি স্কুলৰ বিল্ডিং সজা হৈছে, দুখীয়া বোৱনীক তাঁতশাল, সূতা, তাঁতশাল ৰখাৰ চালি আদি বনাই দিছে। জে, আৰ, ওৱাই আঁচনিযোগে দুখীয়া লোকক ভালেমান থকা ঘৰ বনাই দিয়া হৈছে। বিৰোধী দলৰ বিধায়কসকলে তেখেতসকলৰ সমষ্টিবোৰ ভালদৰে ঘূৰি আহিলেই এইবোৰ কাম দেখিবলৈ পাব। চিলাই মেচিনো দিয়া হৈছে। মেচিন ৰখাৰ চালিও বনাই দিছে বিভাগে।

উপাধ্যক্ষ মহোদয়, অসম চুক্তিৰ কথা কোৱা, অসমত ৫০ লাখ ৩০ লাখ বিদেশী আছে বুলি আস্ফালন কৰা এ, জি, পিৰ নেতাসকলে এতিয়া সংখ্যালঘু প্ৰীতি দেখুৱাবলৈ লৈছে। মোৰ সমষ্টিতে বিৰোধী দলৰ দলপতিয়ে মিটিং পাতিছে সংখ্যালঘু অঞ্চলত, বিভিন্ন মুখৰোচক কথা কৈছে— কাৰণ এতিয়া তেওঁলোকৰ ওচৰলৈ ভোট বিচাৰি গৈছে। কিন্তু এই এ, জি, পি. চৰকাৰৰ দিনতে বহুতো এ, জি, পি, সমৰ্থিত আছুৰ লৰাক শ্বহীদ ঘোষণা কৰিলে, শ্বহীদৰ পৰিয়ালক টকা দিলে ৩০ হেজাৰকৈ, চাকৰি দিলে কিন্তু আমচুৰ এজন লোকক এ, জি, পি, চৰকাৰে শ্বহীদ ঘোষণা নকৰিলে, সাহায্য বা চাকৰি নিদিলে। এ, জি, পিৰ দিনত অসমৰ সংখ্যালঘুসকলক কি কৰিছিল সেই কথা সকলোৱে জানে। মোৰ সমষ্টিৰ লেংতিচিঙাত ১৯৫১ চনৰ পৰা থকা আৰু এল, পি স্কুলত শিক্ষকতা কৰা এজন সংখ্যালঘু সম্প্ৰদায়ৰ লোকক বিদেশী সজাইছিল। কিন্তু কৰ্টে তেওঁক ৰক্ষা কৰিলে (ভয়চ : অলপ লাহে লাহে কওক) এইটো মোৰ স্পীড, মোৰা ৫ বছৰে আৰু অহা ১০০ বছৰলৈ থাকিব। অসমৰ ৰাইজ আজি কংগ্ৰেছৰ লগত আছে, আমাৰ স্পীড থাকিবই। দৈনিক অসমৰ বাতৰিয়ে আমাৰ

শ্ৰীশইকীয়া ডাঙৰীয়াক মুখ্যমন্ত্ৰী নবনাই, বনাব অসমৰ বাইজে। এতিয়া সদনত বিৰোধী সদস্য শ্ৰীৰায় নাই, থকা হলে তেখেতে জানিলে- হেঁতেন শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কিমানখিনি কৰিছে। ১৯৪৭ চনৰ পিচত অভয়াপুৰীত মাত্ৰ এখন কলেজ আছিল কিন্তু এতিয়া তাত ৩ খন কলেজ হৈছে। ৭ খন হস্পিটেল হৈছে, ইয়াবে দুখন- মান অৱশ্যে শ্ৰীপাটোৱাৰী ডাঙৰীয়াৰ দিনত দিয়া। ভূপেন ৰায়ৰ সমষ্টিত ৭৫ লাখ টকা দিয়া হৈছে 'ইয়েচ' স্কীমৰ পৰা— ইয়াৰ দ্বাৰা অঞ্চলটোত যথেষ্ট উন্নয়নমূলক কাম-কাজ হৈছে— এইবোৰ চাই-মেলি তেখেঁতসকলে কথা কব লাগে। মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙ- ৰীয়াই এল, পি স্কুলৰ নিযুক্তি সম্পৰ্কত শিক্ষা বিভাগৰ আয়ুক্ত গৰাকী ব্ৰাহ্মণ আৰু ডি, ই, অ' ব্ৰাহ্মণ হোৱা কাৰণে মিলি-জুলি সুবিধা কৰা বুলি কোৱা কথাটো অত্যন্ত বেয়া কথা। ডি. পি, আই, বেয়া, অমুক বিষয়া বেয়া— এইবোৰ কোৱা অনুচিত। ডি, ই, অ' আৰু ডি, আইৰ লগত কোনো বিধায়কৰ সম্পৰ্ক নাই। শিক্ষক নিযুক্তিৰ কাৰণে এডভাইচৰী কমিটি গঠন কৰা বিষয়ে এই সদনত আলো- চনা হৈছিল। ডি, আইয়ে নিজে নিযুক্তি দিছে। আমাৰ বিৰোধী দলৰ দুই এজন নেতাৰ বিষয়ে চিঠি ওলাইছে থানাত— চাকৰি নেপাই যুৱকে চুইচাইদ কৰি নোট লিখি গৈছে— অমুকে মোৰপৰা ইমান টকা নি চাকৰি নিদিয়াত চুইচাইদ কৰিছো বুলি। এনে বহুত কথা জানো কিন্তু ইয়াত এই মাইকত এইবোৰ কথা নকওঁ। সক- লোৰে চৰিত্ৰ ঠিক থাকিব লাগে। মোৰ সমষ্টিৰ এখন মিটিঙত এজন বিধায়কে আন এজন বিধায়কক বান্দৰ বুলি কৈছে।

★ডঃ জয়নাথ শৰ্মা ঃ উপাধ্যক্ষ মহোদয়, এটা পইন্ট অব ইনফৰমেচন আছে— শ্ৰীচৰকাৰক এটা কথা জনাব খুজিছো যে আজিৰ বাতৰি কাকতত এটা খবৰ প্ৰকাশ পাইছে যে এজন বিধায়কে নিযুক্তি দিয়া ১৩৭ জন শিক্ষকক শিক্ষা আয়ুক্তই কেনচেল কৰিছে।

★ Speech not Corrected

★শ্ৰীচন্দন কুমাৰ সৰকাৰ : বাতৰি কাকতৰ কথা কিয় আনিছে, বাতৰি কাকতত বহুত কথা লিখে— কিন্তু তাত সত্যতা কিমান থাকে? আজি যদি বাতৰিত লিখে যে শ্ৰীজয়নাথ শৰ্ম্মাই তিনিগৰাকী বিয়া কৰাইছে বুলি তেন্তে সেইটো সত্য হব নেকি?

মাননীয় উপাধ্যক্ষ : আপুনি পিছত কব। এতিয়া সদন বিয়লি 4 বজালৈকে স্থগিত।

(মধ্যাহ্ন ভোজনৰ পিচত আবেলি 4-00 বজাত মাননীয় অধ্যক্ষ শ্ৰীদেবেশ চক্ৰৱৰ্ত্তী দেৱৰ সভাপতিত্বত অসম বিধান সভা পুনৰ বহে)

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীচন্দন কুমাৰ সৰকাৰে কব।

★শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ আধৰুৱা ভাষণৰ আৰম্ভ কৰি আৰু কেইটামান কথা কব বিচাৰিছো। এতিয়া কথা হ'ল যে আমাৰ বিৰোধী দলৰ বন্ধুসকলে বৰ্ত্তমানৰ চৰকাৰক সমালোচনা কৰি আহিছে। অধ্যক্ষ-মহোদয় আপুনি জানে যে এ,জি,পিৰ আমোলত ৭৫০০ জনক পুলিচত নিযুক্তি দিছিল। তেওঁলোকৰ কোনো সাক্ষাৎকাৰ হোৱা নাছিল। আনকি পুলিচ ভেৰিফিকেচনো নোহোৱাকৈ নিযুক্তি দিছিল। তেতিয়া পুলিচ বিভাগটো ভাল আছিল। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পুলিচক নিৰ্দেশ দিছে যে পপুলেচন ভিত্তিত নিয়োগ কৰিব লাগে। আৰু সাক্ষাৎকাৰ লৈহে দিয়া হৈছিল। আমাৰ কামত কোনো ভেজাল নাই। এইটো অসমৰ গোটেই ৰাইজে গম পাইছে। এতিটো কথাতে তেওঁলোকে কয়। আজি এজন কংগ্ৰেছ সভাপতিৰ কথা কৈছে। আমি বৰ দুখ পাইছো। অসত্য কথা কবলৈ লাজ লাগিব লাগে। কিন্তু তেওঁলোকে নিৰ্লজ্জ ভাৱে কৈছে। আমি কাৰো বদনাম নকৰো। মোৰ সমষ্টিটো এজন প্ৰাৰ্থী লটাৰীৰ কেলেংকাৰীত 4 বাৰ এৰেষ্ট হৈছিল। আমি কিন্তু সেই বিলাক কথা কাগজে পত্ৰই লিখা নাই। কোনোবা ৰাজনৈতিক

★ Speech not Corrected

পাৰ্টিয়ে বেয়া কাম কৰিব পাৰে কিন্তু আমাৰ পাৰ্টি তেনেকুৱা নহয়। কংগ্ৰেছ পাৰ্টি হাৰাত অশা পাৰ্টি নহয়। সময়ত ৭ শৰো অধিক কংগ্ৰেছ কৰ্মীক হত্যা বা গুলীয়াই মৰা হৈছিল সেই কংগ্ৰেছ চৰকাৰেই অসমত প্ৰতিষ্ঠা হোৱাৰ পিচত ৰাজনৈতিকভাৱে সমালোচনা কৰা হৈছে। কৃষিৰ ক্ষেত্ৰত অসম চৰকাৰে যথেষ্ঠ কাম কৰিছে। কৃষকৰ কাৰণে বিনামূলীয়া চিড বিতৰণ কৰিছে। পাৱাৰ টিলাৰ বিতৰণ কৰিছে। সেই বিলাকৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰিব পাৰিছে।

Mr. speaker : Order, Order, the replies of Hon'ble Chief Ministsr will start at 5 P.M. Now, Shri Bharat Chandra Narah is to speak.

★শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআব্দুল জলিল ৰাগিবী ডাঙৰীয়াই উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱটো মই সমৰ্থন কৰিছো। আজি ৰাজ্যপালৰ যি ভাষণ সেই ভাষণত অতিৰিক্ত একো কথা নাই। ৰাজ্যপালে যি ভাষণ দিছে সেই ভাষণত কংগ্ৰেছ আই ৰাজ্য চৰকাৰৰ যোৱা চাৰে চাৰিটা বছৰত কৰা কামৰ খতিয়ান দাঙি ধৰিছে। আৰু ৰাজ্য চৰকাৰে বিভিন্ন যিবিলাক আঁচনি লৈছিল সেইবিলাক কেনেকৈ কাৰ্য্যকৰী কৰিলে সেই বিষয়ে স্পষ্টভাৱে আছে। আপোনালোকে জানে যে এটা চৰকাৰৰ কাৰ্য্যকাল অন্ত পৰাৰ লগে লগে আৰু নিৰ্বাচন যেতিয়া সমাগত হয় তেতিয়া বিভিন্ন ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমে এটা কথা লক্ষ্য কৰে যে তেখেতসকলে নিৰ্বাচনৰ আগতে ৰাইজক কি প্ৰতিশ্ৰুতি দিছিল আৰু এই প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰিলেনে নাই। ৰাইজৰ পৰা সদায় এটা কথা শুনা যায় যে এই চৰকাৰে নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি

★ Speech not Corrected

ৰক্ষা নকৰিলে। আপুনি জানে যে জৰুৰীকালিন অৱস্থা প্ৰত্যাহাৰ কৰাৰ পিচত জনতা দল আহিছিল। দিল্লীত মোৰাৰজি দেশাই, অসমত গোলাপ বৰবৰাৰ চৰকাৰ হ'ল। তেতিয়া ৰাইজৰ মতামত আহিল যে যি প্ৰতিশ্ৰুতিত চৰকাৰ প্ৰতিষ্ঠা হ'ল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। ১৯৮৫ চনত অসম গণ পৰিষদ চৰকাৰ আহিল, শ্ৰীমহন্ত মুখ্যমন্ত্ৰী হ'ল। মই নিজেও মন্ত্ৰী আছিলো। বাতৰি কাকত বিলাকত লিখিছিল যে এ, জি পি য়ে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। আজি মাননীয় মুখ্যমন্ত্ৰী শইকীয়াদেৱৰ কাৰ্য্যকাল অন্ত পৰিবলৈ হৈছে আৰু তেখেতে ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল সেইবিলাক পূৰণ কৰা হ'ল নে নাই ৰাজ্যপালৰ ভাষণত স্পষ্টকৈ দাঙি ধৰা হৈছে। সংবাদ মাধ্যমে বাতৰি কাকতত মুখ্যমন্ত্ৰী শইকীয়াৰ বিৰুদ্ধে এটা কথাও লিখিব পৰা নাই। মুখ্যমন্ত্ৰী শইকীয়া প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে বুলি কোনো বাতৰি কাকতত প্ৰকাশ হোৱা নাই। বিৰোধী দলৰ সদস্যসকলে বিভিন্ন দিশত আলোচনা কৰিছে। কোনোৱে কব পৰা নাই যে মুখ্যমন্ত্ৰীয়ে যি প্ৰতিশ্ৰুতি দিছিল সেইটো নকৰিলে। কাৰণ শইকীয়া চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰৰ প্ৰায় দুমাহ কাল বাকী আছে, যিখিনি প্ৰতিশ্ৰুতি পুৰ্ণ কৰিবলৈ আছে সেইখিনিও নিশ্চই পুৰণ কৰিব। গণ পৰিষদ চৰকাৰৰ মই নিজে মন্ত্ৰী আছিলো, শ্ৰীমহন্ত ডাঙৰীয়া নেতা আছিল, আমাৰ চৰকাৰ ৰাইজৰ চৰকাৰ আছিল। আমাৰ চৰকাৰ মহাত্মা গান্ধীৰ আৰ্দশৰে মানি চলা চৰকাৰ আছিল। শ্ৰীশইকীয়া চৰকাৰৰ ক্ষমতালৈ অহাৰ পিচত অসমত ১২ বছৰৰ মূৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু ১৬ বছৰৰ পিচত পৌৰ সভাৰ নিৰ্বাচন হৈছে। মই গণ পৰিষদৰ মন্ত্ৰী হৈ থাকোতে কৈছিলো, তেতিয়া পঞ্চায়ত নিৰ্বাচন পাতিব পাৰিলোহেঁতেন। যি

সকলে কৰিব লাগিছিল সেইসকলে চেষ্টা কৰা নাছিল। কথাটো সৰু নহয়, ১৬ বছৰৰ পিচত শ্ৰীশইকীয়াৰ নেতৃত্বত পঞ্চায়ত আৰু পৌৰ সভাৰ নিৰ্ব্বাচন অনুষ্ঠিত হৈছে। এইটো এটা চৰকাৰৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে। ৰাইজৰ হাতত ক্ষমতা অৰ্পণ কৰিছে। কংগ্ৰেছ (আই)ৰ সভাপতি হিচাবে শ্ৰীশইকীয়াই প্ৰতিশ্ৰুতি দিছিল যে কংগ্ৰেছ ক্ষমতালৈ আহিলে ৫ বছৰৰ ভিতৰত ১০ লাখ নিবনুৱাৰ চাকৰি দিয়া হ'ব। তেতিয়া সকলোৱে ভাবিছিল যে এইটো অসম্ভৱ, সম্ভৱ নহয়। কিন্তু শ্ৰীশইকীয়া দহ লাখ দিয়া কথা আছিল যদিও ১১ লাখ দি ল এক লাখ অতিৰিক্ত দিলে। ইয়াৰ বাহিৰেও চৰকাৰে এইটো কৈছিল যে আমি কিছুমান সম্প্ৰদায়ক জনজাতিৰ মৰ্য্যাদা প্ৰদান কৰিম। কোচ, ৰাজবংশী, চুতীয়া, চাহ বাগানৰ জনজাতি মৰ্য্যাদা প্ৰদান কৰা হব। কোচ, ৰাজবংশীক মৰ্য্যাদা প্ৰদান কৰা হৈছে। এ, জি, পি, চৰকাৰৰ দিনত মই নিজে মন্ত্ৰী আছিলো, তেতিয়া এই বিষয়ে বহুত স্মাৰক পত্ৰ গ্ৰহণ কৰিছিলো শ্ৰীমহন্ত এই বিষয়ত জৰিত আছিল। আমি কিন্তু এইটো সমাধান কৰিব নোৱাৰিলো। আজি মোৰ সন্মুখতে শ্ৰীফনীভূষণ চৌধুৰী আৰু শ্ৰীভূপেন ৰয় আছে। তেওঁলোকক বহুতে প্ৰশ্ন কৰিছিল এই বিষয়ে। একো কৰিব পৰা নহ'ল। কংগ্ৰেছ (আই) চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে। শ্ৰীশইকীয়াই কৈছে যে কোচ, ৰাজবংশীসকলক মৰ্য্যাদা প্ৰদান কৰাৰ পিছত চাহ জনজাতিসকলক মৰ্য্যাদা দিয়া হব। কংগ্ৰেছ চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল তাকে ৰক্ষা কৰিছে। জনজাতিসকলক স্বায়ত্ব শাসন দিয়া কংগ্ৰেছ আই চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল, শ্ৰীশইকীয়াই আগতে কৈছে যে জনজাতিসকলক স্বায়ত্ব শাসন দিব লাগে, মোৰ বন্ধু যিসকল গণ পৰিষদৰ নেতা আছিল তেখেতসকলে ঘোষণা কৰিছিল যে জনজাতিসকলক স্বায়ত্ব শাসন দিলে অসমৰ সংস্কৃতি ৰক্ষা নহব। অসম ভাগ ভাগ হব। আজি মুখ্যমন্ত্ৰীয়ে ৰাভা, মিছিং, টিৱা আদিক

স্বায়ত্ত্ব শাসন দিছে। কাৰ্বী, ডিমাছাসকলক যিখিনি অতিৰিক্ত বিষয় সেইখিনি দিয়া হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীহলিৰাম টেৰাং ডাঙৰীয়াই কৈছে প্ৰতিশ্ৰুতি আৰু বাকী আছে। শ্ৰীপ্ৰেমসিং ব্ৰহ্ম ডাঙৰীয়াই কৈছে যে দহ কিলোমিটাৰ অন্তৰ্ভুক্ত কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে দহ কিলোমিটাৰ অঞ্চল দিয়াৰ ৰাজ্য চৰকাৰৰ কোনো বাধা নাই। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ ডিফেন্স আৰু ফৰেষ্টৰ মাজত আলোচনা হৈ আছে, কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লব। কাৰ্বীসকলক দিয়াৰ পিচত আৰু সমস্যা আছে। শ্ৰীপ্ৰেমসিং ব্ৰহ্ম, শ্ৰীচানচুঙা খুংগুৰ বসুমতাৰী, শ্ৰীজয়ন্ত ৰংপীয়ে বিবৃতি দিয়ে এইটোত বিৰোধী সদস্যসকল আনন্দত অত্যুৎসাহী হোৱা উচিত নহয়। অৰুণাচল, মেঘালয়, নাগালেণ্ড আদি ৰাজ্য কেতিয়া হল, আজিও সমস্যা সমাধান হোৱা নাই। তেওঁলোকৰ বহুত সমস্যা সমাধান হবলৈ এতিয়াও বাকী আছে। মই ভাবো যে জনজাতি-সকলক স্বায়ত্ত্ব শাসন দিয়াৰ পিচতো কিছুমান সমস্যা থাকে। এই সমস্যাবিলাক পৰ্য্যায় ক্ৰমে লাহে লাহে সমাধা হব। ৰাজ্য চৰ-কাৰে যিবিলাক প্ৰতিশ্ৰুতি দিছিল গোটেইবিলাক ৰক্ষা কৰিছে, কংগ্ৰেছ বিৰোধী ৰাজনৈতিক নেতাইও স্বীকাৰ কৰিছে। প্ৰতিশ্ৰুতি পূৰণ কৰাৰ উপৰিও আৰু কিছুমান অতিৰিক্ত কাম কৰা হৈছে। ছুটকীয়া চাউল দিয়া হৈছে যদিও এইটো কংগ্ৰেছৰ নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি নাছিল। এইটো এটা অতিৰিক্ত প্ৰতিশ্ৰুতি। যিবিলাকৰ বছৰেকীয়া আয় ৬ হেজাৰ ৫০০ টকা তেওঁলোকৰ প্ৰতি পৰিয়ালক দিয়া হৈছে। ইয়াৰ দ্বাৰা ১৫ লাখ ৬০ হেজাৰ মানুহ উপকৃত হৈছে। যিসকলৰ বছ-ৰেকীয়া আয় ১১ হেজাৰ ৫ শ টকা তেওঁলোকক কিছুমান বজাৰৰ বস্তু যেনে চাউল, মিঠাতেল আৰু পিয়াজ বজাৰ দামৰ আধাত দিয়া হব। এইটো অতিৰিক্ত ভাৱে কৰিছে। মই যেতিয়া ছাত্ৰ আছিলো জনতা পাৰ্টিত ছাত্ৰ নেতা হিচাবে জৰিত আছিলো। তেখেতসকলে

নিৰ্ব্বাচনৰ প্ৰতিশ্ৰুতি পালন কৰা নাছিল। গণ পৰিষদ চৰকাৰেও প্ৰতিশ্ৰুতি পালন কৰিব পৰা নাছিল। কিন্তু আজি কংগ্ৰেছ চৰকাৰে প্ৰতিশ্ৰুতি পালন নকৰা বুলি কব নোৱাৰে। ডঃ জয়নাথ শৰ্মা ডাঙৰীয়া মোৰ নেতা আছিল, তেখেতক শ্ৰদ্ধা কৰিছিলো আৰু এতিয়াও শ্ৰদ্ধা কৰো। তেখেতে যিটো কৈছে যে কংগ্ৰেছ আই তহাঁৰ গেলাৰীত বহিব লাগিব এইটো তেখেতৰহে মন্তব্য। ৰাইজৰ মন্তব্য নহয়। শ্ৰীশইকীয়াই যিবিলাক কাম কৰিছে সেইবিলাকলৈ চাই নিৰ্ব্বাচন পাতিবই নেলাগে, ৰাইজে ইতিমধ্যে ৰায় দি থৈছে, নিৰ্ব্বাচন এটা নিমিত্তহে মাত্ৰ। নিৰ্বাচনৰ প্ৰক্ৰিয়া সমাপন কৰাৰ কাৰণেহে নিৰ্বাচন পাতিব লাগে, এই নিৰ্ব্বাচনত কংগ্ৰেছ আইয়ে চৰকাৰ গঠন কৰিব লাগিব। কংগ্ৰেছ আই চৰকাৰ হব। আমাৰ মাননীয় দুই এজন সদস্যই বহু কথাই আলোচনা কৰিছে যদিও কংগ্ৰেছ আই চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি প্ৰতিকুল পৰিবেশৰ মাজতে পালন কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, গণ পৰিষদ চৰকাৰৰ দিনত প্ৰতিশ্ৰুতি পোৱাৰ পিচতো মহন্তই একো কৰিব নোৱাৰিলে। মই নোৱাৰিলো। প্লেনিঙৰ ৯০০ কোটিৰ কাম ২০০ কোটিত কৰিবলগীয়া হয়। ১২ শ কোটিৰটো ৩০০ ত কৰিব লাগে ১৪ শ কোটিৰ টকা ৪০০ শ কোটিত কৰিব লগীয়া হৈছে। প্লেনিঙৰ আগৰ ঋণসমূহ এদযাষ্ট কৰাৰ নামত বহুত কম পাৰচেন্টেটেজত দিয়া হৈছে। পইচা নহলে কাম কোনেও কৰিব নোৱাৰে। বৰ্ত্তমান চৰকাৰেও কৰিব নোৱাৰে। এই চৰকাৰখন জন্মতে সন্ত্ৰাসবাদৰ মাজত ডাঙৰ দীঘল হৈছে। যিটো চিভুৰেচন গোলাপ বৰবৰাৰ দিনত নাছিল, মহন্তৰ দিনত নাছিল। ইয়াৰ বাহিৰে আলোচনা কৰিলে নহব সন্ত্ৰাসবাদ আৰু আইন শৃঙ্খলা পৰিস্থিতি এই দুটা লৈহে আলোচনা কৰিব লাগিব। ২-১ জন মাননীয় সদস্যই কৈছে যে কংগ্ৰেছ আই ক্ষমতালৈ আহিলে অসমলৈ শান্তি ঘূৰাই অনা হব।

অসমত শান্তি ঘূৰাই অনাৰ কাৰণে কংগ্ৰেছ আইৰ স্পষ্ট নীতি আছিল। কংগ্ৰেছ আইয়ে সন্ত্ৰাসবাদ নিৰ্মূল কৰিব আৰু আলোচনাৰ দুৱাৰ ও খোলা ৰাখিব। সন্ত্ৰাসবাদীয়ে যদি আলোচনাত নবহে তেতিয়াও কংগ্ৰেছ আই চৰকাৰে কুণ্ঠাবোধ নকৰে। গণ পৰিষদ চৰকাৰ ক্ষমতালৈ আহিলে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম আৰু আলোচনাও কৰিম বুলি কৈছে যদিও গণ পৰিষদ চৰকাৰৰ তেনেকুৱা কোনো নীতি নাই। মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াইও নোৱাৰে। মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই কৈছে যে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিব লাগে। যদি এজন মানুহেও আলোচনাত নবহে, তেওঁলোকৰ কোনো নীতি নাই। কংগ্ৰেছ আই চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিছে আৰু যুঁজ চলাই আছে। কাশ্মীৰ, পঞ্জাৱৰ দৰে অসমতো সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ কাৰণে সমন্বৰ প্ৰয়োজন। ৫ বছৰৰ ভিতৰত কংগ্ৰেছ আই চৰকাৰ একেবাৰে ব্যৰ্থ হোৱা নাই। ৰাজ্য চৰকাৰে আপ্ৰাণ চেষ্টা চলাই আছে। ৰাজ্যখনত হত্যা অপহৰণ আদি ঘটা ঘটনাৰ বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে স্বীকাৰ কৰিছে। হত্যা, অপহৰণ আদি দৈনিক জীৱনৰ এটা অবিচ্ছেদ্য অঙ্গ হৈ পৰিছে। উত্তৰ প্ৰদেশৰ দৰে ২-১ টা অপহৰণৰ ঘটনা ঘটিছে যদিও কেন্দ্ৰীয় চৰকাৰে ৰাস্তা উলিয়াই দিব। কিন্তু গণ পৰিষদ চৰকাৰৰ তেনে কোনো স্পষ্ট নীতি নথকাৰ কাৰণে মোৰ সমষ্টিৰ ৩ কিলোমিটাৰ ৰাস্তাৰ কাম আলফাই আৰম্ভ কৰি দিলে। জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতিক মই কোনো নিৰ্দ্দেশ দিব নোৱাৰিলো। কাৰণ আমাৰ কোনো স্পষ্ট নীতি নাই। মই যেতিয়া মন্ত্ৰী আছিলো তেতিয়া ধেমাজীত আলফাই কাৰোবাক আঠু কঢ়াই থলে মই এচ, পি, আৰু ডি, চিক, কোনো নিৰ্দ্দেশ দিব নোৱাৰো। ল'ৰা বা ছোৱালীয়ে ইজনে সিজনক চিঠি দিলে ৰাজহুৱাভাৱে বিয়া পতাই দিছিল। আমি এইবোৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলো। কৰবাত কৰ

বাত নলাৰ কাম আৰম্ভ কৰিলে সকলো মানুহে কৰিব লাগিব। সেই সময়ত জিলাৰ প্ৰশাসন নিষ্ক্ৰীয় হৈ আছিল। আইন শৃঙ্খলাৰ চাবি-কাঠি তেওঁলোকৰ হাতত আছিল। কিন্তু এতিয়া আইন শৃঙ্খলা পৰিস্থিতিৰ চাবি-কাঠি সন্ত্ৰাসবাদীৰ হাতত নাই। এল, টি, টি,ৰ বিৰুদ্ধে শ্ৰীলঙ্কাই যুঁজ দিওঁতে কেতিয়াবা কৰ্ণেল, মেজৰ আদিক হেৰুৱাব লগীয়া হয়। কেতিয়াবা কেতিয়াবা চৰকাৰ পক্ষৰও অলপ ক্ষতি হয়। বৰ্ত্তমান চৰকাৰৰ স্পষ্ট নীতি আছে। কোনেও কতো বাধ্যতামূলকভাৱে বিয়া পাতি দিয়া নাই। তিনি বা চাৰিআলিত পুলিচক ধুলি মাৰি কাকো আঠু কঢ়াই থব নোৱাৰে। হয়তো ২-১ জন বন্দুকৰ গুলিত মৰিছে বা ২-১ জন অপহৰণ হৈছে। যোৱা ৪ বছৰৰ আগৰ আইন শৃঙ্খলাৰ পৰিস্থিতি আৰু এতিয়াৰ পৰিস্থিতি একে আছে বুলি কলে মই মানি লব নোৱাৰো। বৰ্ত্তমান চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিব জানে। অসম চৰকাৰৰ নীতিৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে একো জনা নাছিল। আমাৰ মাননীয় মুখ্য-মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া দেৱৰ কংগ্ৰেছ আই চৰকাৰক মই ভাবো গণ পৰিষদ দল বা আছুৱে ধন্যবাদ জনাব লাগে। অসম চুক্তিৰ যিটো দফা মহন্ত আৰু জয়নাথ শৰ্ম্মাই ৰূপায়ণ কৰিছিল সেইটো বিৰোধী বুলি কোৱা হৈছে। বৰ্ত্তমান চৰকাৰে শিলচৰ আৰু তেজ-পুৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন কৰিলে। যিটো মহন্ত আৰু জয়নাথে কৰিব নোৱাৰিলে। এতিয়া আকৌ যোগীঘোপাৰ কাগজ কল কেতিয়া আৰম্ভ কৰিব, কেতিয়া আৰম্ভ কৰিব? প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰিছে।

তাৰোপৰি আই আই টি গুৱাহাটীত হ'ব নে, চিলচৰত নে মিৰ্জাত হ'ব? সেইটোৱেই ঠিক কৰিব পৰা নাছিল। কিন্তু শইকীয়া দেৱৰ মন্ত্ৰী সভাত লগে লগে সিদ্ধান্তও হ'ল আৰু আই আই টিও পতা হ'ল। নুমলিগড় আৰু গ্ৰেছ কেকাৰৰ কাম এই মন্ত্ৰী সভাৰ

দিনতেই আৰম্ভ হ'ল। আছু আৰু এ,জি,পিৰ দাবী আছিল অসমত এটা বেল ডিভিজন হ'ব লাগে। এইটো কাৰণত মই কেইবাবাৰো আগৰ মন্ত্ৰীৰ লগত চেণ্ট্ৰেল মন্ত্ৰীক লগো ধৰিব গৈছিলো। কিন্তু সেইটোও কংগ্ৰেছ চৰকাৰেই কৰিলে। তেওঁলোকৰ আৰু এটা দাবী আছিল বঙিয়াত মিটাৰ গজৰ সলনি ব্ৰডগজ লাইন হ'ব লাগে। আৰু তাৰ বাবে চেষ্টাও কৰি আছিল। কিন্তু শইকীয়াদেৱৰ দিনতেই এই সকলোবিলাক হ'ল। কংগ্ৰেছ মন্ত্ৰী সভাৰ দিনতেই জোগীঘোপাৰ দলং সম্পূৰ্ণ হ'ল আৰু প্লেনিং কমিচনে কৈছিল যে এই দলং সম্পূৰ্ণ হোৱাৰ পাচত বগী বিলৰ দলংখন কৰা হ'ব। এই সবলোবিলাক এ,জি,পি আৰু আছুৰ দাবী আছিল। কিন্তু আমি নোৱাৰিলো। কংগ্ৰেছ চৰকাৰেই কৰিবলগীয়া হ'ল। এই ক্ষেত্ৰত এ,জি,পি বা আছুই লাজ কৰিব নালাগে। কামখিনি হোৱাৰ বাবে বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীক ধন্যবাদহে জনাব লাগে। শত্ৰু হ'লেও ভাল কাম কৰিলে ধন্যবাদ জনাব লাগে এইটোৱেই হৈছে ভদ্ৰতাৰ পৰিচায়ক। ইয়াৰ পাচত বিৰোধী দলৰ নেতা মহন্ত ডাঙৰীয়াই সদন কমিটিৰ ওপৰত যিটো জোৰ দি আছে সেইটো মই অৰ্থহীন বুলি জানো। বিধায়ক হৈ সেই দলত থাকোতেও মই এই সদন কমিটিৰ বিৰোধিতা কৰিছিলো। জয়নাথ শৰ্মা ডাঙৰীয়াই বহু কথা জানে সেয়ে তেখেতক সুধিছিলো যে সদন কমিটিৰ ওপৰত জোৰ দিয়াৰ মূল তত্বটো বুজাই দিয়ক। কিন্তু তেখেতেও মোক বুজাই দিব নোৱাৰিলে। এতিয়াও মহন্ত ডাঙৰীয়াই কৈ আছে চি, বি, আই নালাগে সদন কমিটিহে লাগে। আজি অসমত ভেটেনাৰী কেচটো প্ৰথমতেই মাননীয় মুখ্যমন্ত্ৰীয়ে সদন কমিটিক নিদি বি, বি আইক দিছে। আপোনালোকে যদি আজি অসমৰ গণ ভোট লয় যে এই কেচটো চি, বি, আইত দিব লাগে নে সদন কমিটিক দিব লাগে? মই জনাত শতকৰা ৯৫ ভাগ গণ ভোট মুখ্যমন্ত্ৰী ডাঙৰীয়াই পাব। বিহাৰত আজি কি

হৈছে সকলোৱে বিচাৰিছে চি, বি, আইত দিব লাগে বুলি কিন্তু দিয়া নাই তাৰ বাবে চুপ্ৰিম কোৰ্ট কৰিব লগা হৈছে। কোৰ্টৰ অৰ্ডাৰ পোৱাৰ পাচতো দিয়া নাই। কিন্তু আমাৰ মুখ্যমন্ত্ৰীয়ে পোনপতীয়াকৈ চি, বি, আইকেই দিছে। যিহেতু চি, বি, আই হৈছে ভাৰতৰ ভিতৰত বিশ্বাসযোগ্য তদন্তকাৰী সংস্থা। আজিও মহন্ত ডাঙৰীয়াই সদন কমিটিৰ কথা কৈছে যিটো সময়ত চি, বি, আইৰ তদন্ত পৰিসমাপ্তিৰ পথত। নিৰ্বাচনলৈ আৰু বেচি দিন নাই। সেয়ে মহন্ত ডাঙৰীয়াই আৰু প্ৰমোদ গগৈদেৱে ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো বিৰোধী প্ৰস্তাৱ দাঙি ধৰিছে সেই সূত্ৰে সমালোচনাৰ যোগেদি নিৰ্ব্বাচনি প্ৰচাৰ কাৰ্য্য কৰা যেনহে লাগিছে ? ৰাজ্যপালৰ যিটো ভাষণ তাত কোনো অতিৰঞ্জিত কথা নাই। আইন শৃঙ্খলাৰ বিষয়ত মই কব খুজিছো যে ছালফা আদিৰ বিষয়ে যিটো কৈছে, সেই বিষয়ত মই কব খুজিছো যে এই বিষয়টো লৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথমতেই বুদ্ধিজীৱিসকলৰ পৰামৰ্শ লৈছিল। সমাজৰ মূল ভেটি মনত ৰাখি পৰিয়ালৰ লʼৰা পৰিয়াললৈ ঘুৰাই অনাৰ ব্যৱস্থা কৰা হৈছিল। তেওঁলোকক ক্ষমা কৰি দিয়া হৈছিল। বিভিন্ন ৰাজনিতিকৰো পৰামৰ্শ এই ক্ষেত্ৰত লোৱা হৈছিল। সেই পৰামৰ্শ মতেই তেওঁলোকক আত্ম সমৰ্পণ কৰিবলৈ দিয়া হৈছিল। বাতৰি কাকতত ছালফাই বেয়া কাম কৰা বুলি ওলাইছে। তেওঁলোকক লগে লগে ৰাজ্য চৰকাৰে শাস্তি দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু হাজাৰ হাজাৰ ছালফাৰ ভিতৰত সকলোৱেই বেয়া কাম নকৰে। সকলোবিলাকেই বেয়া নহয়। তাৰ ভিতৰত দুই এজন বেয়া থাকিব পাৰে তেওঁলোকক শাস্তি বিহা হৈছে। অসমত বৰ্তমান যি দুই এটা ঘটনা হৈছে সেইটো একমাত্ৰ ভুটানখন ওচৰত থকা বাবে, নহলে সেইখিনিও নিয়ন্ত্ৰণাধীন হৈ থাকিলেহেঁতেন। কিন্তু গণ পৰিষদ চৰকাৰৰ দিনত অসমৰ মুকলি মুৰিয়াকৈ হাবিয়ে জংঘলে তেওঁলোকৰ ট্ৰেইনিং কেম্প চলি আছিল। ডি, এফ, ও ডি, চিৰ পৰা আদি কৰি সকলোৱে জানিছিল কিন্তু একো

কৰিব পৰা নাছিল। কিন্তু বৰ্তমান অসমৰ ভিতৰত মুকলিমূৰীয়াকৈ প্ৰশিক্ষণ শিৱিৰ পাতিব পৰা নাই। যিহেতুকে ভুটানখন এখন স্বাৱলম্বী ঠাই যে আমাৰ ৰাজ্য চৰকাৰে তাত কোনো নিৰ্দ্দেশ দিব নোৱাৰে এই বিষয়ে নিৰ্দ্দেশ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে। সেই কাৰণে সদৌ শেষত মাননীয় সদস্য মৌলানা আব্দুল জলিল ৰাগিবীয়ে যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাত সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★শ্ৰীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য মৌলানা আব্দুল জলিল ৰাগিবী চাহাবে যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে আৰু ওপৰত যি সংশোধনী আনিছে তাৰ প্ৰতি সমৰ্থন জনাই মই দুষাৰ কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত ভালেমান কথা সামৰি যদিও দুটামান গুৰুত্বপূৰ্ণ কথা বাদ পৰিছে। অধ্যক্ষ মহোদয় আপুনি সদন কমিটিত কোকৰাঝাৰ আৰু বঙাইগাৱলৈ গৈছে। এই দুখন জিলাত যি হত্যাকাণ্ড হৈছিল তাত ক্ষতিগ্ৰস্ত লোকসকলৰ আজিলৈকে পুনৰবাসন আৰু জীৱনৰ নিৰাপত্তা হোৱা নাই। ৰিলিফৰ ব্যৱস্থা হোৱা নাই। এতিয়া এশ ঘণ্টিয়া আন্দোলন কৰিব লগা হৈছে। এইটো অতি বেদনাদায়ক কথা। এই মানুহখিনিৰ জীৱনৰ যি দায়িত্ব লব লাগিছিল সেইটো হোৱা নাই। এই খিলঞ্জীয়া মানুহখিনিক চৰকাৰৰ যি খাচ মাটি আছে তাত সংস্থাপন কৰিব লাগিছিল। এই মানুহখিনি বিদেশী নহয়। এই মানুহখিনিৰ দায়িত্ব চৰকাৰে লোৱা উচিত। এই মানুহখিনিৰ এশ ঘণ্টীয়া আন্দোলনত তিনিজনৰ অৱস্থা বেয়া আৰু চিকিৎসাধীন হৈছে। চৰকাৰ পক্ষৰ পৰা অনশনকাৰীসকলক সংস্থাপনৰ ব্যৱস্থা কৰি দিব লাগে। যোগাযোগৰ যি অৱস্থা হৈছে সেই মতে বহু ভোটৰ কেন্দ্ৰলৈ গাড়ী যাব নোৱাৰিব। দলংবিলাক ভাল কৰাৰ কথা কৈছিল, কিন্তু পথ দলঙৰ মেৰামতি

★ Speech not Corrected

নহল। টকা পঠাইছিল কিন্তু কাৰ্য্যবাহী অভিযন্তা আৰু উপায়ুক্তৰ খোৱা কামোৰৰ কাৰণে টকা খৰচ নহল। ফলত বাইজৰ দুৰৱস্থা বাঢ়িছে। আমাৰ অচিৰে নিৰ্বাচন হব। দুৰ্ভাগ্যৰ বিষয় কেৰা লাখ ভোটাৰ ভোটাধিকাৰৰ পৰা বঞ্চিত হব। ভাষিক সংখ্যালঘুৰ ৫ লাখ ভোটাৰ ভোটাধিকাৰৰপৰা বঞ্চিত হৈছে। বহুত শুনানী হল কিন্তু কাম নহল। তাৰ পিচত আমাৰ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ কাৰণে বলিষ্ঠ পদক্ষেপ লব লাগিছিল। আজিলৈকে কেন্দ্ৰীয় চৰকাৰৰ পক্ষৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ স্থায়ী নিয়ন্ত্ৰণ নহল। প্ৰতিবছৰে হাজাৰ হাজাৰ মানুহ নদীভঙ্গ হৈছে আৰু পিচত বাংলাদেশী আখ্যা দিয়া হৈছে। গতিকে ব্ৰহ্মপুত্ৰ নদীৰ স্থায়ী ব্যৱস্থা হব লাগে। ৰোগীৰ পালচ দাউন হলে ইনজেকচনে কাম নকৰে। শ্ৰীমালীয়ে নিৰ্ব্বাচনী মতামত দিছে যে তেওঁলোকৰ চৰকাৰ আহিব। কংগ্ৰেছ দলে কৈছে তেওঁলোকৰ চৰকাৰ হব। বজাৰত এবাৰহে টেঙা আম বিকিব পাৰি। গণ পৰিষদ দলে পাচ বছৰ শাসন কৰিলে আৰু কংগ্ৰেছ দলেও যোৱা পাচ বছৰ শাসন কৰিলে। গতিকে নিৰ্বাচনী মতামত দিয়াটো ঠিক নহয়। মই বৃদ্ধ পেন্সন আৰু দুটকীয়া চাউল সম্পৰ্কত অলপ কব বিচাৰিছো। চৰকাৰে হিচাব-নিকাচ কৰি বৃদ্ধ পেন্সন আৰু দুটকীয়া চাউল দিছে। সভা-সমিতিয়ে এই বিষয়ে ঘোষণা কৰিছে। চৰকাৰৰ হিচাব-নিকাচ ঠিক হোৱা নাই। দুখীয়াৰ পৰিবৰ্ত্তে ধনী ঘৰত উক্ত চাউল পাইছে। নিয়োগ-নীতিৰ দ্বাৰা চৰকাৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ২৭ এপ্ৰিল তাৰিখৰ পিচত ইয়াৰ ফলাফল জানিব পাৰিব। প্ৰাথমিক শিক্ষক নিয়োগ আৰু ৰাস্তা-ঘাটে চৰকাৰৰ সংকট আনিব। প্ৰাথমিক শিক্ষকৰ নিযুক্তিৰ বাবে লোৱা টকাও ঘূৰাই দিয়া নাই আৰু চাকৰিও দিয়া নাই। চাকৰি বজাৰত নীলাম কৰা হৈছে।

মাননীয় অধ্যক্ষ : আপুনি চমু কৰক।

শ্ৰীনজমুল হক : আজি বিত্তীয় সংকটে দেখা দিছে।

Mr. Speaker : Mr. Haque please sit down Now Hon'ble Member Shri Karendra Basumatary to Speak;

★শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ মাননীয় আব্দুল জলিল ৰাগিবীয়ে ধন্যবাদসূচক প্ৰস্তাৱ ৰাখিছে তাৰ ওপৰত কিছু কথা কব বিচাৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণ শুনিলো সেই ভাষণটো জনস্বাৰ্থৰ সপক্ষে হোৱা নাই। বহুতো কথাই এৰাই চলিছে। ৰাজনৈতিক ভাৱে বহুতো কথাই এৰাই চলিছে। এতিয়ালৈকে বড়ো অটোনমাচ কাউন্সিলৰ কাৰণে কিমান টকা সেইটো ইয়াত কোনো উল্লেখ নাই। এইটো কথা বৰ দুৰ্ভাগ্যজনক। তাৰ কাৰণে ৰাজ্যপালৰ যি ভাষণ সেই ভাষণৰ ওপৰত গভীৰ উদ্বেগ প্ৰকাশ কৰিছো। বড়ো অটোনমাচ কাউন্সিলৰ ওপৰত কোনো বক্তব্য নেৰাখিলে। বড়োলেণ্ড হোৱাৰ পিচত কিমান টকা মুকলাই দিয়া হ'ল সেইটো মেনচন কৰা নহল। আজি বি, এ, চি মুখ্য প্ৰশাসকক হাতত বন্ধুক লম বুলি ঘোষণা কৰিছে। এতিয়া তাৰ মই জবাব বিচাৰিছো। বন্ধু পৰমেশ্বৰ ব্ৰহ্মই তেখেতে বেলেগ ৰাজ্য লাগে বুলি কোৱা শুনিবলৈ পাইছো। ৰাজ্য কাক নেলাগে। প্ৰয়োজন হলে স্বাধীতানও লাগে। অসমৰ যুৱকসকলে আজি স্বাধীন বিচাৰিছে। বড়োলেণ্ড স্বাধীন কৰিবলৈ বিচাৰিছে। সেই সম্পৰ্কে আমি বিধানসভাৰ মজিয়াত বাৰে বাৰে আহ্বান জনাইছো। বিভিন্ন উগ্ৰপন্থীৰ লগত আলোচনা-বিলোচনা কৰিব লাগে। আলোচনা বিলোচনাৰ মাজেদিহে যেই কোনো কাম সমাধান কৰিব পৰা যায়। সাংবিধানিক মাধ্যমেৰে সংবিধানৰ গন্ধীৰ ভিতৰত আলোচনা-বিলোচনা কৰিব লাগে বুলি আমি দাবী জনাই আহিছিলো। আমি কবলৈ বিচাৰিছো অসম চৰকাৰে ৰাজহুৱাভাৱে বা অসম চৰকাৰে যদি ভাৱে দিল্লীলৈ আমন্ত্ৰণ কৰি হাই কামাণ্ডাৰ লগত আলোচনা

★ Speech not Corrected

কৰি ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেতিয়াহে শান্তি প্ৰতিষ্ঠা হব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত কৈছে যে আইন শৃঙ্খলা যথেষ্ট উন্নত হৈছে। সৌ সিদিনা চাৰিদুৱাৰ বনাঞ্চলত জনজাতিসকল প্ৰায় ৩০ হেজাৰমান হব তেওঁলোকক উচ্ছেদ কৰা হৈছে, ঘৰ-দুৱাৰ জ্বলাই দিয়া হৈছে। ৰাজ্যপালৰ ভাষণত আনহাতে কৈছে আইন শৃঙ্খলা যথেষ্ট উন্নত হৈছে কিন্তু আমি কবলৈ বিচাৰিছো যে আইন শৃংখলা অবনতিহে হৈছে। আজি এই দুখীয়া জনজাতিসকলৰ দুৰৱস্থা হৈছে। ৮ মাৰ্চত স্থকুৰা বসুমতাৰীক গুলীয়াই হত্যা কৰা হ'ল। নীতিগতভাৱে বনাঞ্চলবিলাক ক্ষতিগ্ৰস্ত হোৱাটো আমি নিবিচাৰো। এই দুখীয়া জনজাতি সকলক এম, এন, পি স্কীমৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলক সেই স্কীমৰ জৰিয়তে গৃহ সংস্থান দিব পাৰে। চেটলমেন্ট দিব পাৰে। তাৰ বিপৰীতে সেই অভয়াৰণ্যবিলাকত, বনাঞ্চলবিলাকত বে-দখল কৰি আছে। অধ্যক্ষ মহোদয়, আমাৰ এই দুখীয়া জনজাতিবিলাকক চেটলমেন্ট দিয়াৰ ব্যৱস্থা কৰা নাই, আজি চাৰিদুৱাৰ বনাঞ্চল যিবিলাক জনজাতি হত্যাকাণ্ড কৰা হল সেইসকলৰ লোকৰ ঘটনাৰ বাবে আজিলৈকে কোনো তদন্ত নহল। ইয়াৰ বিচাৰ হব লাগে। সেই লোকসকলক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই বিধানসভাৰ মজিয়াতে মই এইটো দাবী জনাইছো। এতিয়ালৈকে বহু কেইজন মানুহ মিচিং হৈ আছে। তেওঁলোকৰ কাৰণেও আজিলৈকে কোনো ব্যৱস্থা এই চৰকাৰে নকৰিলে। এই বনাঞ্চলবিলাক বেদখলৰপৰা ৰক্ষণা-বেক্ষণা দি দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকসকলক সংস্থাপন দিব লাগে। সেই ক্ষেত্ৰত বড়োসকল 'আন-প্লাচ'। তেওঁলোকক সংস্থাপন দিব লাগে। আজি আমাৰ মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। সেইবাবেই বড়ো অটন'মাচ

কাউন্সিলৰ মুখ্য প্ৰকাশকে পুনৰ বন্দুক হাতত তুলি লম বুলি কোৱাটোত বৰ্ত্তমান চৰকাৰৰ লগত বুজাবুজি আছেনে নাই সেইটো মই জানিব বিচাৰিছো। যদি বুজাবুজিয়েই আছিল তেনেহলে কিয় পুনৰ হাতত বন্দুক তুলি লম বুলি কৈছে। তেওঁলোকে হাতত বন্দুক তুলি লোৱাটোত যাচটিফাইড আছে। অধ্যক্ষ মহোদয় সেইটোৱেই যদি হব লগীয়া হয় তেন্তে ইয়াৰ বাবে জগৰীয়া হব ৰাজ্য চৰকাৰ। সেই কাৰণে আজি মই ৰাজ্যপালৰ ভাষণখন জন বিৰোধী ভাষণ বুলি অভিহিত কৰি আৰু বৰ্ত্তমান যি সমস্যা আছে সেইবিলাক সমাধান কৰিব লাগে বুলি কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইবাগৰাকীও মাননীয় সদস্যই তেখেতসকলৰ মন্তব্য সদনত উত্থাপন কৰিছে। ঘাইকৈ প্ৰায় কেইজন বিৰোধী দলৰ মাননীয় সদস্যই আমাৰ ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি সম্পৰ্কে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিৰোধী দলৰ দলপতি মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যোৱা জানুৱাৰী মাহৰপৰা আইন শৃংখলাৰ চৰম অবনতি হোৱা বুলি কৈছে। অধ্যক্ষ ডাঙৰীয়া, দুটা মাহৰ ঘটনাক আমি ১২ মাহৰ ঘটনা বুলি কব নোৱাৰো। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ কথা চাবলৈ গলে আমি কেইবাটাও বছৰৰ আইন শৃংখলা পৰিস্থিতিৰ কথা তুলনামূলকভাৱে চোৱা-চিন্তা কৰিহে নিৰূপণ কৰিব লাগিব। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই তেখেতৰ ভাষণত ৰাজ্যখনৰ আইন শৃংখলাৰ লগতে অন্যান্য পৰিস্থিতি সম্পৰ্কে এখন স্পষ্ট ছবি দাঙি ধৰিছে আৰু সেই কাৰণে মই সেই বিষয়ত আৰু বহলাই কব খোজা নাই। এই চৰকাৰ শাসনলৈ অহাৰ আগতে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি কি আছিল তাৰ ভিত্তিত তুলনামূলকভাৱে বিচাৰ বিবেচনা কৰিলে সেই

★ Speech not Corrected

চৰকাৰৰ পৰিস্থিতিৰ কথা বিচাৰ কৰিব পৰা যায়। আমি ন দি এই কথা কব পাৰো যে বৰ্ত্তমান চৰকাৰৰ দিনত আইন শৃংখলা পৰিস্থিতি তুলনামূলক ভাৱে আগৰ চৰকাৰতকৈ যথেষ্ট উন্নত হৈছে। বিৰোধী দলৰ নেতা শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কৈছে যে অইল-বিফেই-নাৰীৰ এজন বিষয়াক অপহৰণ কৰাৰ কাৰণেই তেখেতৰ চৰকাৰ বৰখাস্ত কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্ত্তন কৰিছিল। সেই একেটা কথাকে মাননীয় সদস্য শ্ৰীযতীন মালী ডাঙৰীয়াইও কৈছে আৰু তেখেতসকলে সভাই-সমিতিয়ে বহুতো ঠাইত কৈছে যে এজন বিষয়াক অপহৰণ কৰাৰ কাৰণেই গণ পৰিষদ চৰকাৰখন বৰখাস্ত কৰিছিল আৰু এই চৰকাৰৰ দিনত বহুতো লোকক অপহৰণ কৰা স্বত্বেও এই চৰকাৰখন বৰখাস্ত কৰা নাই। এখন ৰাজ্যত ৰাষ্ট্ৰপতিৰ শাসন কৰিবলৈ হলে সেই ৰাজ্যখনৰ ৰাজ্যপালজনে এটা নোট দিব লাগে আৰু তাৰ ভিত্তিতে ৰাষ্ট্ৰপতিৰ শাসন দিব লাগে। মহন্ত ডাঙৰীয়াই কৈছে যে এজন বিষয়াক অপহৰণ কৰাৰ কাৰণেই ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন কৰিলে কিন্তু সেই ৰাজ্যপাল ডাঙৰীয়াই ৰাষ্ট্ৰপতিলৈ লিখা চিঠিখনে সেই কথাটো নকয়। বৰঞ্চ সেই সময়ত ৰাজ্যখনত আইন-শৃংখলাৰ অৱনতি ঘটিছিল, বিশৃংখলতাৰ সৃষ্টি হৈছিল আৰু অপৰাধ আদিৰ এটা সম্পূৰ্ণ ছবি এই চিঠিখনত দাঙি ধৰা হৈছিল। মই চিঠিখন সদনত গাব খুজিছো।

★ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ। সেই সময়ত ৰাজ্যৰাজ্যপালে অসম চৰকাৰ সম্পৰ্কে যিখন চিঠি লিখিছিল সেইখন এখন অতি গোপনীয় চিঠি। আপোনালোকে গোপনীয়তা ৰক্ষা কৰাৰ বাবে শপত গ্ৰহণ কৰি এই গোপন চিঠিখন সদনত গাব পাৰে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, এই চিঠিখনৰ ক্ষেত্ৰত ৪ জন মানুহে হাই ক'ৰ্টত কেচ দিছিল। নিৰপেক্ষভাৱে আমি যদি

★ Speech not corrected

বিচাৰ কৰি চাও তেনেহলে আমি দেখিবলৈ পাও যে ১৯৯৫ চনৰ বছৰটোৰ মূল অপৰাধৰ সংখ্যা ১৯৮৫ চনৰ অপৰাধৰ সংখ্যাতকৈ কম। মই সেই চিঠিখন আপোনালোকক পায় শুনাইছো—

Dear Rashtrapatiji,

The Situation in Assam has bcen found to be disturbing ever since I took over as Governor of Assam on May, 2/1990.

Apart from killings, according to reports. received, many people were kidnapped and released after ranson was paid. The extortion, to begin with, was on a limited scale. Magnitude of loot and plunder, however, became colossal in due course of time, presumably in view of the State Govt.'s failure to act. The districts of Tinsukia, Dibrugarh, Sibsagar, Jorhat and Nagaon on the South bank of Brahmaputra and those of Dhemaji, Lakhimpur, Sonitpur, Darrang, Nalbari, and Barpeta on the North bank, were the the worst sufferers. None was spared. Tea companies, traders small and big officials who had the reputations of being corrupt were treated all alike. Summons were issued to be Members of the Tea Association to meet the ULFA gangsters to various places in Upper Assam to negotiate the quantum of ansom. Others were summoned to centres of collection along with the evidence of their financial capabilities. No oral evidence was accepted Income

tax returns and assessment orders are made the basis for the determination of the amount of ansom and while assessing the capability to pay 3 to 4 times are than the assessed income was assumed as the total income the persons. The rough estimate about the total amount callected so far runs in to any thing between Rs. 400 to Rs. 500 crores.

Coming to the attitude of the State Govt., it is extremely superising that out of 113 murders committed so far, not even a single case has been fully investigated by the Police; The reports received suggest that if at all the accused were arrested, the designated courts released them bail without any resistance from the State. The orders grantings bail under the TADA can be passed only in rare cases and that too specifying certain conditions. Everywhere else in the country, States concerned agitate the matter before the Higher court like High Court and Supreme Court. Not even in a single case an appeal or revision has been filed against the power of the lower Court before the High Court or Supreme Court.

The then Home Minister, Mufti Mohammad Sayeed, during his two visit to Guwahati, impresed upon the State Govt. the desirability of agitating the bail matters in the Supreme Court. I repeated

this request a number of times to the State Govt. but without any result.

The Political Affairs Committee of the Union Cabinet invited me and the Chief Minister to one of its meetings at P. M.'s house some time ago and the Committee impressed upon the C. M. to take stern action against terrorism. He asked for additional force which was agreed to. In another meeting which the Home Minister took in North Block and later at his residence, was attended by Cabinet Secy. Home Secy. myself and Joint Secy. Home. The Chief Minister asked SLRs. Maruti, Jeeps etc. These, I am given to understand, were supplied. The forces also arrived and the same remained campaign in the barracks and were not deployed. The MHA requested the C. M. to declare the Upper Assam as a disturbed area so as to authorise the Central forces to arrest, search and seize to which the C. M. agreed. Subsequently, the C.M. informed me that his party and the Cabinet was not agreeable to that being done.

Hundreds of people have been robbed of their Maruti Cars. The amount of ransom varies from 2 lakhs to 75 lakhs of rupees in some cases. Many people have been mercilessly tortured and some them are still in critical condition at Woodlands Nursing

Home at Calcutta. Hundreds of traders have closed their establishments and gone away to their parts of the country. Trade, Commerce and industry has been hit hard Central public sector corporations senior executives are reluctant to stay. Some have already left. Some of the tea companies are almost without senior supervisory staff many of them having shifted to places outside the State.

I have had repeated discussions with the Chief Minister and the Home Minister. Neither of them is prepared to accept the responsibility since the Home Department has been unimaginatively bifurcated into Home and Political Departments with lots of overlappings and anomalies.

The cumulative consequences of all this is that the entire State is gripped by a fear psychosis— The holders of public offices have been rendered totally ineffective. The holders of Constitutional offices stand totally emasculated so much so that the State Cabinet cannot even discuss the situation. Members of the Council of Minister cannot express themselves openly since they doubt the bonafides of each other in so far as their attitude towords ULFA is concerned. It is one of the classic examples of culpable inaction on the part of a State Govt.

The loss of faith in the efficiency and the credibility of the Govt. apparatus is so great that the thin distinction between ULFA, AASU and AGP which existed at some stage stands totally obliterated. Glooms hang over the whole State. By the fall of the dusk, the people are huddled in their homes. Nobody's life, limb, property or honour is safe. The basic attitudes of a civilised and orderly society stand annihilated.

Rule of law, equality before the law, right to life right to property, right to protection from the state against the right of the mighty have been negated thus bringing about a situation which propels me to state that the Government of the State cannot be carried on in accordance with the Constitution of India.

মাননীয় অধ্যক্ষ মহোদয়, এই ধৰণৰ অৰাজকতা আৰু বিশৃংখলাৰ মাজত এখন ৰাজ্যৰ শাসন চলিব পাৰে নেকি? সমগ্ৰ ৰাজ্যখনতে ল-লেচনেচ চিটোৱেশান বিৰাজ কৰিছিল আৰু তেনে এটা পৰিস্থিতিলৈ ৰাজ্যখনক ঠেলি নিছিল। এজন বিষয়াক এইচ কে, দাসক অপহৰণ কৰাৰ কাৰণে ৰাষ্ট্ৰপতি শাসন ৰাজ্যখনত দিবলৈ বাধ্য হ'ল। এনে এটা পৰিস্থিতি হৈছিল যে এজন মন্ত্ৰীয়ে আন এজন মন্ত্ৰীৰ চকুলৈ চাব নোৱাৰা হ'ল কোনো এজন বিষয়াই আন এজন বিষয়াক সন্দেহ নকৰাকৈ থকা নাছিল, কাৰ লগত কোনে সম্পৰ্ক ৰাখিছিল সেই বিষয়ে সকলোৱে সন্দেহ ঘনিভূত হৈ পৰিছিল, গতিকে কেনেকৈ ৰাষ্ট্ৰপতি শাসন নিদিব! আমাৰ দিনত আমি কিন্তু বহি থকা নাই,

আমি একশ্যন লৈছো, এইবিলাক ক্ষেত্ৰত আমি কোনো ধৰণৰ কম্প্ৰমাইজ কৰা নাই। আনকি যিসকলে আত্ম সমৰ্পণ কৰিছে তেওঁলোকক এৰি দিয়া নাই যিসকলে তেওঁলোকৰ মাজৰ পৰা দুষ্টামি কৰিছে তেওলোকক আমি কৰায়ত্ত কৰিছো। হিংসা, হত্যা ইত্যাদিত যিসকলে প্ৰবৃত্ত হৈছে সেইসকলৰ ওপৰত আমি কঠোৰ ব্যৱস্থা হাতত লৈছো। কিন্তু আগৰ চৰকাৰে তেওঁলোকৰ সন্মুখতে সংঘটিত হোৱা বিভিন্ন বিক্ষিপ্ত ঘটনা আৰু উগ্ৰপন্থীৰ হিংসাত্মক কাৰ্য্য চলি থকা অৱস্থাত কোনো ধৰণৰ কঠোৰ ব্যৱস্থা নললে কেৱল নিৰ্বিকাৰ হৈ বহি থাকিল কিন্তু আমাৰ চৰকাৰৰ শাসন কালত আমাৰ চৰকাৰ বহি থকা নাই, আমি বিহিত ব্যৱস্থা লৈছো আমি শততে শান্তিৰ পৰিবেশ ঘূৰাই অনাৰ কাৰণে প্ৰয়াস কৰিছো আৰু চেষ্টা কৰি আছো সেই কাৰণেই আগৰ যিটো ভয় আৰু শঙ্কা সেইটো ক্ৰমান্বয়ে ৰাইজৰ মনৰ পৰা আতৰিছে যদিও এতিয়াও সম্পূৰ্ণ আতৰা নাই। বৰ্ত্তমান আমাৰ চৰকাৰে হিংসা-সন্ত্ৰাস ৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উগ্ৰপন্থীৰ অবিৰত সংগ্ৰামপৰা ৰাজ্যখনক উদ্ধাৰ কৰিবলৈ চৰকাৰ সক্ষম হৈছে। জনসাধাৰণে অবাধ, মুক্ত ভাৱে ফুৰা-চকা কৰিবলৈ মুকলিমূৰীয়া শান্তিৰ পৰিবেশ পাইছে। আমাৰ চৰকাৰৰ সাহস আৰু ঐকান্তিক আগ্ৰহ তথা আন্তৰিক প্ৰচেষ্টাৰ ফলতেই উগ্ৰপন্থী সকলৰ বুজন সংখ্যকেই হিংসাৰ পথ পৰিহাৰ কৰি শান্তিৰ প্ৰচেষ্টাত সহাঁৰি জনাইছে। আগৰ চৰকাৰে হিংসা সন্ত্ৰাসৰ বলি হবলৈ জনসাধাৰণক এৰি দি নিৰবে হাত সাৱতি বহি থকাৰ দৰে আমাৰ চৰকাৰ বহি থকা নাই। ব্যৱস্থা লৈছে। সন্ত্ৰাস দমন কৰিবলৈ চেষ্টা কৰিছে। সেই প্ৰচেষ্টা সফলো হৈছে। প্ৰশাসনৰ ওপৰত জনসাধাৰণৰ আস্থা ঘূৰি আহিছে। আগৰ সেই ভয় শংকাৰ পৰিবেশ এতিয়া আৰু নাই। চেগা-চোৰোৰাকৈ বিক্ষিপ্ত ভাৱে হিংসা সন্ত্ৰাসৰ কেতবোৰ ঘটনা নঘটাকৈ থকা নাই, ঘটিছে। অজিত নাগৰ হত্যাকাণ্ড, বিমল ভূঞাৰ

হত্যাকাণ্ড এইবোৰ ঘটিছে। কিন্তু হিংসাৰ প্ৰবনতাক আমি কেতিয়াও উছতোৱা নাই। পূৰ্বৰ চৰকাৰে সন্ত্ৰাসবাদীৰ ইচ্ছাৰ ওচৰত আত্মসমৰ্পণ। কৰাৰ দৰে আমি কৰা নাই আমি সাহসেৰে সন্ত্ৰাসবাদীৰ লগত মোকাবিলা কৰিছো। আমি মনে-প্ৰাণে অনুভৱ কৰো যে সমাজৰ প্ৰতিজন মানুহৰ অন্তৰে অন্তৰে নিহিত হৈ থকা শুভ ইচ্ছা শুভ শক্তিক জাগ্ৰত কৰি তুলিব পৰাৰ যোগেদিহে অশুভ অপৰাধ প্ৰৱনতা নাই কৰিব পৰাৰ যোগেদিহে সমাজত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাটো সম্ভৱ। ইজনে সিজনৰ ওপৰত বিশ্বাস সম্ভাৱ আৰু সদইচ্ছা যেতিয়া প্ৰতিষ্ঠা কৰিব পাৰিব তেতিয়াই হিংসা বিদ্বেষবো ওৰ পৰিব। শান্তি এক ধনাত্মক ধাৰণা বা নিগেটিভ কনচেপ্ত নহয়। ইতিবাচক দৃষ্টিভংগীৰেহে শান্তি আহিব পাৰে। আৰক্ষী, সামৰিক, অৰ্দ্ধসামৰিক বাহিনীয়ে সমাজলৈ শান্তি আনি দিব নোৱাৰে। এই কথাত আমিও একমত। কিন্তু অপৰাধ প্ৰবনতা নিয়ন্ত্ৰণ কৰি শান্তিৰ পৰিৱেশ অহাৰ বাট মুকলি কৰাত তেওঁবিলাকে সহায় কৰিব পাৰে। ৰাজ্যখনত যোৱা পাচ বছৰত তাৰ পৰা সকলোৱে এই সত্য স্বীকাৰ কৰিবই লাগিব। আৰক্ষী আৰু নিৰাপত্তা বাহিনীক এই উদ্দেশ্যে নিয়োজিত কৰাৰ উপৰিও আমি অইন প্ৰকাৰে চেষ্টা চলাইছো সন্ত্ৰাসবাদী বিপথগামী যুৱকসকলৰ হৃদয়ৰ পৰিবৰ্ত্তন সাধনৰ বাবে। তাৰ ফলতেই তেওঁবিলাকৰ সৰহ ভাগেই মুল সুঁতিলৈ ঘুৰি আহিব পাৰিছে। আমাৰ আন্তৰিক প্ৰচেষ্টাৰ সুফল দেখি আমি আশাবাদী যে এই প্ৰচেষ্টা অব্যাহত থাকিলে অচিৰেই সন্ত্ৰাসবাদীসকলৰ আটায়েই শান্তিৰ পথলৈ ঘুৰি আহিব। ৰাজ্যখনত মানৱাধিকাৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈকো আমাৰ চৰকাৰে সততে অসীম আগ্ৰহেৰে কাম কৰি আহিছে। ছিপাঝাৰ, ৰাইহাটা চাৰিআলি, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু উত্তৰ লক্ষীমপুৰৰ ওচৰত বিহমুখত মানৱ অধিকাৰ উলংঘনৰ অভিযোগ সংক্ৰান্তত চৰকাৰে তদন্ত আয়োগ গঠন কৰি দিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ

আয়োগে ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা ৩৭ টা গোচৰৰ ভিতৰত ২১ টা তদন্তৰ প্ৰতিবেদন ইতিমধ্যে আয়োগৰ ওচৰত দাখিল কৰা হৈছে। বাকী ২৬ টাৰ ক্ষেত্ৰত অনুসন্ধান চলাই থকা হৈছে। বৰ্ত্তমান চৰকাৰে এতিয়ালৈকে ১৪ টা তদন্ত দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত অনুষ্ঠিত কৰিছে আৰু এই পৰ্য্যন্ত ৪ টাৰ ক্ষেত্ৰত প্ৰতিবেদন দাখিল কৰা হৈছে। মই জনাবলৈ পাই সুখী হৈছো যে সম্প্ৰতি আমাৰ ৰাজ্যতো ৰাজ্যিক পৰ্য্যায়ৰ এক মানৱ অধিকাৰ আয়োগ গঠন কৰি দিয়া হৈছে। এইখিনিতে প্ৰণিধানযোগ্য যে দেশৰ আন আন ৰাজ্যৰ তুলনাত অসমত অপৰাধৰ সংখ্যা এতিয়াও ভালেখিনি কম। ১৯৯৬ চনত আমাৰ ৰাজ্যত সংঘটিত অপৰাধৰ সংখ্যা আছিল ৩৭,৩৫৫ টা আৰু তেতিয়া ৰাজ্যখনৰ জনসংখ্যা আছিল ২৩৫.৯ লাখ জন। সেইটো বছৰত উৰিষ্যাত সংঘটিত অপৰাধৰ সংখ্যা আছিল ৫১,৬০৯ টা আৰু উৰিষ্যাৰ জনসংখ্যা আছিল ৩৩০.৬ লাখ জন। বিহাৰ, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ ৰাজ্যতো সেইটো বছৰত অসমতকৈ বহু বেচি সংখ্যক অপৰাধ সংঘটিত হৈছিল। ১৯৯৩ চনত বিহাৰত ১,২৫,৬৪২ টা, মধ্য প্ৰদেশত ১,৭৯,৭৫৪ টা উত্তৰ প্ৰদেশত ২,০[illegible],৪৮৮ টা আৰু পশ্চিমবঙ্গত ৭০,৭১৮ টা অপৰাধ সংঘটিত হৈছিল। অসমত সেই সংখ্যা আছিল ৩৭,৩৫৫ টা। আনহাতে, ১৯৯২ চনৰ তুলনাত ১৯৯৩ চনত অসমত অপৰাধৰ হাৰ ৮.৫ শতাংশ কম হৈছিল।

অধ্যক্ষ মহোদয়, যোৱা ১৯৯৫ চনৰ বছৰটোত ৰাজ্যখনত সংঘটিত হোৱা মুঠ অপৰাধৰ সংখ্যা ১৯৮৫ চনত সংঘটিত হোৱা অপৰাধৰ সংখ্যাতকৈও কম। যোৱা ১০ বছৰত ১৯৮৫ চনতেই অপৰাধৰ সংখ্যা আটাইতকৈ কম আছিল আৰু ১৯৯৫ চনত অপৰাধৰ সংখ্যা তাতোকৈও আমি কমাব পাৰিছো। এইয়া নিসন্দেহে ৰাজ্য চৰকাৰৰ এক কৃতিত্ব। পূৰ্বৰ চৰকাৰৰ দিনত ১৯৮৯ চনত সংঘটিত হোৱা অপৰাধৰ সংখ্যা আছিল ৪৩,৩৯৬ টা আৰু এয়া হৈছে যোৱা ১০ বছৰৰ

ভিতৰত সৰ্ব্বাধিক কিন্তু এই চৰকাৰৰ দিনত ১৯৯৫ চনত সংঘটিত হৈছে ৩৮,৪১৬ টা অপৰাধ আৰু এই সংখ্যাই হৈছে ১০ বছৰৰ ভিতৰত সৰ্বনিম্ন। অথচ যোৱা ১০ বছৰৰ ভিতৰত আমাৰ জনসংখ্যা ভালেখিনি বাঢ়ি উঠিছে। তথাপি সেই অনুপাতে এতিয়া অপৰাধৰ সংখ্যা বঢ়া নাই। আমি নিয়ন্ত্ৰণ কৰিব পাৰিছো। পূৰ্ব্বৰ অসম গণ পৰিষদ দলৰ চৰকাৰৰ দিনত অবাৰিত ব্যাপক হিংসা সন্ত্ৰাসৰ ফলত ৰাজ্যখনত যি অচলাৱস্থা'ৰ সৃষ্টি হৈছিল, জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নাইকীয়া হৈছিল সেই গাব নোম শিঙৰি উঠা ভয়াবহ দিনৰ স্মৃতি আজিও অসমৰ ৰাইজে পাহৰিব পৰা নাই। হিংসা সন্ত্ৰাস ৰোধ কৰিবলৈ তেতিয়াৰ ৰাজ্য চৰকাৰে কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে। বাধাহীনভাবে সন্ত্ৰাসবাদীক বিচৰণ কৰিবলৈ দিয়া হ'ল। সন্ত্ৰাসবাদীয়ে পালে বাধাহীন, মুক্ত পৰিবেশ। তাৰ বিপৰীতে ৰাজ্যৰ জন জীৱন হৈ পৰিল স্তব্ধ। সন্দেহ, অনিশ্চয়তা, আতংকত ৰাইজ পেপুঁৱা লাগিল। তেতিয়াৰ চৰকাৰে জনসাধাৰণৰ প্ৰতি কোনো দায়বদ্ধতা অনুভৱ নকৰিলে। যি স্থলত চৰকাৰৰ কৰ্ত্তব্য আছিল ৰাইজক নিৰাপত্তা দিয়া, জং জীৱনৰ মুক্ত, স্বচ্ছন্দ গতি অব্যাহত ৰখা, তেনে স্থলত সেই চৰকাৰে একোকে নকৰিলে। এইখিনিতে প্ৰণিধানযোগ্য যে দেশৰ আন আন ৰাজ্যৰ তুলনাত অসমত অপৰাধৰ সংখ্যা এতিয়াও ভালেখিনি কম। ১৯৯৩ চনত আমাৰ ৰাজ্যত সংঘটিত অপৰাধৰ গোচৰৰ সংখ্যা আছিল ৩৭,৩৫৫ টা আৰু তেতিয়া ৰাজ্যখনৰ জনসংখ্যা আছিল ২৩৫.৯ লাখ জন। সেইটো বছৰতে উৰিষ্যাত সংঘটিত অপৰাধৰ সংখ্যা আছিল ৩৩০.৬ লাখ জন। বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ আদি ৰাজ্যত সেইটো বছৰত অসমকৈ বহু বেছি সংখ্যক অপৰাধ সংঘটিত হৈছিল। ১৯৯৩ চনত বিহাৰত ১,২৫,৬৪২ টা, মধ্যপ্ৰদেশত ১,৭৯,৭৫৪ টা উত্তৰ প্ৰদেশত ২,০৩,৪৮ টা আৰু পশ্চিমবঙ্গত ৭০,৭১৮৮ টা অপৰাধ সংঘটিত হৈছিল।

অসমত সেই সংখ্যা আছিল ৩৭,৩৫৫ টা আনহাতে ১৯৯২ চনৰ তুলনাত ১৯৯৩ চনত অসমত অপৰাধৰ হাৰ ৮.৫ শতাংশ কম হৈছিল।

★ডঃ জয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, উত্তৰ প্ৰদেশৰ জনসংখ্যা ১৩ কোটি আৰু অসমৰ জনসংখ্যা ২ কোটি গতিকে সেই হিচাবটোও আপুনি চাব লাগিব।

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উৰিষ্যাত ১৯৯৩ চনত সংঘটিত অপৰাধৰ সংখ্যা ৪৭ হাজাৰ ৩৫৫ টা আৰু তেতিয়া আমাৰ ৰাজ্যত অপৰাধৰ সংখ্যা আছিল ৩৫ লাখ ৯ হাজাৰ টা। এই বছৰ উৰিষ্যাত সংঘটিত অপৰাধৰ সংখ্যা ৫১ হাজাৰ ৬ শ ৯ টা আৰু অসমত ৩০৩.৬ লাখ।

★ডঃ জয়নাথ শৰ্মা ঃ আপুনি এই হিচাবটো হাউচত দিওতে ভুল হৈছে।

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়া মই এল, অ, চি সম্পৰ্কত কব বিচাৰিছো। কেইবাজনো মাননীয় সদস্যই এই বিষয়টো উত্থাপন কৰিছে। এল, অ, চি সম্পৰ্কে আপোনালোকে জানে। আমি মেটাৰটো চি, বি, আইক দিছো তেওঁলোকে তদন্ত কৰিছে আৰু প্ৰচিকিউচন কৰিছে। এই ক্ষেত্ৰত সদন কমিটি কৰাৰ বাবে বাৰে বাৰে কৈ আছে কিন্তু আমি সমৰ্থন কৰা নাই। মই তাৰে কেইটামান উদাহৰণ দিব বিচাৰিছো। অধ্যক্ষ মহোদয়, অসম গণ পৰিষদ চৰকাৰৰ দিনতে ভালে কেইটা সদন কমিটি দিয়া হৈছিল কিন্তু এটা সদন কমিটিও মীমাংসালৈ আহিব নোৱাৰিলে। কাকো শাস্তি দিব নোৱাৰিলে। সেই বাবে সদন কমিটি কৰাত আমি বিৰোধীতা কৰিছো। তাৰে এটা আছিল পৌৰ প্ৰশাসন বিভাগৰ খেলিমেলি সক্ৰান্তত। ইয়াত যিটো মীমাংসা দিছে সেইটো মই পঢ়ি দিছে— The Government should, on the basis of

★ Speech not Corrected

the actual evidences, quoted in its report,—entrusted the Chief Minister's Vigilence cell, or any Secretariat Agency to make a detailed enquiry into the alleged payment of 20% of the sanctioned amount made to the Town Committees, Municipal Boards etc. অধ্যক্ষ মহোদয়, চি, এম ভিজিলেন্স চেলত দিব লাগিলে নিজে দিব পাৰি হাউচ কমিটিৰ দৰকাৰ নাই। ইয়াৰ পিচত আৰু এখন হৈছে সেইখন সদন কমিটি আলুৰ বীজ সম্পৰ্কত। ইয়াত কৈছে—The Committee therefore recomends that a thorough probe should be made in to the affairs of the potato seeds by an independent authority, organisation, to enable the Government to streamline the adminstration of the Directorate of Agriculture and the Assam Seeds Corporation. অধ্যক্ষ মহোদয় আলুগুটীৰ বিষয় সম্পৰ্কত তদন্ত কৰিবলৈ দিয়া হৈছিল। দিল্লী, বোম্বে বহুত ঠাই ফুৰি ৰিপোৰ্ট দিলে যে এটা বিভাগ কৰিব লাগে। তাৰ পিচত ষ্টেটমোদ কেলেংকাৰী আছিল। ইয়াত কৈছে— Recommends that such practices should be stopped forthwith and a complete rule should be framed to regulate the supply of commodities of the State Government ইয়াত কৈছে and the Committee should recommends that the authrity concerned should take action against the persons making payment without looking into these allegations. এইবিলাক কথাৰ একচন লোৱাৰ বাবে কব লাগেনে আৰু এখন আছিল মেডিকেল কলেজৰ এডমিচন সম্পৰ্কত। তেতিয়াৰ মেডিকেল মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী আছিল।

শ্ৰীমতী কল্পনা শৰ্মাৰ এদমিচন লৈ এইটো হৈছিল। সদন কমিটিয়ে একো কৰিব নোৱাৰিলে অথচ বাতৰি কাকতত বহুতো কথা প্ৰকাশ পালে। মই পঢ়ি দিছো— The Committee also suggested that no encouragement should be made from one categories to another categories and a waiting list should be prepared on the basis of the ratio of quota and the same must be made public. The Committee also feels that the term of the Selection Committee for selection of under-graduate and post-graduate course should be for one year. ইয়াৰো কোনো একচন নাই।

★ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, প্ৰতিবেদনৰ এটা খণ্ডহে পঢ়িছে বাকীখিনি পঢ়া নাই।

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এই প্ৰতিবেদনখন মই সদনত দিম। মাননীয় সদস্যসকলে পঢ়িব পাৰিব। ১২৬ জন মাননীয় সদস্যৰ বাবে জেৰেক্স কৰি দিব।

★ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, চি, বি, আইক দিয়াটো ভাল হৈছে কিন্তু পৌৰ প্ৰশাসনতো ৩ কোটিৰ টকাৰ এটা কেলেংকাৰী আছে সেইটো চি, বি, আইক দিয়া হৈছেনে ?

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, দিয়া হৈছে চি, বি, আইয়ে অসমত অন্যান্য ৰাজ্যৰ তুলনাত অতি কম সময়ৰ ভিতৰতে কেচ কৰিব পাৰিছে। ২১ জনৰ সংক্ৰান্তত চি, বি, আইয়ে যিমান বিচাৰিছে চৰকাৰৰ লেভেলৰ পৰা সকলোবিলাক দিয়া হৈছে। প্ৰথমে ২১ জন মানুহৰ বিৰুদ্ধে প্ৰচিকিউচন কেচ দিয়া হ'ল আমি একেদিনাই চহী কৰিছো। বিভাগবিলাকেও সময় লৈছে যদিও সহায় কৰিছে।

---

★ Speech not Corrected

মাননীয় অধ্যক্ষ মহোদয়, ২১ জন মানুহৰ বিৰুদ্ধে কেচ চলাবলৈ আমি একেদিনাই অনুমতি দিছো। কিন্তু বিভাগবিলাকে প্ৰচিডিউজৰ মেইনটেইন কৰাৰ সময়ত অলপ সময় লৈছে। আমি চৰকাৰী লেভেলত কোনো কেছ লুকাই ৰখা নাই। চি-বি-আই যেনেকৈ বিচাৰিছে আমি তেনেকৈ দিছো। মাননীয় সদস্য ভালেকেইজনে বিহাৰৰ কথা কৈছে। এল-ও-চি কেলেংকাৰীৰ ক্ষেত্ৰৰ এজিপি আৰু চি পি আই. চি পি এম দলে আকৌ আমাৰ ইয়াত সদন কমিটি লাগে বুলি কোৱাত মই অকণো আচৰিত হোৱা নাই। কাৰণ সম্পূৰ্ণ ৰাজনৈতিক দৃষ্টিকোণেৰেহে সদন কমিটিৰ দাবী অসমত তোলা হৈছে। ইয়াত আদৰ্শ বা নীতিৰ প্ৰশ্ন জড়িত হৈ থকা নাই। কেলেংকাৰীত জড়িতসকলক শাস্তি দিয়াতকৈ চৰকাৰৰ বিৰুদ্ধেহে মতামত প্ৰকাশ কৰি থকাৰ সুবিধা হিচাপে ইয়াক লোৱা হৈছে। যদি এইটো নহ'ল-হেঁতেন তেতিয়া হ'লে তেখেতসকলে একে ধৰণৰ নীতি বা অৱস্থান হয়তো ললেহেঁতেন। আন ৰাজ্যত কিন্তু তেখেতসকলে এনে অৱস্থান লোৱা নাই। বৰং ইয়াৰ বিপৰীত অৱস্থানহে লৈছে।

অধ্যক্ষ ডাঙৰীয়া, উদাহৰণ হিচাবে কব খুজিছো বিহাৰ ৰাজ্যত অলপতে পশু পালন বিভাগত অসমৰ নিচিনা একেধৰণৰ কেলেং-কাৰী ঘটাৰ কথা পোহৰলৈ আহিছে। অসমত দুশ কোটি টকাৰহে কেলেংকাৰী কিন্তু বিহাৰত দুহাজাৰ কোটি। বিহাৰত চৰকাৰ হৈছে জনতা দলৰ। চি. পি আই আৰু চি পি এম দল সেই চৰকাৰৰ সমৰ্থক। যোৱা নিৰ্বাচনত ফ্ৰন্ট গঠন কৰি নিৰ্বাচনো খেলিলে। বিহাৰৰ সেই কেলেংকাৰীৰ বাবে মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱৰ চৰকাৰে কিন্তু সদন কমিটি গঠন কৰা নাই। বৰং চি বি আই তদন্তৰো বিৰোধীতা কৰিছে। আনকি হাইকোৰ্টে চি বি আইৰ হতুৱাই তদন্ত কৰিব লাগে বুলি ৰায় দিয়াত, জনতা দলৰ চৰকাৰে চুপ্ৰিম কোৰ্টত তাৰ বিৰুদ্ধে আপীলহে কৰিছিল। অৱশ্যে চুপ্ৰিম কোৰ্টে যেনিবা

সেই আপীলো নাকচ কৰিছে। অৰ্থাৎ বিহাৰত, চুপ্ৰিম কোৰ্টত চি বি আইৰ তদন্তৰ বাবে নিৰ্দেশ দিব লগা হৈছে। অথচ চি পি আই আৰু চি পি এম দলে সেই ৰাজ্যত সদন কমিটিৰো দাবী কৰা নাই। আনকি চি বি আই তদন্তৰো দাবী কৰা নাই। জনতা দলৰ চৰকাৰক সমৰ্থন কৰি আছে। কিন্তু সেই একে ৰাজনৈতিক দলেই অসমত চি বি আই তদন্তটো সন্তুষ্ট হোৱা নাই। সদন কমিটি লাগে বুলি কৈ আছে। তেনে চি পি আই; চি পি এমৰ লগতেই আকৌ এ জি পিয়েও মিত্ৰতা কৰিবলৈ ওলাইছে। ইয়াত নীতি আদৰ্শ একো নাই। তাত চি বি আই বিচৰা নাই চুপচাপ আছে। তাত হাইকোৰ্ট, চুপ্ৰীম কোৰ্ট যাবলগীয়া হৈছে।

(কণ্ঠস্বৰ : অপোজিশ্বন ইউনিটি ধ্বংস কৰিব যেন পাইছো।)

বিহাৰত দুহাজাৰ দুশ কোটি টকীয়া কেলেংকাৰীৰ ক্ষেত্ৰত বিহাৰৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বুলি প্ৰকাশিত ডঃ ৰবীন্দ্ৰ কুমাৰ ঝা নামৰ বিধায়কজনক কোঅৰদিনেটৰ হিচাবে নিযুক্তি দিছে। গৃহ আৰু পশুপালন বিভাগৰ কোঅৰডিনেটৰ পাতিছে।

"The Pihar Chief Minister, Lalu Prasad Jadav has appointed Dr. Rabindra Kumar Jha a Prime accused in the two thousand crore Animal Husbandary scam are convener in the department of Home and Police Affairs. Both the departments play a key role in the investigation into the multi-crore scam."

(কণ্ঠস্বৰ : সৰিয়হৰ ভুলিতে ভূত)

(কণ্ঠস্বৰ : কংগ্ৰেছ ওৱাক আউট কৰিছে।)

অধ্যক্ষ মহোদয়, মই এইবাৰ আৰু আন কেইটামান কথা কব খুজিছো। মাননীয় সদস্য গগৈ ডাঙৰীয়া আৰু শ্ৰীমালী ডাঙৰীয়াই ফাইনেন্স একেবাৰে নাই বুলি কৈছিল। মহন্ত ডাঙৰীয়াইও কৈছিল

ফাইনেন্সিয়েল নীতি বৰ্ত্তমান চৰকাৰৰ একো নাই বুলি। মই এ জি পি শাসনৰ সময়ৰ কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। মোৰ কথা নহয়। ৰেকৰ্ডৰ কথা।

শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে যে এ, জি, পিয়ে ক্ষমতা লওতে চাৰি হাজাৰ কোটি টকা ধাৰ আছিল। কিন্তু ক্ষমতাৰপৰা যাওতে হেনো তেওঁলোকে ধাৰ মাৰিব পৰাৰ ব্যৱস্থা কৰি থৈ গৈছিল। এই কথাখিনিৰ কোনো সত্যতা নাই। এ, জি, পি চৰকাৰে দায়িত্ব লোৱাৰ সময়ত ধাৰৰ বোজা আছিল ১৭৩৪ কোটি ১৩ লাখ টকা আৰু তেওঁতসকলে যাবৰ সময়ত আমাক ধাৰৰ বোজা দি থৈ গৈছে ৪৩০৯ কোটি ৪৪ লাখ টকা। সেয়েহে এ, জি, পি চৰকাৰে ধাৰ থৈ গৈছে ২৫৭৩ কোটি ৩১ লাখ টকা কাৰণ ৰেকৰ্ডচৰ পৰা দেখা গৈছে, একাউন্টেন্ট জেনেৰেলৰ ৰিপোৰ্টৰ পৰা দেখা গৈছে এ, জি, পি চৰকাৰে ১৯৮৫ চনত দায়িত্ব লোৱাৰ সময়ত কংগ্ৰেছ দলে ১৭৩৪ কোটি ১৩ লাখ টকা ধাৰ থৈ গৈছিল আৰু এ, জি, পি চৰকাৰে যাবৰ সময়ত ধাৰ থৈ গৈছে ৪৩০৯ কোটি ৪৪ লাখ টকা। সেয়েহে এ, জি, পি চৰকাৰে প্ৰকৃত ধাৰ লগালে ২৫৭৩ কোটি ৩১ লাখ টকা। আমি বৰঞ্চ ৩৭১৮ কোটি ৪০ লাখ টকাৰ ধাৰ মাৰিছোহে। তেখেতসকলে এক পইচাও ধাৰ নেমাৰিলে। ইয়াৰ উপৰিও তেখেতসকলে পাঁচ বছৰীয়া শাসন কালত বাজেট বহিৰ্ভূত ১৩৯৩ কোটি ৩২ লাখ টকা অতিৰিক্ত ব্যয় কৰিছিল। তাৰোপৰি চকাৰৰ বিভিন্ন বিভাগত ধাৰ লগাই থৈ যোৱা টকাৰ পৰিমাণ হৈছে ২৪৪ কোটি ৮৯ লাখ টকা। ইয়াৰে জলসিঞ্চন ১৩ কোটি ৪২ লাখ টকা, বাননিয়ন্ত্ৰণ বিভাগত ৯৪ কোটি টকা, পড়কাপ্তানী বিভাগত ৩৩ কোটি ১০ লাখ টকা, সাধাৰণ প্ৰশাসন বিভাগত ৪ কোটি ৬৪ লাখ টকা, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগত ৯ কোটি টকা, জনস্বাস্থ্য কাৰিকৰী বিভাগত ৪ কোটি টকা, সচিবালয় প্ৰশাসন বিভাগত ১ কোটি ৮৭ লাখ টকা, কৃষি বিভাগত

৪ কোটি টকা, ছপাশাল বিভাগত ৪ কোটি ৮০ লাখ টকা, পুলিচ বিভাগত ৩৫ কোটি টকা, জেইল বিভাগত ১ কোটি ৬৫ লাখ টকা, ভেটেনেৰী বিভাগত ৫ কোটি ৯০ লাখ টকা, উদ্যোগ বিভাগত ২০ কোটি টকা, আই, ডব্লিউ, টি, বিভাগত ২ কোটি টকা আৰু অন্যান্য বিভাগত ১২ কোটি টকা সৰ্বমুঠ ২৪৪ কোটি ৫৯ লাখ টকা। পে কমিচনৰ ২৪৭ কোটি টকা, মেডিকেল এলাওৱেঞ্চ ৩১ কোটি টকা ষ্টেটফেদৰ ১০৯ কোটি সৰ্বমুঠ ৬৩১ কোটি টকা। সেয়েহে আটাই-খিনি লগ লগালে ২৫৭৩ কোটি ৩১ লাখ টকা হয়গৈ। অতিৰিক্ত ব্যয় ১৩৯৩ কোটি ৩২ লাখ টকা আৰু বিভিন্ন বিভাগত দিবলগীয়া টকা ৬৩১ কোটি টকা। ২৫৭৩ কোটি ৩১ লাখ, ১৩৯৩ কোটি ৩২ লাখ আৰু ৬৩১ কোটি টকা যোগ কৰিলে ৪৫৯৭ কোটি ৬৪ লাখ টকা হয়। ইয়াৰ উপৰিও টেলিফোন, ভেলিকেপ্তাৰৰ বিল আছেই। ইমানখিনি ধাৰৰ বোজা দি থৈ আমাক দেউলীয়া বনালে। অথচ আমি এই সময়চোৱাত ঘূৰাই দিছো ৩৭১৮ কোটি ৪০ লাখ টকা। ধাৰ ৬৩১ কোটি টকা মৰা হৈছে আৰু অতিৰিক্ত ব্যয় ১৩৯৩ কোটি ৩২ লাখ টকাৰ বোজা লোৱা হৈছে। কিন্তু মই জনামতে এ, জি, পি চৰকাৰৰ দিনটো এটা সময়ত দৰমহা দিব পৰা অৱস্থা নাছিল। টি, এ, ডি, এ সম্পূৰ্ণ বন্ধ কৰি দিছিল। ভ্ৰমণ সম্পূৰ্ণ বন্ধ কৰি দিছিল।

সেইদৰে অভাৰ ড্ৰাফটৰ ক্ষেত্ৰত মই জনাব খুজিছো যে এ, জিৰ ৰিপোৰ্ট অনুযায়ী এ, জি, পি চৰকাৰৰ দিনত ওৱেজ এণ্ড মিনচ এডভান্সত ৩১২ দিনত ১২৪৭ কোটি ২৮ লাখ টকা খৰচ কৰিছিল আৰু আমাৰ দিনত এতিয়ালৈকে ১৪৩ দিনত ৮১২ কোটি ৩৮ লাখ টকা ওৱেজ এণ্ড মিনচত লোৱা হৈছে। ওৱেজ এণ্ড মিনচ খৰচ কৰাৰ পিচত এ, জি, পি চৰকাৰৰ দিনত অভাৰ ড্ৰাফট এভেইল কৰিছিল ২৮১ দিনত ১৭৪১ কোটি ৩৪ লাখ টকা। কিন্তু আমাৰ

দিনত, ১৯৪ দিনত ১১৪০ কোটি ৯১ লাখ টকাহে।

এতিয়া উদ্যোগ ব্যক্তিগত কৰণৰ কথাৰে আহো। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নতুন উদ্যোগীক নীতি অনুসৰি আমি কেইটামান উদ্যোগ ব্যক্তিগত খণ্ডলৈ নিয়াটো সঁচা। সেয়ে হলেও আমি অন্যান্য উদ্যোগ প্ৰায় আটাইখিনিয়েই ৰাখিছো। কিন্তু এই ক্ষেত্ৰত আমাক জগৰীয়া কৰিব নেলাগে। কিয়নো নিগমৰ ক্ষেত্ৰতো ১২০০ কোটি টকাৰ ধাৰৰ বোজা আমি সবলগীয়া হৈছো। বিদ্যুৎ বোৰ্ডৰ ক্ষেত্ৰতো ১৯৮৫ চনত আমাৰ দলৰ চৰকাৰ থাকোতে লোকচান হৈছিল ২১ কোটি টকা কিন্তু ১৯৯০ চনত তেওঁলোকে লোকচান কৰি থৈ গৈছিল ১৫৩ কোটি টকা। পৰিবহন বিভাগত ১৯৮৫ চনত লোকচান হৈছিল ৬ কোটি টকা কিন্তু ১৯৯০ চনত লোকচান হৈছিল ১৩ কোটি টকা। ষ্টেটফেডত ১৯৮৫ চনত লোকচান হৈছিল ১ কোটি টকা কিন্তু ১৯৯০ চনত লোকচান হৈছিল ১১০ কোটি টকা। মই মাত্ৰ কেইটামান উদাহৰণহে দিছো। এনে এটা বিধস্ত অৰ্থনৈতিক অৱস্থা আমালৈ এৰি থৈ গৈ এতিয়া আমাক সমালোচনা কৰাৰ কোনো অধিকাৰ নাই।

★ডঃ জয়নাথ শৰ্মা : এই তথ্যবিলাক শুদ্ধ নহয়। মই এ, জি অফিচত নিজে চাইছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এইটো ঠিকে আছে।

মহন্ত ডাঙৰীয়াই কৈছে— মই প্ৰথমে ৩০ লাখ বিদেশী আছে বুলি কৈ পিচত এটাও নাই বুলি কৈছো। কোৱাটো সঁচা। মই এই বিষয়ে কেইবাবাৰো বিধান সভাত কৈছো। কিন্তু মহন্ত ডাঙৰীয়াই দায়িত্ব লোৱাৰ সময়ত কৈছিল যে অসমত ৪৫ লাখ বিদেশী আছে। কিন্তু যাবৰ সময়ত কৈছিল যে ৩৫০ জন বিদেশীকহে খেদি থৈ গৈছে। ইয়াৰ উত্তৰ কি ?

